
মন মাজুলীৰ ছায়া



শ্ৰীগুণীন বৰদলৈ

Mon Majulir Chayan, a collection of modern short stories by Shri Gunin Bordoloi, Dispur, Guwahati.

প্ৰকাশক
শ্ৰীজ্যোতীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী-৭৮১০০১

প্ৰথম প্ৰকাশ
১৯৮৬

মূল্য ১৫·০০

উমা প্ৰেছত মুদ্ৰিত

সূচীপত্ৰ

পোষ্টাৰ

"কাইলৈ পুৱা
নতুন বেলি ওলাবনে ?
ক্লান্ত অশ্ৰু চেকুৰিব কোন দিনে ?
—ৰবী তালুকদাৰ

মুকুট ক'ত ?

মৈণীয়েক তৰাৰ পৰা কোনো উত্তৰ নেপাই ননীয়ে আকৌ দুবাৰ সুধিলে, "কেলেই, সি অহা নাই ?" জোতা-মোজা যোৰ খুলি খুলি তেওঁ আকৌ এবাৰ তৰালৈ চালে। আলনাৰ পৰা গামোচাখন আনি ওচৰতে থৈ পাকঘৰলৈ বুলি যাওঁতেই কৈ গ'ল—"আপোনাৰ অফিচৰ কামবোৰ কমাবৰ হল যেন পাওঁ। অফিচত আনেও কাম কৰে নহয়।" কিন্তু তাওৰ পুতেক মুকুট এতিয়া ৰাতি ৯ বজাতো আহি পালেহিনে নাই তাৰ উত্তৰ নেপালে। তাৰ মানে সিও আজি-কালি পথুলি পলমকৈ ঘৰ সোমায়হিনে কি ? ঘৰ সোমায়েই চকুৰ আগত নেদেখা ল'ৰা বা ছোৱালী এটাৰ কথা সোধাটো তেওঁৰ অভ্যাস হৈ পৰিছে। এনেয়ে সোধে আৰু। কিন্তু সাধাৰণতে মাকৰ পৰা যথাযথ উত্তৰ পোৱাত পলম নহয়, আজি তাৰ ব্যতিক্ৰম কিয় ?

এৰা, ঘৰখন প্ৰায়ে আজি-কালি তেওঁ অৱহেলা কৰাৰ নিচিনা হৈছে। অফিচৰ কামবোৰো শেষ কৰি নহাকৈ তেওঁ এৰি আহিব নোৱাৰে। কতৰ কত অভাৱ, তেওঁবেই [illegible]

ছুটি, ইনক্রিমেণ্ট, প্ৰমোচনৰ কথাবোৰ এদিন পলম হলেও ভুক্ত-ভোগীৰ এবছৰমান লাগে, সেই কথা তেওঁ নিজেই বুজে । তাৰোপৰি সংঘৰ কামবোৰ আছে । আজি মুখ্যমন্ত্ৰীৰ ওচৰলৈ সংজাতিদল যোৱা, কাইলৈ কোনো কৰ্মীৰ কাৰণে ওপৰ মহললৈ স্মাৰক পত্ৰ লেখা, পৰহিলৈ কাৰ্য্যনিৰ্বাহক সমিতিত পাছ কৰাব লগা প্ৰস্তাববোৰ আগদিনাই খচৰা কৰি ৰখা । দৰমহা আয়োগৰ প্ৰতিবেদন লেখিবলৈ নানা ধৰণৰ কিতাপ-কাগজ গোটাই নোট লেখা ইত্যাদি কামবোৰ সদায় লাগিয়েই আছে । ঘৰ পাওঁতে ৰাতি সাত-আঠমান বাজেই । মাজে-মাজে ঘৰলৈও আনি কৰিব লাগে, অফিচৰ কামো, সংঘৰ কামো। মাক আৰু লৰা-ছোৱালীহঁতৰ কাৰণে ই এটা পৰিচিত পৰিবেশ । মাত্ৰ সৰু ছোৱালীজনীয়ে ভাবে তাইক মাণ্টৰনীয়ে কৰিবলৈ দিয়া দি দেউতাককো বোধহয় হমৱৰ্ক দিছে । "মা, দেউতাৰ হমৱৰ্ক আছে । মোৰ হমৱৰ্ক আৰু দেউতাই ক'ত চাব ?" মাকে জানে দেউতাকৰ ব্যস্ততাৰ কথা, তথাপি এই ব্যস্ত মানুহজনে সময়ৰ অপচয় নকৰে বুলি তেওঁৰ দৃঢ় বিশ্বাস। এয়া, মাজু ল'ৰাটোক বছৰৰ সকলো মাহতে দিন-ৰাতি কিয় সমান নহয় বহুিয়াকৈ বুজাই দি সৰু ছোৱালী-জনীক বান্দৰে কল খাই শিয়ালক কলৰ বাকলিবোৰ দলিয়াই দিয়া ইংৰাজী গল্পটো হয়তো বুজাই দিছে ।

অভাৱগ্ৰস্ত সংসাৰখনলৈ তবাৰ কি ধাৰণা কৰ নোৱাৰি । হয়তো ভাবে—অভাৱৰ মাজেদি হলেও সিহঁত ভাল হওক । বাপেকৰ দৰে অক্লান্ত কৰ্মী হবলৈ শিকক । এদিন নিজৰ ভৰিত থিয় দি এসাজ খাবলৈ শিকিব । তেওঁলোকৰ নিজৰ আৰু নহব—এই কথা কাহানি-বাই বুজি লৈছে । ঘৰণীয়ে তেওঁক কোনোমতে গোটেই সমাজ ৰবখাটো সম্পূৰ্ণ সজনি নহলে যোলে এইবোৰ অভাৱ-অভিযোগ শাইগুটীয়া কেন্টাবে আঁতৰাব নোৱাৰি । পতিকে মানুহটোক এই-বোৰৰ কথা বিৰত কৰিবলৈ যে বিৰক্ত কৰি লাভ নাই। চলক একেকেৰে । "আহিলে কাবোবাৰ [illegible] টকা কেইটামান পথটিকে [illegible] । চাউলে আৰু এদিনহে যাব ।"

এনেবোৰ অনুযোগ মানুহৰ শেষত আছেই । মধ্যবিত্ত কেৰাণীৰ সংসাৰ। টকাৰ যোগাৰ নহলে বা যোগাৰ কৰিবলৈ পাহৰিলে তৰাই ওচৰৰ হাজৰিকানীৰ পৰা ১০।১৫ টকা ধাৰলৈ আনি এই জঞ্জালবোৰ মাৰে। কিন্তু হাজৰিকানীয়েনো এনেকৈ খুজিলেই টকা দিবলৈ ক'ত পায়? তৰাই ভাবে দুয়োৰে চাকৰি হোন একে পৰ্য্যায়ৰে। অথচ আমাৰজনৰ দৰে সিমানকৈ গা-খাটনিও খাটিব নেলাগে। থাকেও আমাতকৈ ভালকৈ, খায়ো ভালকৈ। ছমাহে বছৰেকে গহনা-গন্থাও নতুনকৈ লোৱা দেখা যায়। "সোণ পুৰণা, আগৰে আছিল। তাৰে মাত্ৰ গঢ়নিখিনিতহে যি খৰচ পৰিছে।" এয়া হাজৰিকানীৰ নিবিচৰা কৈফিয়ৎ।

"জানো দেও!" বুলি কৈ থলেও ননীয়ে জানে মন্ত্ৰীৰ লগত মন্ত্ৰীৰ গাড়ীতে গৈ বাচ বা ৰেলৰ ভ্ৰমণ-বানচ বুলি মাহে শ-শ টকা তেওঁৰ হাতেৰেই দি আহিছে। এই কথা জনাই জানে, নাজানে তৰাই। তৰাৰ হয়তো বিশ্বাস অসদুপায়েৰে উপাৰ্জন কৰা ধনেৰে ল'ৰা-ছোৱালীক খুৱাব পিন্ধাব পাৰি, কিন্তু সু-শিক্ষাৰে মানুহ কৰিব নোৱাৰি। ঈশ্বৰে হেনো ছল চাই পোটক তোলে ননীৰ বিশ্বাস এইবোৰ মাত্ৰ ভিত্তিহীন সান্ত্বনা। শ্ৰেণী হিচাপে নিজৰ প্ৰাপ্যখিনি দাবী কৰি লব নোৱাৰিলে গোটেই মধ্যবিত্ত শ্ৰেণীটো এইদৰে ওপঙি থাকি পাৰিলে নিম্ন শ্ৰেণীটোক সামান্য হলেও শোষণ কৰি আৰু উন্নতিৰ আশাত ওপৰ শ্ৰেণীটোক তোষামোদ কৰি কোনো ৰকম অস্তিত্ব বজাই ৰখাৰ বাহিৰে আন উপায় নেথাকিব। নাঙ্গলৰ শিৰ্কলুৰ বোকা আৰু ঘূৰৰ ওপৰৰ প্ৰচণ্ড ৰ'দ লৈ তাৰ পঢ়োৱা ব্যাপেকক চাকৰিৰ যোগেদি ঠপি ঠপি আৰ্থিক স্বচ্ছলতাৰ আনন্দ হয়তো কিছু দিব পাৰি, কিন্তু দেশৰ সকলোবোৰ ব্যাপেকক দিব নোৱাৰি। প্ৰকৃত অৰ্থেৰে তাৰ প্ৰাপ্যখিনি সি দাবী কৰিব আৰু আনকো দাবী কৰিবলৈ কব। সেয়ে জীৱন জোৰা সংগ্ৰামৰ মাজেৰে সি আহি উপনীত হৈছে জীৱনৰ বিষম সন্ধিক্ষণত [illegible] পাঁচ বছৰৰ পিচত সি এদিন চাকৰিৰ পৰা বিদায় লব।

মুকুট আৰু মণ্টুৱে বাপেৰুৰ দৰে অভাৱগ্ৰস্ত একোটা মধ্যবিত্ত জীৱন যাপন কৰিবলৈ লব। মুকুটৰ বন্ধুৱে দিল্লীত ষ্টিফেন কলেজৰ পৰা ওলাই আহি আই-এ-এছ, হব বুলি হেনো তাক কৈছে। ক'ৰ পৰা ওলাই আহি কি হব মুকুটে কিন্তু কব নোৱাৰে।

প্ৰয়োজন ভিত্তিক নিম্নতম মজুৰী আমাৰ দাবী। দৰমহা আয়োগৰ প্ৰতিবেদন সোনকালে প্ৰকাশ কৰক। পণ্টাৰবোৰ সকলো ঠাইতে ভালদৰে লগোৱা হলনে নাই সি আকৌ এবাৰ ভাবি চালে। সন্ধিয়াহে সি অফিচৰ পৰা ওলাইছে। তাৰ পৰা আহি ল'ৰাকেইটামান লগত লৈ লগাই লগাই আহোঁতে ৰাতিয়েই হ'ল। আৰু বাকী থাকিল। এই পণ্টাৰবোৰৰ প্ৰকৃততে দৰকাৰেই নাছিল। এই "পণ্টাৰবোৰতো বাটৰ জনতাৰ কাৰণে নহয়; আছিল তাৰ নিচিনা গ্ৰেজুৱেট উপাধিধাৰীকে ধৰি শিক্ষিত মধ্যবিত্ত কেৰাণী শ্ৰেণীৰ কাৰণে। তোমাৰ অভাৱবোৰ মই পণ্টাৰৰ যোগেদিহে জনাই দিব লাগেনে ? লাগে। এই নিৰ্জীৱ আৰু ক্ষয়িষ্ণু মধ্যবিত্তসকলে শিকিছে মাত্ৰ অভাৱবোৰ কেনেকৈ ঢাকি ৰাখিব লাগে।

আত্মসন্মান আৰু ক্ষয়িষ্ণু আভিজাত্যকণ হেৰুৱাৰ ভয়ত এই শ্ৰেণীৰ মানুহে নিশাৰ আন্ধাৰত লুকাই লুকাই বেশ্যালয়ত সোমোৱাৰ দৰে কাবুলীৰ দুৱাৰত মৃদু আঘাত কৰে নিজৰ অভাৱ পূৰাবলৈ। অথচ দাবী পূৰণ কৰিব লাগে বুলি কবলৈ এওঁলোকে লাজ পায়। কিন্তু আন শ্ৰেণীৰ চৰণত নিজকে অৰ্পণ কৰোঁতে অলপো ক্ষুণ্ণবোধ নকৰে। ৰাজহুৱা কিবা এটা কৰাৰ সাহস ইয়াৰ্তক যোগাব লাগে, সেয়ে পণ্টাৰ লাগে।

এই মাহতে মণ্টু, মুকুট আৰু মনমণিৰ স্কুলৰ ফীজ আদিত নগদ ৪৫ টকা লাগে বুলি মাকে কৈছে। আজি গধূলি দিবলৈ অহাৰ দৰে হেজাৰকৈ দিলে মণ্টুহঁতক অসমীয়া স্কুলত নিদি দিল্লীতো পঢ়াব পৰা গ'লহেঁতেন।

—"বুজিছে, অভাৱ-অসুবিধা আছে সকলোৰে। আপোনাৰো আছে, মোৰো আছে। মাত্ৰ মাত্ৰাৰ কম বেছি; সেয়ে চাওক,

যিটো কামত মোকো আপুনি উপকাৰ কৰা হল, আৰু ময়ো আপোনাক উপকাৰ কৰা হলে। কি যেয়াটো হল চাওক। সকলোতে হৈছেই। মনে মনে আপোনাক কওঁ—ওপৰত সকলো ঠিক কৰি থৈছো, বাকী আপুনি লেখি দিলেই মই টকাটো মোক নামত লব পাৰো।"

ৰাষ্ট্ৰায়ত্ত বেঙ্কৰ পৰা ৩ লাখকৈ উদ্যোগকৰণ ঋণ লৈ সেই বেংককে ঠগাৰ অভিসন্ধিৰে ঠিকাদাৰ নৰেন চৌধুৰী আহিছিল মোৰ ওচৰলৈ। তিনিজনকৈ মন্ত্ৰী আৰু দুজন 'উচ্চ বিষয়াৰ পৰা দিনটোত তিনিবাৰ টেলিফোনৰ তাগাদা আৰু ধমকি শুনিব লগা হৈছিল ননীবাবুৰে ভদ্ৰলোকক মিছা হায়ৰাণ কৰা বুলি। ননীবাবু অলৰ-অচৰ। নিয়ম মানি তেওঁ চলিবই। তেওঁৰ কথা, কোনোবাই পাবে যদি দিয়ক, ভীতি প্ৰদৰ্শনলৈ ভয় কৰি বা অনুগ্ৰহৰ আশাত তেওঁ নিয়ম উলংঘা কৰিব নোৱাৰে।

"আপুনি ৰাষ্ট্ৰায়ত্ত বেংকৰ পৰা ঋণ লৈছে। ঋণৰ টকা যাতে নিয়মীয়াকৈ পৰিশোধ হয় তাৰ কাৰণে আপুনি ঠিকাৰ টকা বেংকৰ যোগেদিহে পাব। আপুনি পোনে পোনে লব নোৱাৰে। এই কথা আপুনি জানে। তেনেহলে মই কি কৰিম?"

মোৰ ওচৰত সুবিধা নহল। নৰেন চৌধুৰী গজগে। 'যুগৰ প্ৰতিনিধিৰ' সম্পাদক কমল বৰপূজাৰী। তৰিৰ পৰা মূৰলৈকে খদ্দৰ পিন্ধে যদিও কংগ্ৰেছী নহয় বোলে। গল্প, প্ৰবন্ধ, চোকা সম্পাদকীয়ৰ যোগেদি চৰকাৰী শাসন-যন্ত্ৰৰ দুৰ্নীতি, মধ্যবিত্তৰ জোতামী আৰু ভণ্ডামী বখলিয়াই সমাজ-সচেতন লিখক বুলি এটা মহলত নিজৰ এখন আসন আহুতীয়াকৈ বান্ধিছে। মাজে মাজে মাৰ্ক্স, লেনিনৰ নাম উল্লেখ কৰি পৰম প্ৰগতিশীল লিখকৰ শাৰীত নিজৰ ঠাই উলিয়াবৰ চেষ্টা কৰে। মানুহে কয় মন্ত্ৰীসভা আৰু চৰকাৰী ওপৰমহলৰ বহু বিষয়াৰ লগত তেওঁৰ সম্পৰ্ক বৰ ভাল। বিভিন্ন শ্ৰমণৰ নিৰ্যাতিত, শোষিত ঠিকাদাৰ মহলদাৰৰ উচিত দাবী লৈ প্ৰত্যেক প্ৰায়ে সচিবালয়ৰ বাৰাণ্ডাত ঘূৰা-ঘূৰি কৰা দেখা যায়।

অফিচৰ কেৰাণী মহলত প্ৰথমতে আহি কথাৰ চলতে কোন মন্ত্ৰীৰ ঘৰত বা কোন সচিবৰ ঘৰত আহি আলহী হৈছে সেই কথা কৰলৈ নেপাহৰে ।

"বুজিছে, চৌধুৰীয়ে আপোনাক আচল কথাটো কবলৈকে পাহৰিলে । অৱশ্যে আপোনাক প্ৰথম চিনাকিতে কয়নো কেনেকৈ ? মইহে বোলো বকৰুৱাৰ লগত মোৰ চিনাকি আজিৰ নহয়, সেই কলেজীয়া দিনৰে । মোৰ ভালে কেইখন কিতাপ লিখোতে তেখেতৰ পৰা উল্লেখযোগ্য উৎসাহ নাই পোৱা বুলি কব নোৱাৰি । প্ৰাইজ আৰু লাইব্ৰেৰীলৈ বুলি প্ৰায় ২000 কিতাপ চৰকাৰৰ হতুৱাই কিনালৈ তেখেতেই । মোৰো যাব লগা আছে তেওঁৰ ওচৰলৈ । চৰকাৰী আমোলাৰ বিশেষকৈ নিম্নখাপৰ জীৱন-নিৰ্বাহ আৰু জীৱন সংগ্ৰামৰ আলম লৈ আৰম্ভ কৰা মোৰ কিতাপখনৰ বিষয়ে জে আপোনাৰ লগত ভালেমান আলোচনা কৰিব লগা আছে । সঁচাকৈয়ে প্ৰায়া উপলব্ধি কৰিছো আমাৰ সাহিত্যিক সকলে খুব বেছি গাৱঁৰ খেতিয়ক এজনৰ দুখৰ বৰ্ণনা, মিল-শ্ৰমিক এজনৰ দাৰিদ্ৰ্যগ্ৰস্ত জীৱন-কাহিনী একোটা মাজে মাজে দাঙি ধৰে বা দুই এজন বিষয়াৰ দুৰ্নীতিৰ কথা উল্লেখ কৰি নিজস্ব সমাজ সচেতনতাৰ ঢাকঢোল বজায় । আপোনাক মোৰ অতি প্ৰয়োজন হব বকৰুৱা ।"

"বাৰু সেইবোৰ হব । যদি তেনেদৰে ভাবে তেতিয়া হলে মোৰো আপোনাক প্ৰয়োজন, আপোনালোক সাহিত্যিক সকলে মাজেমাজে দুই এজন নিম্নখাপৰ বিষয়াৰ ১০।১৫ টকা ঘোচ খোৱাৰ কাহিনী, কৰ্ত্তব্যত অৱহেলা দেখুৱাৰ নাডুত-নাশুকত কাহিনী বৰ্ণাই কেৰাণীসকলক ৰাইজৰ আগত হেয় কৰাৰ প্ৰচেষ্টা বা আৰ্থিক দুৰৱস্থাৰ কথা কৈ পচু ৱৈৰ পুতৌ যোগোৱাৰ বাহিৰে আপোনালোকে আৰু কিবা কৰিবলৈ বাকি আছে বুলি যদি ভাবে তেতিয়া হলে সাহিত্যিক হিচাপে আপোনাৰ প্ৰয়োজন হব । কেৰাণী বুলি কোনোবাই উপলুঙা কৰা আমি যেনেকৈ ভাল নেপাওঁ, সেইদৰে কাৰোবাৰ পুতৌও আমি ঘৃণা কৰো । দেশখনক ভাল পোৱাটো

অকল ৰাজনীতিজ্ঞসকলৰ মনপ'লি নহয়, পৃথিৱীৰ সদ্‌গুণৰ অধিকাৰী আপোনালোক সাহিত্যিক সকলেই নহয়। জীয়াই থকাৰ সংগ্ৰাম আমাৰ চলি আছে। আন কথাত আমি জীয়াই থাকিবলৈ সংগ্ৰাম কৰি আছো আৰু সংগ্ৰাম কৰিবলৈ জীয়াই থাকিব লাগিব। এই সংগ্ৰামৰ গুৰি ধৰিবলৈ আমি কাহানিও কোনো ৰাজ-নীতিজ্ঞৰ গুচৰ চপা নাই। কাৰণ এই বিষয়ে আমাৰ নিজস্ব ধ্যান-ধাৰণা পৰিষ্কাৰ, কাৰো সহায় দৰকাৰ নহয় বা ৰাজনীতিবিদ সকলো আগবাঢ়ি নাহে; কাৰণ ভোটৰ বাকচৰ চিন চাই ভোট দিয়াৰ দল আমি নহয়। আমাৰ ভোটেৰে কোনো প্ৰাৰ্থীকে জয়-পৰাজয় কৰিবলৈ চৰকাৰে কোনো সমষ্টি নিৰ্দ্ধাৰণ কৰি দিয়া নাই।

"শুনক বৰুৱা, আপোনাৰ পৰা ইতিমধ্যে মই ভালেখিনি পালো বুলিও কব পাৰি। কিন্তু সমাজখন ধুই নিকা নকৰালৈকে আপুনিতো এইখন সমাজতে বাস কৰিব লাগিব আৰু তেতিয়ালৈকে চলিত নীতি-নিয়মবোৰকে মানি লব লাগিব। অপৰিষ্কাৰ সমাজৰ বোকাৰ দুই-এটা ছিটিকনি আপোনাৰ পোছাকত পৰিবই।"

ৰবপূজাৰীয়ে কথাৰ সুৰ বদলাই অনুচ্চ কণ্ঠত এইবাৰ কলে—"পতিকে কলো—আপুনি তেখেতে দিব খোজা পাঁচ হেজাৰটো লৈ থক, কামত আহিব।"

"বুজিছে ৰবপূজাৰী, এটাও ছিটিকনি মোৰ পোচাকত এতিয়াও পৰিব পৰা নাই। আপোনালোকে ধুই পৰিষ্কাৰ কৰিব খোজা সমাজখনত মই এতিয়াও নিকা হৈয়ে আছো আৰু থাকিম বুলিও ভাবো। মই লাজ পালো ভাওৰীয়া, আপুনি এতিয়া আহক। মই কাম কৰিব লাগে। নমস্কাৰ।"

এনে এটা উত্তৰৰ বাবে ৰবপূজাৰী মুঠেই প্ৰস্তুত নাছিল; অদৃশ্য আঘাতত তেওঁৰ গালখন ৰঙৰঙীয়া হল। তেওঁ এবাৰ একেথৰে ননী বৰুৱালৈ চালে। ইমান স্পৰ্দ্ধা এই বৃদ্ধ কেৰাণীটোৰ। ননী বৰুৱা একমনে ফাইলৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি থ'লে। তেওঁৰ ফালে এবাৰো চোৱাৰ চেষ্টা নকৰিলে।

"শুনক ননীবাবু, আপোনাক নাকনি-কাননি কৰিব পৰা শক্তি মোৰ আছে। গুৱাহাটীৰ ৰাজপথত লংপেন্ট খুলি আপোনাক ইচ্ছা কৰিলে মই নচুৱাব পাৰো। এতিয়াও ভাবি চাব। কিন্তু তথাপি কৈ থৈ যাওঁ, মোৰ পৰা আপুনি যেতিয়াই বিচাৰে তেতিয়াই সহায় পাব।" কমল বৰপুজাৰীয়ে কৰা অপমান খিনি হজম হলনে নাই সি হয়তো কব নোৱাৰে। তেতিয়ালৈ তাৰ টোপনি আহিল।

সিটো কোঠাত কাৰো টোপনি অহা নাই। মুকুটে মেজৰ ওচৰত বহি কিবা-কিবি লেখাত মনোনিবেশ কৰিছে। চিলাইৰ কাম এটা হাতত লৈ মাকে তাৰ লগত কিবা এটা আলোচনা মুকলি কৰাৰ অভিপ্ৰায়েৰে ওচৰতে বহি লৈছে। লেখি থকাৰ পৰাই মুকুটে মাকৰ অনুযোগবোৰ, উপদেশবোৰ শুনিছে আৰু মাজে মাজে দুই-এটা উত্তৰ দি আছে। কাইলৈৰ ছাত্ৰসভাৰ বক্তৃতাটোৰ মূল কথাবোৰ সি জুকিয়াই লৈছে। ধৰ্মৰ আৰু ভাষাৰ ভয়ংকৰ বিষাল মেজু-ভালে ছাত্ৰসকলক যেনেকৈ বান্ধি পেলাব খুজিছে তাৰ পৰা ইহঁতক মুক্ত কৰা যায় কেনেকৈ? মূৰটো তাৰ গৰম হৈ উঠে।

"দেউতাৰৰ পেঞ্চনলৈ আৰু বেছি দিন নাই।"

"ওঁ জানো।"

"কি জান?"

"কেইটামান বছৰৰ পিচতে দেউতাই অৱসৰ লব। তেতিয়া উপাৰ্জন কমি চাৰিভাগৰ এভাগ হব। খৰচৰ মাত্ৰা এতিয়াৰ দুগুণ হব।"

মাকে কব খোজা কথাখিনি নিচেই সহজ মৌখিক অঙ্ক এটাৰ উত্তৰ কোৱাদি কৈ পেলাই মাকৰ চিন্তিত মুখলৈ চাই পাতলকৈ হাঁহি এটা মাৰিলে।

"দেউতাৰে কৈছে—পঢ়া সময়ছোৱাত সেইবোৰ মেল-মিটিঙত লাগি থকা ভাল নহয়। লগৰ লৰাই বেয়া পাই যদি যাবি, অকণমান সময় থাকি গুচি আহিবি। তাৰ বাইছ বছৰীয়া জীৱন-টোত বুজাই-নুবুজাই সি বহুত চালে, বহুত দেখিলে। এতিয়া

চাইছে আৰু চাই বুজিছে। সি নুবুজা দিনৰ পৰা দেউতাকে আজিৰ দৰেই কৰ্ত্তব্যনিষ্ঠাৰে দিন-ৰাতি খাটি আহিছে। খাটনি ঘৰৰ, খাটনি অফিচৰ আৰু খাটনি সংঘৰ। আমোদ বোলা কথা-ষাৰ দেউতাকৰ জীৱনত এতিয়ালৈকে দেখা নাই, অথচ আক্ষেপ কৰা দেখা নাই আৰু অনুযোগ কৰাও শুনা নাই। সেয়ে ল'ৰা-ছোৱালীবোৰেও যি পাইছে তাতেই সন্তুষ্ট থাকে।

ৰাতিৰ আন্ধাৰত নতুন পষ্টাৰেৰে সজ্জিত হৈ পুৰা চহৰৰ ৰাজপথৰ কাষৰ দেৱালবোৰে সদায় নতুন ঘোষণা কৰে। দুই এখন ৰঙীন পষ্টাৰে মাত্ৰ আকৰ্ষণ কৰা মুকুটৰ যুৱকমনটোৱে আজি-কালি দেৱালবোৰ নতুনকৈ চাবলৈ শিকাগে। পুৰণি পষ্টাৰৰ ওপৰত নতুন পষ্টাৰে দেখা দিয়ে বা পুৰণিবোৰ ফালি নতুন লগোৱা হয়। গৌৰৱপূৰ্ণ দ্বাদশ সপ্তাহ চলিছে, শ্ৰেষ্ঠাংশত ·· ·· ·····। নিখিল ভাৰত সঙ্গীত সন্মিলন, টিকটৰ হাৰ ১০০ টকা, ৫০ টকা, ২৫ টকা ইত্যাদি। কেৰাণী বাপেকৰ মুখখন মনত পেলাই সি ভাবে ১০০ টকা দি এটা টিকট কিনিব পৰা অৱস্থাটো আয়ত্ব কৰিব পাৰিলেহে এনে সঙ্গীতৰ ৰস আস্বাদন কৰিব পাৰি নে কি? মগজুৰ উৎকৰ্ষতা, ৰস আস্বাদনৰ ক্ষমতা টকাৰ পৰিমাণটোৰ লগতহে নিৰ্ভৰ কৰে নে কি? "নহয় অ' যিবোৰ আৰ্টিষ্ট আহে সিহঁতৰ ফীজেই হাজাৰ টকাৰ ওপৰ।" তাৰ লগৰ লৰা এটাই তাৰ মনৰ খেলি-মেলি গুচাবৰ কাৰণে তাক বুজাবলৈ চেষ্টা কৰে। তাৰ মানে যিমান পইচা দিবা সিমান পাই দিম। আৰু আমি পষ্টাৰ চায়েই সন্তুষ্ট থাকিব লাগিব, চাবলৈ পোৱাটো আমাৰ প্ৰাপ্য বা উচিত নহয় নে কি? তেনেহলে ফাল, ফাল এইবোৰ পষ্টাৰ ফাল, কোনো দেৱালতে থাকিব নোৱাৰে। মূলতে এটা ন্যায়সঙ্গত ক্ষোভে মনত খোপনি পুতি সিহঁতৰ তৰুণ মনবোৰক বিব্ৰত কৰি তোলে। আঁটি বিচাৰি সমস্যাৰ গুৰিটো উলিয়াব পাৰিলে সিহঁতে তাক উঘালি পেলোৱাত সকলো তৰুণ শক্তি প্ৰয়োগ কৰিলেহেঁতেন। কিন্তু তাৰ অভাৱত প্ৰথমে চকুত পৰা প্ৰথম সামগ্ৰীটোৰ ওপৰত

তাহঁতৰ ক্ৰোধৰ ফিৰিঙতিবোৰ ছিটিকি পৰিল, পণ্টাৰবোৰ, তাৰ পিচত ক্ৰমে অনুষ্ঠানৰ গায়ক-গায়িকাবোৰ, অনুষ্ঠানৰ উদ্যোক্তা সকল একেৰাই যাব ধৰা, ফালি যাব ধৰা পণ্টাৰবোৰৰ মাজত দুই-এখন হাতে লেখা পণ্টাৰো চোন আছে। ৰ'দ-বতাহত এইবোৰ বিবৰ্ণ হৈ যাব ধৰিছে। এতিয়া সেইবোৰৰ প্ৰয়োজন, হয়তো নাইকিয়া হৈ আহিছে। ক'তা, সিহঁতেতো এইবোৰ পণ্টাৰত কাহানিও চকু দিয়া নাছিল। ৰাজীবহঁতে "ক্লাবৰ সাহায্যাৰ্থে" দুই এখন চিনেমা ভাৰালৈ লৈ কেতিয়াবা এনেকুৱা দুই এখন পণ্টাৰ মাৰে। কিন্তু সিহঁতে নিজেও এইবোৰৰ ওপৰত বৰ গুৰুত্ব নিদিয়ে, কাৰণ ঘৰে ঘৰে গৈ টিকটবোৰ বিক্ৰী কৰি শেষ কৰে। দেৱালখনৰ আধা-খিনি ঠাই পৰিষ্কাৰ কৰি পেলালে সিহঁতে। পণ্টাৰৰ ফটা টুকুৰাবে ৰাজপথ বগা-ক'লা হ'ল। আজি চহৰৰ সকলো দেৱাল পৰিষ্কাৰ কৰি সিহঁতে ৰাতিলৈ নতুন পণ্টাৰ লগাব। ফাল, ফাল, ফাল।

মুকুটহঁতে গোটেই দিনটো পণ্টাৰ লিখি সন্ধিয়াৰ পৰা ৰাতি-লৈকে পণ্টাৰ আৰোতেই গল।

‥ ‥ 'বস্তুৰ দুৰ্মূল্যতা কমাব লাগিব ‥ ‥

শিক্ষিত নিবনুৱাৰ অন্ন-সংস্থান লাগে।'

এই সকলোবোৰ লাগে এটা সুস্থ আৰু জাগ্ৰত জনমত গঢ়ি তুলিবলৈ। দুই-এজন ছাত্ৰ-নেতাই এইদৰে কোৱা মুকুটে শুনিছে—কথাটো এতিয়া উপলব্ধি কৰিছে। সেয়ে মাকৰ চিন্তাগ্ৰস্ত মুখৰ বহু বুজনি আওকাণ কৰি আজি এইদৰে পণ্টাৰ লেখি ৰাজহুৱা সভা পাতি জনমত গঢ়ি তোলাত নিজকে নিয়োগ কৰাৰ বাহিৰে অন্য উপায় নাই। গোটেই সমাজ-ব্যৱস্থাটোৰ ক'ৰবাত নে শাসন-যন্ত্ৰটোৰ কোনোবাখিনিত কিবা এটা বিভুতি ঘটিছে—সি মাত্ৰ ইমান-কেহে উপলব্ধি কৰিছে। ইয়াক ঠিক কৰিব নোৱাৰিলে তাৰ একক প্ৰচেষ্টাৰে মাকৰ চিন্তাক্লিষ্ট মুখত হাঁহি বিৰিঙাব নোৱাৰে আৰু মাজে মাজে ওলোৱা বাপেকৰ দীঘল হুমুনিয়াবোৰ নকমে। তাৰ উপলব্ধিৰে মাত্ৰ ইমানকে চুকি পাইছে। কিন্তু আজি আমাৰৰ

মাজত বাপেকৰ সেই ৰূপ দেখি সি দেখোন আৰু এবাৰ আচৰিত হল। গোটেই শাসনযন্ত্রটোৰ একোটা ক্ষুদ্রতম অংশ হল তাৰ বাপেকৰ নিচিনা সৰু সৰু কেৰাণীবোৰ। এওঁলোকে বাৰু আলিবাটলৈ ওলাই আহি কিয় চিঞৰি চিঞৰি কব লাগে— 'আমাৰ বেতনেৰে আমাক খাবলৈ নোজোৰে ; আমাৰ দৰমহাৰে আমাৰ লৰা—ছোৱালীক যথোচিত শিক্ষা, চিকিৎসাৰ ব্যৱস্থা দিবলৈ নোজোৰে' বুলি। ৰাতিৰ আন্ধাৰত তাৰ বাপেকে বাটৰ কামৰ দেৱালত ডেকা সহকর্মী সকলক কিয় বুজাব লগা হয় যে তেওঁলোকে সংঘবদ্ধভাবে জীয়াই থকাৰ দাবী কৰিব লাগে। জীৱনৰ সকলো ক্ষেত্রত সকলো কামতে সংগ্ৰাম নকৰিলে আমাৰ নিচিনা মধ্যবিত্ত বা নিম্ন মধ্যবিত্তৰ কল্যাণমূলক ব্যৱস্থা কেতিয়াও কোনো চৰকাৰে নলয় নে কি ?

আজি যেন সি এটা নতুন সত্য উপলব্ধি কৰিলে। বিৰাট বিৰাট ৰঙীন পণ্টাৰবোৰৰ মাজত সৰু সৰু পণ্টাৰবোৰ কিয় মাৰে ? তাৰ বাপেকৰ নিচিনা সৰু সৰু কেৰাণীবোৰ, মিলবোৰৰ অৰ্দ্ধাহাৰী বনুৱাবোৰ, তাৰ নিচিনা হেজাৰ হেজাৰ শিক্ষিত নিবনুৱা যুৱক, লাখ লাখ মাটিহীন কৃষকৰ কথাবোৰে যেন মানুহক সঁকিয়াই দিছে— ইয়াৰ বাহিৰে গত্যন্তৰ নাই।

'মা, তুমি মোক ক্ষমা কৰা। তোমাৰ আন্তৰিক বুজনিৰে মই হয়তো সেউতাৰ নিচিনাকৈ এখন অভাৱগ্ৰস্ত সংসাৰ মূৰত লোৱাৰ দায়িত্ব লব পাৰিম, কিন্তু তোমাৰ নিচিনা মৰমী মা—বোৰৰ মুখত এই উপায়েৰে হাঁহি বিৰিঙাব নোৱাৰিম'।

সিটো কোঠাত অফিচৰ কামৰ পিচতো বাটে বাটে পণ্টাৰ আঠা লগাই ফুৰি বাপেক ভাগৰত শুই পৰিছে। মাকে অভাৱৰ আন্ধাৰৰ মাজত তাকেই গোহৰ ভাবি সপোন দেখিছে। সেউতাকে হয়তো গলমকৈ উপলব্ধি কৰিলে তেওঁৰ পথৰ প্ৰয়োজন।

পথৰ ক্লান্তি

"ডেউকাত জ্বলে জুই আশা বিহঙ্গৰ
শৰবিদ্ধ মনৰ হৰিণ
উভতি মাৰিছে লৰ"

—ৰাম গগৈ

এইবাৰ কমলা বদলি হৈ আহি থাকিব লগা হ'ল তেওঁক বিভাগৰে দুগৰাকী শিক্ষয়িত্ৰীৰ লগত একপ্ৰকাৰ মেচত থকাৰ দৰে। ভাৰতীয় শিশু-কল্যাণ পৰিষদৰ সৌজন্যত গঢ়ি উঠা এটা বালৱাদীৰ একাংশত শিক্ষয়িত্ৰীসকলৰ এই মেচ। সাধাৰণ ভাবে সজোৱা হলেও আটোম-টোকাৰি ঘৰটোত শিশুৰ প্ৰয়োজনীয় প্ৰায় সকলো সামগ্ৰী—যেনে সৰু সৰু মৰম লগা চকী-মেজ, কিতাপ, আলমাৰি, খেলনা, মেপ, গ্লব, নানা ৰকমৰ ছবি থকা চাৰ্ট আদি আছে। গাৱঁলীয়া সাধাৰণ পাঠশালাৰ ই এক ব্যতিক্ৰম। অৱশ্যে স্কুলৰ লগতে শিক্ষয়িত্ৰীসকল থাকিব লগা হোৱাত চৌহদৰ চাৰিওফালে বাঁহৰ চকোৱাৰ আবুৰ দিয়া হৈছে। চোতালত শিশুসকলৰ খেল-ধেমালিৰ কাৰণে ঝুলন আৰু ওলোমা বাদুলী খেলিব পৰা নানা ৰকমৰ লোহাৰ সঁজুলি আছে। ইয়াত কাম কৰা শিক্ষয়িত্ৰীসকলক গাৱঁৰ মানুহে সমীহ কৰি চলে। চকোৱাৰ ভিতৰলৈ গাৱঁৰ আন আন লৰা-ছোৱালী নাহে, সংকোচ কৰে। পুৱাৰ পৰা আৰম্ভ হোৱা শিশুবোৰৰ কলৰৱ এক বজাৰ লগে লগে কাঁহ পৰি জীন যায়। ভাত-পানী খাই ৰ'দ কাচলিত শিক্ষয়িত্ৰীসকলে জাৰকালিৰ চিলাই বা উলৰ কাম লৈ এই সময়তে

পালং কৰিবলৈ বহে। কিন্তু সেই অৱসৰ কমলাৰ নাই। তাইৰ আৰু বহুত কুল পৰিদৰ্শন কৰিব লগা থাকে। চাৰি বজাৰ পিছত ঘৰ সোমাইহে তেওঁলোকৰ লগত দুই-চাৰি আষাৰ কথা পতাৰ অৱসৰ হয়।

বি-এচ-চি, পাছ কৰি প্ৰথম অৱস্থাত যি দ্বিধাৰে কমলাই এই চাকৰিত সোমাইছিল প্ৰথম দুমাহতে সেই দ্বিধা লাহে লাহে আঁতৰি গৈছিল। নগৰীয়া প্ৰাচীন আৰু ৰক্ষণশীল ঘৰখনৰ মাজত তাই ইমান বছৰে যিবোৰ মানুহ লগ পাইছিল সেইবোৰ সকলো একে ৰকমৰ মানুহ, তেওঁলোকৰ ধ্যান-ধাৰণা, অভিজ্ঞতা আৰু মনোজগতত কোনো বৈচিত্ৰ্য নাই, আছে মাত্ৰ স্থবিৰতা। সেই ৰক্ষণশীলতাই শিকাইছিল মাত্ৰ এক মূল্যহীন সামাজিক মৰ্য্যাদাবোধ আৰু মধ্যবিত্তৰ কৃত্ৰিম আৰ্থসামাজিক অৱস্থাটোক চাকি ৰখাৰ ব্যৰ্থ-প্ৰচেষ্টা। সমাজখনৰ বিষয়ে কিমান এটা ভুল মূল্যবোধ লৈ তাই যে জীৱনৰ বত্ৰিচটা বছৰ কটাই দিলে, সেই কথা উপলব্ধি কৰিবলৈ পাৰলৈ আহিছে। গাৱঁৰ মাজত ঘূৰি ঘূৰি দেখিলে সিহঁতৰ নগৰীয়া ৰক্ষণশীল সমাজখনৰ বাহিৰত আৰু এখন বিৰাট মুক্ত পৃথিৱী আছে। তাই যেন বহুদিন শ্বাসৰুদ্ধ হব ধৰা এটা সংকীৰ্ণ প্ৰকোষ্ঠৰ পৰা ওলাই দিগন্ত প্ৰসাৰী মুকলি পথাৰ এখনৰ মাজত থিয় হলহি। ইয়াত তাইৰ ভাল লাগিছে। ইয়াত নাই আত্মকেন্দ্ৰিক সৰ্বদা ব্যস্ত মানুহৰ অবিৰাম ভিৰ, নাই অৰ্থহীন আড়ম্বৰিতা আৰু নাই কৃত্ৰিম মৰ্য্যাদাবোধ। ইমান দিনে মানুহবোৰে তাইকহে চাই-ছিল, ঘৰতো আৰু গাৱঁতো। কাৰণ চাৰজনীয়া বস্ত হৈ তাই লালিতা-পালিতা হৈছিল। তাইৰ এতিয়া ভাল লগা হৈছে, তাই এতিয়া এই মানুহবোৰক চাব পৰা হৈছে। বদ্ধ প্ৰকোষ্ঠৰ পৰা সাজি-কাচি সংকুচিত হৈ বজাৰৰ সামগ্ৰীৰ দৰে নিজৰ বিজ্ঞাপন দিব নেলাগে। সুদীৰ্ঘ গোটেই বছৰে এটি পণ্য দ্ৰব্যৰ দৰে কত গ্ৰাহকৰ আগত নিজৰ যোগ্যতা যাচাই কৰিব লগা হৈছিল তাৰ সীমা সংখ্যা নাই। প্ৰতিবাৰ দৰ্শনৰ পিছতে মাক-দেউতাকৰ 'কুৰ-

ভুৰীয়া গল। এতিয়া সেই মানুহবোৰৰ প্ৰতি তাইৰ পুতৌ হয়। অভিজাত দোকানৰ 'শ্ব'-কেচত' সজাই থোৱা পুতলা ছোৱালী এজনীয়ে দুৱাৰ খুলি ওলাই আহিল। বছৰৰ পিচত বছৰ ধৰি মাকে নিৰ্বাক ভগবান ওচৰত কত চাকি জ্বলালে। প্ৰদীপৰ তেল-চিকতিৰে গোসাঁই-ঠাইৰ আ-ডোখৰ ভাঠ হল। জ্বলা ধূপৰ ছাইৰে গোসাঁইৰ মুখখন নেদেখা হল। গোসাঁয়ে একো নেমাতিলে। তাইক বিয়া দিব নোৱাৰালৈকে ককায়েকহঁতে নিজে বিয়া নকৰে বোলা অঙ্গীকাৰ লাহে লাহে শিথিল হৈ পৰিল। এজনী এজনীকৈ তিনিজনী বোৱাৰী আহি ঘৰ সোমালেহি। নবৌৱেকহঁতেও নিজৰ চিনা পৰিচিতৰ ওচৰলৈ বহু চিঠি লেখিলে। বহুবাৰ পাচপৰ্ট আকাৰৰ ছবি চাৰিও-ফালে পঠিওৱা হল। কোনোবোৰ ফটো ঘূৰি আহিল আৰু কোনো-বোৰ নাহিল, কিন্তু চূড়ান্ত সিদ্ধান্ত কোনোৱে নজনালে।

"পেহী তাচ খেলিবা ? আহা" সৰু ভতিজা ৰবা এটাই তাইক আহি সুধিলে।

"ক'ত পালি তাচ ?"

তোমাৰ যে পুৰণা ফটোবোৰ। পুলিনে সেইবোৰেৰে তাচ বনাই দিছে। এইয়া চোৱা সব আছে।"

মানে অপচন্দ কৰি ঘৰাই পঠোৱা ফটোবোৰত ক্লাচ ফৰত পঢ়া পুলিনে যত দৰকাৰ ভাঙৰকৈ দাড়ি একোচা আঁকি দি চাহাব সজাইছে, সৰু দাড়ি আকি গোলাম সাজিছে আৰু একো নকৰাকৈ একোবোৰ হল বিবি বা মেম। এপাত এপাতকৈ তাচবোৰ মেলি দি তাই খিলখিলকৈ শিশু সুলভ হাঁহি এটা মাৰোতেই পিচফালৰ পৰা আঁচলিতে ঠাচ্ ঠাচ্কৈ দুটা চৰ পৰিল তাৰ গালত। বৌৱেকে থাপ মাৰি ফটোবোৰ হাতত লৈ চুলিত আজুৰি সৰু ৰবাটো চোঁচোৰাই লৈ গল। কথাটো হঠাতে হতভম্ব হৈ থকা ঠাইতে বহি ৰল, কি কৰা উচিত তাই যেন তাৰি নেপালে। 'পেহী পেহী' বুলি কান্দি থকা কৰুণ চিঞৰখিনি কোনোবা এটা কোঠাৰ বন্ধ দুৱাৰৰ পিনালে মৃতপ্ৰায় হল।

এৰা, তাই এতিয়া তাচ পাতৰ বিবি । অজানিতে হমুনিয়াহ এটা ওলাই আহিল । কান্দোনটো শুনিবলৈ পাব নেকি আকৌ ? নাই তাইৰ বা কি দোষ ? আৰু কাৰেই বা দোষ ? ককাইদেউৰ, বৌহঁতৰ, মাৰ, বিনা দোষত মাৰ খোৱা টুক-টুকীয়া ভতিজাটোৰ ? নহয়, তাই তাচপাতৰ বিবি হবলৈ কিয় যাব ? হলে চেহা যেই হব ।

তাই যেন এটা নতুন প্ৰতিজ্ঞা কৰিলে। তাচ পাতৰ বিবি হৈ নেথাকি খবৰ কাগজৰ বিজ্ঞাপনৰ ওপৰত মনোনিবেশ কৰিলে । ডজনে ডজনে কৰা দৰখাস্তবোৰৰ ভিতৰত এখনৰ উত্তৰ আহিল এদিন । প্ৰশিক্ষনৰ পিচত গাওঁ অঞ্চলত থাকি বালৱাদী স্থাপন আৰু তাৰ পৰিদৰ্শন কৰিবলৈ প্ৰস্তুত থকা প্ৰাৰ্থীকহে নিৰ্বাচন কৰা হব । কমলা সেই চৰ্ত্তত সম্পূৰ্ণ ৰাজী হল আৰু কাৰো মতামত আৰু অনুমতিলৈ অপেক্ষা নকৰি দক্ষিণ ভাৰতত প্ৰশিক্ষণ লৈ ঘূৰি আহিল । মাক আৰু বৌৰেকহঁতৰ অশ্ৰুসিক্ত চকুবোৰ আপোনা-আপুনি শুকাবলৈ এৰি দি ভতিজা এটাক লগত লৈ এদিন চুক্তিমতে তাই ওলাই আহিল শিশু-কল্যাণৰ কামত চহা গাওঁবোৰলৈ । তেতিয়া ঘৰখনৰ পৰা ওলাই অহাটোৱেই প্ৰথম আৰু অতি গুৰুত্ব-পূৰ্ণ কথা আছিল । কাৰণ ওলাই অহাতেই মুক্তি । কিন্তু সময়ে আকৌ প্ৰথম অৱস্থাৰ উদ্যম সেমেকাই পেলালে । কৰ্ত্তব্যপথৰ কষ্ট আৰু গাৱঁলীয়া জীৱনৰ নিঃসঙ্গতাই এই উদ্যম সেমেকাব পৰা নাছিল । সেই বিষয়ে সম্পূৰ্ণ বদ্ধপৰিকৰ হৈয়েই তাই নগৰৰ পৰা গাৱঁলৈ ওলাই আহিছিল । তাইৰ অজানিতে কিবা এটা দ্বিধাই শৰীৰ আৰু মনলৈ জড়তা আনিলে । লাহে লাহে গতিশীল জীৱনৰ দুৱাৰদলিত স্থবিৰতাই পুনৰ ভুমুকি মৰা যেন লাগিল । পয়ত্ৰিচ বছৰীয়া কুমাৰী জীৱনৰ দুৱাৰদলিত থিয় হৈ তাই দেখিলে তাই পাহৰি থাকিবলৈ চেষ্টা কৰা কথাটোকে মানুহবোৰে বাৰে বাৰে সোঁৱৰাই দি তাইক আকৌ দ্বিধাগ্ৰস্ত কৰি তোলে । এটা অনুচ্চ প্ৰশ্ন—তাই কিয় কুমাৰী হৈ থাকিল ।

সৌজন ব্লকৰ ডাক্তৰ খাটনিয়াৰ আৰু তেওঁৰ পত্নী। সেয়া সিফালৰ ঘৰত কৃষি-বিষয়া চৌধুৰী আৰু তেওঁৰ লৰা-ছোৱালীৰে ভৰা এখন সংসাৰ। তাৰো সিপাৰে শিক্ষা-সম্প্ৰসাৰণ বিষয়া লাহন। পশু-চিকিৎসক বৰা আদহীয়া মানুহ। তেওঁৰ দুজনী ছোৱালী নগৰত থাকি পঢ়ে। ব্লকৰ গ্ৰাম-সেবিকা ছোৱালী দুজনী মাজে মাজে তাইৰ তালৈ আহে। তাইতকৈ বয়সত বহুত সৰু; গতিকে নিতান্ত ঘৰুৱা কথা দুই-এটা পাতি সিহঁত গুচি যায়। পিচলৈ সিহঁতৰো পাতিব লগা কথা শেষ হয়, তাইৰ তালৈ অহাটো পাতলিল। ডেকা গ্ৰামসেৱক দুজনমানে হাঁহি-খিকিন্দালি কৰি তেওঁলোকৰ মনৰ খবৰ লয় বোধকৰো। বাকীবোৰ মানুহ ইঘৰ-সিঘৰলৈ অহা-যোৱা কৰে—নাহে তাইৰ মাষ্টৰণী মেচটোলৈ। অহাৰ প্ৰয়োজন অনুভৱ নকৰে। গ্ৰাম-সেবিকা ছোৱালীকেইজনী তাইৰ ওচৰলৈ অহাটো পাতলাই দি পিচত একেবাৰে নহাৰ দৰে তায়ো সেই ঘৰবোৰলৈ যাবলৈ এৰিলে। পাতিব লগা কথা তাইৰো শেষ হল পাব লগা সৌজন্য আৰু সৌহাৰ্দ্যৰ অভাৱত।

বাটত কোনোবা বিষয়াৰ পৰিবাৰে লগ পালে হাঁহি এটা মাৰি সোধে, "কি খবৰ? আজিকালি দেখো দেখিবলৈকে নাই?" তাই যেন জমিদাৰৰ প্ৰজাহে, মাজে মাজে ভূ-স্বামীৰ ঘৰত এনেয়ে দেখা একোটা দি আহিব লাগে। এনেবোৰ সম্ভাষণ পালে তাইৰ মণ্ডলাৰ ঘৈনীয়েকলৈ মনত পৰে। কোনোবা কাহানিবাই চাহ-বাগিছা এৰি আহি আৰ বাৰী-চুকত তাৰ বাৰী-চুকত ঘৰ সাজি থকা মণ্ডলাৰ ঘৈনীয়েকে সিহঁতৰ পাৰাৰ ঘৰে ঘৰে ধান-চাউল জাৰি বা আন ইটো সিটো কৰি ফুৰে। কেইদিনমান নাহিলেই তাইৰ মাকে মণ্ডলাৰ ঘৈনীয়েকক সেইদৰে সোধে। কাম থাকক বা নেথাকক তাই তাহাতৰ ঘৰত এপাক মাৰিবই লাগিব। তাইৰ অনুপস্থিতিয়ে সিহঁতৰ ঘৰখনৰ ক্ষয়িষ্ণু সামন্তবাদী মৰ্য্যাদাখিনি ম্লান কৰি পেলায়। ক্ৰোধ আৰু ঘৃণাত অন্তৰখন জ্বলি গলেও সৌজন্য সূচক "আছো আৰু আপোনাৰ ভাল?" বুলি কৈ বিদায়

লোৰাৰ বাহিৰে আন উপায় নাই। নিজৰ কোনো কৃতিত্ব আৰু স্বীকৃত সত্ত্বা নথকা এই মহিলাবোৰ স্বামীৰ কৃতিত্ব আৰু ঐশ্বৰ্য্যৰ পোহৰত নিজকে উদ্ভাসিত কৰিবলৈ বৃথা চেষ্টা কৰা যেন লাগে। গাৰ্ৱৰ পৰা আহি গাৰ্ৱতেই সম্পদ বুটলি এওঁলোকে চোন গাৰ্ৱলীয়া জীৱনক কটাক্ষপাত কৰে। কি যে স্ববিৰোধী মনোভাৱ। সিমুৰৰ কোৱাৰটাৰটোৰ শইকীয়ানীয়ে আগতে কৈছিল, "ঘৰটোত অকলে বহি বহি কি কৰে? ইয়ালৈকে আহিবচোন।" তেওঁৰ দৰে বহি-এই কটোৱা জীৱন তাইৰ নহয় যদিও নিজৰ নিঃসঙ্গতাৰ তাড়নাত দুবাবমান গৈছিল। ফ্লাচবৰ্ডত বহিৰ পৰা প্ৰাথমিক প্ৰশিক্ষণকণ শইকীয়ানীয়েই তাইক জোৰ কৰি দিছিল।

"এইটোনো কি কথা আৰু! অলপ খেলা-ধূলা কৰি মনটো পাতল নোগোৱাহে আৰু! এই চহা গাৰ্ৱলীয়া ঠাইখনত আপুনি ক'ৰ চিনেমা-থিয়েটাৰখন পাব?" পিচে নহয়, অকল খেলা-ধূলাৰে চিত্তবিনোদন কৰাই নহয়। শইকীয়াৰ কোৱাৰটাৰত ৰাতি বাৰ বজালৈকে ডাঠ পৰ্দাৰ ফাঁকেদি সেঁতা পোহৰ আহি তাইৰ খিৰিকীতো পৰেহি। গোৰ্ বোক গোৰ্ বোক কৰি দুখনমান গাড়ী আৰু স্কুটাৰ ষ্টাৰ্ট কৰাৰ শব্দবোৰ নাইকিয়া হলেহে খিৰিকীৰে অহা পোহৰ নাইকিয়া হয়। অজানিতে তাইৰ বুকুখনে দুক দুক কঁপে। শইকীয়ানীৰ ঘৰৰ ক্লাব শেষ হ'ল আজিলৈ।

চৌধুৰীৰ ঘৰলৈ গলে চৌধুৰীয়নীয়ে পেন্ পেনাব, ল'ৰা-ছোৱালী-কেইটাই একো নেখায় বুজিছে। বৰ দিগদাৰী ইহঁতক খুৱাবলৈ। নিৰ্ঘাত মিছা কথা যেন লাগে। চৌধুৰীৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্য ভাল। নোখোৱা ল'ৰা-ছোৱালীৰ এনে স্বাস্থ্য হব নোৱাৰে। ক'ৰবাত মুখ লাগিব বুলি হেনো তেওঁ সদায় এইমাৰ মিছা কথা কৈ ফুৰে।

শ্ৰীমতী নাথৰ ঘৰলৈ গলে হয়তো কব—ভনীয়েক আৰু ভনী-জোৱাঁয়েক আহিছিল। "তাই যোৱা মাহত বিহে এযোৰ সুন্দৰ কাপোৰ ললে বুজিছে। তাই এনেকৈয়ে মাহে মাহে কাপোৰ লৈয়ে থাকে। ময়ো কৈ পঠাইছো মোলৈ এযোৰ লবলৈ। পইচা

পিচে-পৰে কি হয় দিম।” খবৰ-কাগজখন আগবঢ়াই দি শ্ৰীমতী নাথে হয়তো কব—তেওঁৰ দেওৰেক এটা বিলাতলৈ গৈছে। এয়া আজি কাগজত তাৰ ফটোও ওলাইছে।

প্ৰসঙ্গটো সলাবলৈ কমলাই কয়—“এৰা অহাবাৰলৈ চৰণ সিং প্ৰধানমন্ত্ৰী হব পাৰেনে নোৱাৰে জানো?”

“ক’ৰ প্ৰধানমন্ত্ৰী দুৰ্বৰা?” শ্ৰীমতী নাথে তপৰাই সুধিলে। তাই জাপানৰ বুলি কলেও শ্ৰীমতী নাথে আপত্তি কৰিব লগা একো নেথাকিলহেঁতেন। কিন্তু একো নকলে।

সেই খণ্ডত ব্লকৰ ডাক্তৰৰ প্ৰচুৰ প্ৰেক্‌টিচ আছে। গতিকে তেওঁ ব্যস্ত মানুহ। “মিচ দুৰ্বৰা, আপুনিচোন আমাৰ পিণ্টু-মিণ্টুহঁতৰে পঢ়া-শুনাখিনি চাই দিব পাৰে। আমি আগৰ ব্লকত থাকোতে হাইস্কুলৰ মাষ্টৰ এজনক মাহে ষাঠি টকাকৈ দিছিলো। পিচে টিউচন আমি ঘৰতহে দিয়াওঁ। ল’ৰা-ছোৱালীক বাহিৰলৈ নপঠাওঁ।”

চাকৰিৰ চৰ্ত্ত আৰু দৰমহা সকলো তেওঁ জনালেই। তাই যেন চাকৰিটো ললেই। পইচা থাকিলে সকলো হয় বুলি এই শ্ৰেণীৰ মানুহৰ ধাৰণা। সমাজ বিজ্ঞানত এম, এ, পাচ কৰা শিক্ষয়িত্ৰীৰ ঘৰুৱা শিক্ষকতা। ডাক্তৰক তাইৰ পুতৌ কৰিবলৈ মন গ’ল।

সিটো কোঠাত পিণ্টু আৰু মিণ্টুৰ মাজত তাইক জেঠাই বুলিবনে মাহী বুলিব, নে বাইদেউকে বুলিব এই লৈ তৰ্ক চলি আছে।

“ইঃ বোলে জেঠাই, মাহীহে।”

“মাহী বুলিলে মায়ে কাণ ছিঙিব। জেঠাই বুলিবলৈ কৈছে।”

“নহয় মাহী, দেউতাই মাহী বুলিবলৈ কৈছে।”

“নহয় জেঠাই, সিদিনা দেউতাই মাহী বুলিবলৈ কওঁতে মায়ে দেউতাক কি কৈছিল শুনা নাই?”

“কি কৈছিল?”

“থক থক, সেই আদবুঢ়ীজনী মোৰ ভনী হব নোৱাৰে। আপোনাৰ খুলশালীৰ দৰকাৰ নাই, থকাবোৰেই হব।”

"খুলশালী মানে কি পিন্টু ?"

"জানো মাক সুধিবি, ময়ো নজানো।

এয়া আছিল ডাক্তৰনীয়ে গঢ়ি তোলা ঘৰুৱা পৰিবেশ।

এৰা, তাইৰ জেঠাই হোৱাৰে বয়স হ'ল। কুমাৰী অৱস্থাত জেঠাই হোৱাৰ সৌভাগ্য বা দুৰ্ভাগ্য কিমানৰ হৈছে তাই নেজানে। ঘৰৰ পৰা ওলাই আহিছিল পৰিচিত জনকোলাহলৰ মাজৰ পৰা কুমাৰী অৱস্থাৰ ওপৰত মানুহৰ কৌতূহল এৰাবলৈ। কিন্তু এই অযথা কৌতূহলৰ অন্ত নাই ক'তো।

"বহকচোন বহক। ক'লৈনো যায় ? লেঠা-পিঠা নথকা মানুহ, আপোনাৰ ভাল। আমাৰহে এশ-এবুৰি লেঠাই নমৰে।" চাহ-টোপা হয় মানে তাই পিন্ধি থকা উলৰ ব্লাউজটো পিটিকি পিটিকি কব, "হয়ে পায়, ইমান ধুনীয়া হৈছে আপোনাৰ ব্লাউজটো। আপুনি নিজেহে গুঠি লৈছে, হয় ? মই আমাৰ এখেতক কৈয়ে আছো উল অলপ আনিবলৈ। এখেতৰ আকৌ মনত থাকিলেহে হৈছে। অনাহলে ময়ো এটা গুঠি লব পাৰিলোহেঁতেন।" কিন্তু চকু দুটা তেওঁৰ ব্লাউজটোৰ পৰা নাতৰিল। চাদৰখন দাঙি তেওঁ এতিয়া বুকুখন উদঙায়হে লাগে, যিহে বেঙী। মাইকী মানুহ হল বুলি আৰু সকলো কৰিব পাৰিনে ? তাই চাদৰখন ঠিক কৰি লৈ মনৰ বিৰক্তিখিনি লুকুৱাই কলে, "হব বাৰু, মই ব্লাউজটো কাইলৈ দি পঠাম। আপুনি ডিজাইনটো ভালকৈ চাই লব। হব নহয় ?"

"নহয় বাইদেউ, আপুনিয়ে গুঠি দিব, মই উল অনাই দিম মোৰ সময়ে নাই বাইদেউ।"

দিয়ক এতিয়া তেওঁক ব্লাউজটো গুঠি, পঢ়ুৱাই দিয়ক ডাক্তৰৰ ল'ৰা-ছোৱালী কেইটাক। এওঁলোকৰ সময় নাই, পইচা আছে। নাই হয়তো সুস্থ আৰু প্ৰশস্ত মানসিক পৰিবেশ। তাইৰো যদি এওঁলোকৰ দৰে ঘৰ-সংসাৰ এখন থাকিলেহেঁতেন, নিশ্চয় এনে "ফাল্টু" কাম তাইক যাচিবলৈ সাহস নকৰিলেহেঁতেন। বা তাইৰ

সমন্বয়ৰ মূল্য এনেদৰে অগ্ৰাহ্য নকৰিলেহেঁতেন। এই মাইকী মানুহ-বোৰে এদিনো তাইৰ মনৰ খবৰ লবলৈ চেষ্টাই নকৰিলে—এই কথা ভাবি তাইৰ আচৰিত লাগে।

অঞ্চলটোৰ আৰ্থ-সামাজিক দিশটো বিশ্লেষণ কৰি সেইদৰে বিকাশৰ পৰিকল্পনা কৰা একমাত্ৰ বিষয়া হল লাহন। বাকী সকলে ভাবে-ওপৰৰ পৰা যি নিৰ্দেশ আহে সেইমতে কৰাটোৱেই তেওঁলোকৰ একমাত্ৰ কৰ্ত্তব্য। কিন্তু লাহনৰ লগত শিক্ষা বিষয়ক সমস্যাবোৰৰ আলোচনা কৰি ভাল লাগে। সমস্যা বিচাৰি উলিয়াই সেইমতে তাৰ সমাধানৰ অৰ্থে আঁচনি দিব পৰা অৰ্হতা তেওঁৰ আছে। কিন্তু সেই আঁচনিৰ চূড়ান্ত ৰূপ দিয়াৰ অধিকাৰ তেওঁৰ নাই। নিম্নখাপৰ বিষয়াৰ আঁচনি বা প্ৰস্তাবৰ আমূল সংশোধন কৰাৰ ওপৰত উচ্চতৰ বিষয়াৰ দক্ষতা নিৰ্ভৰ কৰে, এয়ে হল চৰকাৰী পৰম্পৰা। এই মানুহবোৰৰ মানসিক স্তৰ পৰ্য্যালোচনা কৰি এদিন লাহনে কৈছিল—"ব্যক্তিকেন্দ্ৰিক সমাজ ব্যৱস্থাত ব্যক্তিৰ উন্নতি প্ৰথম আৰু প্ৰধান কথা। সমাজ বা কোনো জনগোষ্ঠীৰ উন্নতিৰ কথা কেতিয়াবা সময় পালে ভাবি চোৱা কথাহে।" এই কথাষাৰ উপলব্ধি কৰি তাই ভাবিছিল, চৌধুৰীয়নী, শইকীয়ানী আৰু নাথনীৰ তক দোষ দি কি লাভ? তেওঁলোক হল সমাজ-ব্যৱস্থাই গঢ়ি তোলা একোটা যান্ত্ৰিক পোটহে।

লাহন প্ৰশিক্ষণ থকা মানুহ। আকৌ এবাৰ প্ৰশিক্ষণ লবলৈ পঠাব খোজাত আগ্ৰহ প্ৰকাশ নকৰিলে। মিছা-মিছি কাৰ্য্যকৰী কৰিব নোৱাৰা প্ৰশিক্ষণ লৈ লাভ কি? তথাপি শেষত কমলাৰ অনুৰোধত ৰাজী হ'ল। তায়ো আন এটা প্ৰশিক্ষণলৈ যাব লাগে। অন্ততঃ কলিকতালৈকে দুয়ো একেলগে যাব পাৰিব। কমলাৰ অনুৰোধত সি ৰাজী হোৱাত তাই মনৰ কোনোবাখিনিত অলপ পুলক অনুভৱ কৰিলে। সদৰ অফিচৰ পৰা সিহঁত দুয়োকে প্ৰস্তুত হৈ থাকিবলৈ কোৱা হৈছে। প্ৰস্তুত হবলৈ তাইৰ কিটো আছে? গ'লেই হ'ল। লাহনৰো তেনে কোনো বিশেষ প্ৰস্তুতিৰ প্ৰয়োজন নাই যেন লাগে।

বহুত দূৰ বাট একেলগে গলে বহুত কথা পাতিব লাগিব। তাই বহুত কথা পাতিব লাহনৰ লগত।

যোৱাৰ আগতে লাহনৰ ঘৰলৈ গৈ কিবা-কিবি অলপ আলোচনা কৰি আহিবৰ মন আছিল। কিন্তু শইকীয়ানীৰ ঘৰত নোসোমোৱাকৈ লাহনৰ ঘৰলৈ যাব নোৱাৰি। সোমাই গলে যিমান বিপদ নোসোমাৱাকৈ গলেও সমানে বিপদ। নোসোমোৱাকৈ গলে আন এদিন বাটতে সুধিব 'কালি সেইফালে ক'লৈ গৈছিল' বুলি। সোমাই গলে লাহনৰ লগত কি দৰকাৰ আছিল— অফিচৰ কথা নে নিজৰহে। মুঠতে তেওঁৰ আনৰ ব্যক্তিগত কথাত কৌতূহল সদায় বেচি। তাইৰ নিজৰো সংকোচ কম নহয়। যিহকে নকওক গধূলি ফ্লাচবৰ্ত্তত বহাল আলোচনা এটা হোৱা খুব সম্ভৱ।

এদিন লাহনেই পৰিস্থিতিটো লাঘৱ কৰি দিলে—"মোৰ মা আৰু ভনীজনী আহিছে বুজিছে। যাবচোন এবাৰ।" বুঢ়ী আৰু জীয়েকক পাই নিজৰ ঘৰ এখন পোৱাৰ নিচিনা লাগিছিল। লাহন আৰু ভনীয়েকৰ লগত সৰু ঠাইখনত একেলগে বজাৰ-সমাৰ কৰি গধূলি আহি ঘৰ সোমাইছিল। তাইৰ লগত এপাক ওলাই যাবলৈ বস্তীও উদগ্ৰীৱ হৈ থাকে। ৰাতি হলে লাহনে কমলাক আগবঢ়াই থবলৈ আহিলে মাকে পুতেকক 'বেলি নকৰিবি, তৎকালে আহিবি' বুলি কবলৈ কেতিয়াও নেপাহৰে।

"বলক, বলক, সোনকালে ঘূৰি আহিব লাগিব। আমাৰ তাৰ পৰা আহোতে বাটে ক'ৰবাত সোমাই থাকি মাহীদেউক চিন্তাত নেপেলাব।" হঠাতে তাইৰ মুখত মাহীদেউ সম্বন্ধটো ওলাই পৰাত তাইৰ নিজৰে আচৰিত লাগিল। এই মাহীদেউ, জেঠাইদেউ সম্বন্ধবোৰ যে কি বিপদজনক! "চিন্তা কৰাটো বেয়া কথা নহয়, দুশ্চিন্তা নকৰিলেই হ'ল। আপুনি তাৰ ভিতৰত কোনটো কৰিছে?"

"মোক লৈ কোনোবাই দুশ্চিন্তাত পৰিছে নে কি মই সেইটো চিন্তা কৰো, সেই কাৰণেই নেকি এনে সাৱধান বাণী।" "আভ

নাই সাৱধান হৈ” লাহনে গৈ থাকোতেই লাহে লাহে কৈ গ’ল।
“আমাৰ পিচফালৰ ঘৰটোৰ বন্ধ খিৰিকীখন এই মাত্ৰ খোল খালে— মন কৰিছেনে আপুনি ? সেইটো নাথৰ ঘৰ। আৰু অলপ বলক। শইকীয়াৰ ঘৰৰ খিৰিকীখনো আমি পাৰ হৈ যোৱাৰ লগে লগে খোল খাই যাব।”

“হক দিয়ক। আমাৰ জহতে এই কোৱাৰ্টাৰবোৰত বন্ধ হৈ থকা কৌতূহলবোৰ অলপ ঠন ধৰি উঠে যদি উঠক।”

“দুৰৰা, পালোহিয়েই আপোনাৰ মেচ। এতিয়া আপোনাৰ মেচৰ খিৰিকীখনো খোল নেখালেই হ’ল।” লাহন গ’লগৈ। কিন্তু তাই কোঠাটোত সোমাই এনেয়ে খিৰিকীখন খুলি দি বাহিৰলৈ চালে। বাহিৰত একো নেদেখি, লাহনকো নেদেখি। ইমানপৰে বাটৰ ভাল লগা আন্ধাৰবোৰ হঠাতে বেয়া লগা হ’ল। মনটোত যেন কিবা এটাই কোমল পৰশ এটা দি গ’ল।

‘পত্ৰে মোৰ মৰম লবা। তোমাৰ কেনে ? আমাৰ—ভাল—’ এই বিধৰ চিঠি প্ৰত্যেকজনী নবৌৱেকৰ পৰা মাহেকত তিনিখন-মানকৈ আহে। ওপৰে ওপৰে চকু ফুৰাই সেইবোৰ আকৌ জাপি থোৱাৰ বাহিৰে কি কৰিবলৈ আছে ? গতানুগতিক একোখন হম্ হাউছ-জাৰ্নেল।

“বৰবাইদেউৱে কৈছে তুমি বোলে তেনেই স্বল্পভাষী। আগতে ঘৰত থাকোতে আছিলা বাৰু, পিচে এতিয়া ডনা-বুজা হলা, আমাতকৈয়ো ডনা হলা। মানুহৰ লগত চা-চিনাকি হবা। কোনো-বাই নিজে আগবাঢ়ি চা-চিনাকি হলে আৰু তুমি নিজে ভাল দেখিলে আমাৰ আপত্তি নাই।”

এয়া সকু নবৌৰ চিঠিৰ একাংশ, অন্য চিঠিৰ ব্যতিক্ৰম। জড়াগ্ৰস্ত ৰক্ষণশীলতাৰ মাজৰ পৰা অহা এটা ক্ষীণ আৰ্তনাদ। ক্ষীণ হ’লেও এটা মাৰি তাই চিঠিখন জপাই থলে।

“তুমি আই ঘৰৰ পৰা ভালেমান দূৰত থাকি চাকৰি কৰিবলৈ

আহিছা। গাভৰু ছোৱালী, চাই-চিতি চলিবা। আমি তিৰোতা মানুহ, আমাৰ দেৰ শত্রু। তুমি পঢ়া-শুনা জনা ছোৱালী, আমাতকৈ দুটা কথা বেচিকৈ শিকিছা, তথাপি কলো আৰু।"

এয়া লাহনৰ মাকৰ সাৱধানবাণী। অযাচিত উপদেশ। হঠাতে তাইৰ খঙটো মূৰৰ চুলি পালেগৈ। তুমি যদি পঢ়া-শুনা নজনা গজমূৰ্খ মানুহ, জনাবোৰক শিকাবলৈ আহা কেলেই? কৈ দিবৰ মন যায় তাইৰ, নকয়।

বয়স নিৰ্দ্ধাৰণ কৰাত শুদ্ধ নহলেও বুঢ়ীৰ মুখত গাভৰু শব্দটো শুনি তাইৰ ভাল লাগিল। কথাষাৰে শুকান মনটোত জিপ দিয়া যেন পালে। তাই '৬৭ চনৰ গ্রেজুৱেট, আৰু লাহন '৭১ চনৰ। চাৰি বছৰৰ ব্যৱধানটো ইচ্ছা কৰিলে লাহনে কৰিব পাৰে। তাই নিজলৈ বুলি গোঠা উলৰ ব্লাউজটোৰ ঘৰ কমি কমি এদিন লাহনৰ ভনীয়েকৰ জোখৰ হৈ পৰিছিল। তাইৰো পচন্দ হৈছিল।

নতুন উলৰ ব্লাউজটো পিন্ধি তাই ককায়েকক কলে, "চা ককাইদেউ, কমলা বাইদেউৰ লগত ফুৰি মোৰ কিমান লাভ হল। উল অলপ আনি দিবি চোন! তোৰ চুৱেটাৰ এটা বাইদেৱে গুঠি দিব। বাইদেউৰ ডিজাইনবোৰ বৰ ভাল।"

"পালে লাগে। পিচে বিদ্যাটো তয়ো শিকি ল'চোন তেখেতৰ পৰা।"

কথাষাৰে তাইক কোনোবাখিনিত চুই গ'ল। ভনীয়েকক শিকাওঁতে শিকাওঁতে চাৰিদিনতে চুৱেটাৰ এটা হওঁ হওঁ হ'ল। "হল আৰু বাকীখিনি মই গুঠিম।" বক্তীয়ে জোৰ কৰি নিয়াৰ দৰে কমলাৰ হাতৰ পৰা আধা গোঠা চুৱেটাৰটো লৈ গ'ল।

কলিকতালৈ যোৱাৰ আগতে ঘৰলৈ গৈ মাকক এবাৰ চাই আহিব লগা কথাটো কমলাই বৰ গম্ভীৰভাবে ভাবিবলৈ অৱসৰকে পোৱা নাই। এবাৰ যাব পৰা হলে ভাল আছিল, আন নহলেও মাকক এবাৰ মাত লগাই আহিব।

কঁকালত হাত এখন ভেজা দি হেকেৰ-পেকেৰকৈ মাক ওলাই আহি প্ৰথমে তাইৰ মুখখনলৈ একেথৰে চাই কাষতে মূঢ়া এটা লৈ বহিব। একো নামাতে, বহুপৰলৈ, এয়ে মাকৰ স্বভাৱ। এই মৌন দৃষ্টিৰ অৰ্থ তাই সদায় বুজিবলৈ চেষ্টা কৰি আহিছে, পৰা নাই। তাইৰ কুশল মঙ্গল বাতৰি নবৌৱেকহঁতে সুধিব। সেই উত্তৰেই মাকৰো হব। সকলো শুনাৰ পিচত খন্তেক বৈ মাকে বোৱাৰীয়েকহঁতক খোৱা-বোৱাৰ ব্যৱস্থা কৰিবলৈ কব। ভতিজাক-বোৰে চুটকেচ আৰু টোপোলা পিত্‌পিতাই খোৱা বস্তু কি আছে উলিয়াই লৈ নিজৰ নিজৰ পঢ়া মেজত বহিবগৈ। বচ্‌ তাইৰ প্ৰতি থকা আগ্ৰহ আধা ঘণ্টাত শেষ হৈ গ'ল। খাই-বৈ উঠি ৰাতি অলপ কথা-বতৰাৰ পিচত নবৌৱেকহঁতৰ কোঠাত দুৱাৰবোৰ ঘটং-ঘটং কৰি বন্ধ হৈ যাব। আন্ধাৰ ঘৰটো নিজান হৈ পৰিব। কিছু সময়ৰ পিচত স্বল্প-নিদ্ৰাত মাকে কাষৰ বিচনাখনত বাগৰ সলাব। এবাৰ উঠি আহি সৰু ছোৱালী এজনীক মৰম কৰাৰ দৰে সোতোৰা-সোতোৰ হাত দুখনেৰে তাইৰ গালে মুখে হাত ফুৰাব আৰু তাইৰ লগতে শুই পৰিব।

"চাকৰিটো এৰি দি ঘৰলৈ গুচি আহিব নোৱাৰি নে?" মাকে অনুযোগৰ সুৰত কয়। এই প্ৰশ্ন প্ৰতিবাৰ ঘৰলৈ আহিলে মাকে সোধে। তাই কিবা এটা উত্তৰ দি থয়। "নেলাগে মা, অহাবাৰ মই ইয়ালৈকে বদলি হৈ আহিম।" মিছা কথা এটা কৈ তাইৰ ডিঙিটো হঠাতে শুকাই যায়। অব্যক্ত বেদনাত ওলাই অহা কান্দোনটো গাৰুত মুখ গুজি বন্ধ কৰি থবৰ চেষ্টা কৰে।

সমান্তৰালভাবে পাৰি থোৱা এইখন বিচনাত দেউতাক শুই-ছিল আৰু সিখনত মাক। দেউতাক জীয়াই থাকোতে ৰাতি ভাত খোৱাৰ পিচত এই কোঠাত তাইক লৈ ককায়েকহঁতে মাক-দেউতাকৰ লগত প্ৰায়ে আলোচনা কৰিছিল। দেউতাকৰ ৰক্ষণশীল আৰু জোঙা মনোভাৱৰ ওচৰত ককায়েকহঁতে ঠিক কৰা বহু সম্বন্ধ খান-খান হৈ পৰিছিল। মৃদু বিৰোধিতা কৰাৰ বাহিৰে দেউতাকৰ

আগত ককায়েকহঁতৰ কোনো যুক্তি নৰজিছিল। এসময়ত ককায়েকহঁত ভাগৰি পৰিছিল।

ল'ৰাৰ বাপেক ক'ৰ অকল সেইটো জানিলে নহব। ল'ৰাৰ ককাক-আজুককাক ক'ৰ, বুঢ়ীমাক কাৰ ঘৰৰ সেই বিৱৰণো ককায়েকে দিব লাগিব। ল'ৰা এটা বিচাৰি উলিয়ালেই নহব। মহেন্দ্ৰ কাকতি শুৰিতে চাৰিওব কাকতি হয়, পিচে তেওঁৰ মাক কাকতিৰ ঘৰৰ নাছিল। গোলাঘাটৰ ফালৰ কোনোবা কেওটৰ ঘৰৰ। গতিকে সেইটো দৰা নেলাগে।

নৰেন ভূঞা ল'ৰাটো বেয়া নহয়। পিচত সিহঁত আচল ভূঞাৰ ঘৰৰ নহয়। সিহঁতৰ অঞ্চলৰ আচল ভূঞা কেইঘৰৰ কথা মই জানো। আঁতি-গুৰি নজনাকৈ কথা দিব নোৱাৰি। গতিকে সেই সম্বন্ধ সেইদৰে ভাগিল। হৃদয়া চলিহাই, চলিহা লেখিলেই দুৱৰাৰ ঘৰৰ ছোৱালী নিব নোৱাৰে। বাপেক চলিহা হলেও বুঢ়ীমাক বোলে দেচুৱালী মানুহ আছিল। ভুমডুমাৰ ফালে কানিৰ মহল চলাওঁতে ককাকে কোনোবা এজনী দেচুৱালী ছোৱালী ৰাখি তাতে ঘৰ-বাৰী কৰি দিছিল। হৃদয়াহঁত সেই বিধৰ চলিহা। গতিকে সেই দৰাৰ লগতো সম্বন্ধ নহল। ককায়েকহঁত ভাগৰি পৰিল।

আজীৱন সামান্য মাষ্টৰীৰ দৰমহাৰে টানি-টুনি চলি থকা দাৰিদ্ৰ্যৰ পৰিপূৰক হিচাপে ক্ষয়িষ্ণু গোষ্ঠী আৰু আভিজাত্যকে বুকুত সামৰি তেওঁ ইহলীলা সামৰিলে। ছোৱালী বিয়া দিয়া নহল। আৰ্থিক অৱস্থা আৰু আভিজাত্য সমানে ৰক্ষা কৰি সমাজত প্ৰতিপত্তি লাভ কৰা তেওঁৰ পৰিচিত, ওচৰ সম্পৰ্কীয় আৰু দূৰ সম্পৰ্কীয় মানুহবোৰৰ পৰা দুৱৰা মাষ্টৰ কাহানিবাই বিচ্ছিন্ন হৈ পৰিছিল। আৰ্থিক প্ৰাচুৰ্য্যইহে যে আজিৰ সমাজ ব্যৱস্থাত মানুহৰ স্বীকৃতি দিয়ে, ক্ষোপোলা গোষ্ঠী আভিজাত্যই নহয়, সেই কথা হৃদয়ঙ্গম কৰাৰ আগতে তেওঁ সংসাৰ এৰিব লগা হল। চোকা ৰ'দত বিবৰ্ণ হোৱা ৰঙীণ কাপোৰৰ দৰে পুত্ৰ-কন্যাৰ মনবোৰ বিবৰ্ণ হৈ থাকি গ'ল।

তাই নোযোৰাটোকে ঠিক কৰিলে মাকৰ ওচৰলৈ। লাহনৰ ভনীয়েকে চুৰেটাৰৰ বাকী অংশ শেষ কৰি উলিয়াব পাৰিছে। তাকে ভাবি ভাবি আহি তাই লাহনৰ বাৰাণ্ডাত থিয় হ'লহি। "আমি যোৱাৰ পিচত চাবি আকৌ মানুহে বু-বু, বা-বা কৰিব। তাইক এনেকৈ ইয়ালৈ অহা-যোৱা কৰি থাকিবলৈ নিদিবি।"

কমলাৰ বুকুখনে ক'ৰবাত ধহমহাই গ'ল। উচপিচ কৰি তাই এবাৰ চিন্তা কৰিলে—কোনেও নেদেখোতেই প্ৰাণৰ কাতৰে দৌৰি ওলাই যাবনে কি?

"বয়সো হল ভালেমান। তোৰ ককায়েৰৰ লগৰে হব যেন পাওঁ।"

তাইৰ ভৰি দুটা কঁপিবলৈ ধৰিলে। খুব কোবত গলে কোনেও নেদেখাকৈ জপনাখন পাৰ হব পাৰিব। কিন্তু তাইৰ বুকুখন যেনেকৈ কঁপিছে কিহবাই হেঁচা মাৰি ধৰা যেন পাইছে। চিন্তা আৰু অনুভূতিবোৰ তীব্ৰ গতিত পাকঘূৰণি খাই এসময়ত প্ৰচণ্ড ক্ৰোধত পৰিণত হল। তাই ওলাই আহি জপনামুখ পালেহি।

"ইয়ে বাইদেউ, বলক বলক। মই মাইনু হঁতৰ ঘৰৰ পৰা এই চুৰেটাৰটো লৈ আহিছোঁগে। কালি মাইনুৰ মাক খুড়ীয়ে লৈ গৈছিল। বৰ ধুনীয়া হৈছে বুলি কৈছে। বুটাম কেইটা লগাই দিলে আজি ককাইদেউৱে পিন্ধিবই পাৰিব। আপুনি মাক লগ নেপালে হব পায়। মা গা ধুবলৈ সোমাব পায়।"

একে উশাহতে তাই কথাবোৰ কৈ পলালে। তাইকে দিব লগা উত্তৰটো আৰু লব লগা সিদ্ধান্তটো প্ৰস্তুত কৰোতে তাই ক্লান্ত হৈ পৰিল। তাইৰ নিচিনা কিশোৰী এজনীৰ দৰে ঠেহ পাতি কিবা এষাৰ কৈ ওলাই যাব নোৱাৰি। এজন অপমানিত যুৱকৰ দৰে তৰ্জন গৰ্জন কৰিও ওলাই যাব নোৱাৰি। প্ৰৌঢ়ত্বই হাতবাউল দিয়া তাই এগৰাকী কুমাৰী মহিলা, দায়িত্বশীলা বিষয়া। মনৰ ভিতৰত হব ধৰা বিক্ষোৰণটোক ঢাকি বাধি নিজক সমাহিত কৰাৰ চেষ্টাত তাই ক্ষন্তিকলৈ মনে মনে থাকিল। আত্ম-প্ৰত্ব-

কুনা হলেও মানসিক নির্য্যাতনখিনিক লুকুৱাই যথা সম্ভৱ স্বাভাৱিক মাতেৰে ক'লে, "নাই নাই। মই দূৰৰ চেণ্টাৰ এটা চাবলৈ যাব লাগে। তালৈকে ওলালো। লৰা-লৰি কৰিব লগা হৈছে।"

"তথাপি বাইদেউ, এখন্তেক আহি য'ক। চুৰেটাৰটোৰ বুটাম কেইটা চাই য'ক।"

অনিচ্ছুক ভৰি কেইটা তাইৰ লগে লগে পুনৰ ভিতৰফালে আগবাঢ়িল।

"মা—মা, কমলাবাইদেউ কৈছিল গৈছে। কাম আছে বোলে ক'ৰবাত। মইহে জোৰ কৰি আনিছো।"

মহাস্ফূৰ্তিত জপিয়াই জপিয়াই কমলাৰ গাত ধৰি মাকৰ আগত নি হাজিৰ কৰি দিলে। তাই কৰা সংশয়ৰ বিপৰীতে সম্পূৰ্ণ স্বাভাৱিক ভাৱে মাকে সম্ভাষণৰ সুৰত কলে, "আহা আহা কমলা,। আমি পৰহিলৈ যামগৈ। তোমাক লগ পালো ভাল হল। এইবাৰ গৈয়ে তালৈ ছোৱালী বন্দৱস্ত কৰিব লাগে। ছোৱালী ঘৰে ঘৰকৈ লাগি আছে।" তাইৰ অন্তৰখন আকৌ এবাৰ কঁপি উঠিল। ইয়াৰ পিচৰ সম্ভৱপৰ কথাষাৰ হব "তুমি বাটৰ হেঙাৰ নহবা।" তাই তেতিয়া কি কব বাৰু? বুঢ়ীক দু-আষাৰ শুনাই দিব নেকি? কিন্তু তাকে কৰিলে কাইলৈ গোটেই ব্লকৰ চকীদাৰ পিয়নকে ধৰি বিষয়ালৈকে সকলোৰে ই এটা আলোচনাৰ বিষয় হৈ পৰিব। আকৌ আত্ম-সংযম আৰু অন্তৰ্দ্বন্দ্বৰ মানসিক নিৰ্য্যাতন, যি নিৰ্য্যাতনৰ হাত সাৰিবলৈ এদিন তাই ঘৰ এৰিছিল আজিও সেই নিৰ্য্যাতনে তাইৰ পিচ নেৰিলে।

"ক'তা মা, তুমিতো ককাইদেউৰ বিয়াৰ কথা কোৱা নাছিলা? ক'ত ছোৱালী বন্দৱস্ত হৈছে?"

মাকৰ কথাত অবিশ্বাস কৰি বুঢ়ীৰ জীয়েকেই প্ৰতিবাদ কৰিলে। তাইৰ অবিশ্বাস আৰু সপ্ৰশ্ন দৃষ্টি এবাই মাকে কলে, "বিয়ালৈ কিন্তু তুমি যাব লাগিব।"

বুঢ়ী গৰাকী যিমান সহজ আৰু সৰলা বুলি ভাবিছিল তাতোকৈ বেছি কপট আৰু চৈঙৰ ৰূপটো ধৰা পৰাত তাইৰ উপন্যাসৰ চৰিত্ৰ এটা লগ পোৱাৰ নিচিনা লাগিল। তথাপি কোনোমতে সেপ চুকি তাই কলে, "যাব লাগিব, যাব লাগিব।" কথাকেইটা তাইৰ মুখৰ পৰা অস্বাভাৱিক খৰকৈ ওলাল। তাই নিজেই আচৰিত হ'ল।

শইকীয়ানীৰ ঘৰৰ আগেদি আহোতে চকীদাৰটোৱে জাবৰ এসোপাৰ লগতে পুৰণা তাচপাত এসোপা বাটৰ কাষত পেলাই দিয়া দেখিছিল; আন কাৰোবাক লগ পাইছিল যদিও তাইৰ মনত নাছিল। সেইসোপা তাচপাত পুৰণা হ'ল, তাৰ মাজৰ চাহাব-বিবিবোৰ অচল হ'ল।

পুৰণি নাটৰ আখৰা

এইখন পুৰণি কিতাপ
মাথো অস্বস্তিৰ বিৱৰণী।
বংশীকাই, আৰামী চকীৰ সফল সন্ধ্যা
তুমি কি দুখত এৰিলা ঘৰ?

—কৌটিল্য

দেউতাই লেখা নাটকখনত বোধেশ্বৰৰো ভাও আছে বোলে। কথাটো শুনাৰ পৰা আমাৰ ঘৰত সকলোৰে মাজত এটা আলোড়ণ আৰম্ভ হল। সৰু ভতিজা কেইটাৰ ফূৰ্তিৰ অন্ত নাই। আমাৰ বোধেশ্বৰ কায়ে থিয়েটাৰত ভাও লব। কথাটো ভাবিয়েই সিহঁতৰ ভাল লাগিল। ইমান যে হঁহুৱাব পাৰে। ইমান যে জোকাব পাৰে বোধেশ্বৰ কায়ে। খালী ককা দেউতাৰ আগতহে তেনেই মেকুৰীটোৰ দৰে সেও হৈ থাকে। হয় দেউতা, হৰ দেউতা, বোলাৰ বাহিৰে সি দেউতাৰ আগত কথা নকয়েই। ঘৰ মা, খুড়ীহঁতে পাতলীয়া হাঁহি এটা মাৰি কৈছিল—পাৰিব সি, নোৱাৰিব কিয়? এনেয়েতো সি ভ্ৰূকুটি-ভ্ৰূকুটা কৰি ঘৰতে ভাওনাৰ ভাও দেখুৱাই থাকেই।

ল'ৰা-ছোৱালীজাকৰ এটাই কলে, "আমি পিচফালৰ পৰা বোধেশ্বৰ কাই বোধেশ্বৰ কাই বুলি খুব চিঞৰিম দেই।"

"ধেৎ নকৰিবি তেনেকুৱা। তেওঁ বেয়া পাব।"

সিহঁতে যেন বোধেশ্বৰে ভাওলোৱা নাটকখন দেখিলেই—ইমান হবিষ। এজাক ল'ৰা-ছোৱালীয়ে হুৰহুৰাই বোধেশ্বৰৰ ওচৰ পালেগৈ—কথাটো সুধি লবলৈ।

"থিয়েটাৰৰ পাট। অঁতো, কৰিমতো পাট। মই সদায় পাট কৰিয়ে আছোচোন। দেখা নাই তোমালোকে ?" কৃত্রিম অহঙ্কাৰেৰে সি কলে।

'নাই দেখা" ল'ৰা-ছোৱালীজাকে সমস্বৰে চিঞৰিলে। "দেখুৱানা অলপমান।"

"চাবা ?"

সকলোৱে আকৌ একেলগে চিঞৰিলে, "অঁ অঁ, দেখুৱাচোন।" কঁকালত হাতদুখন দি অদ্ভুত ভঙ্গী কৰি সি ব'ল।

"বাৰু যোৱাচোন, আগফালে দেউতাই খবৰ কাগজ পঢ়ি আছেনে কি কৰিছে চাই আহা।"

"ককাদেউতা ঘৰত নায়েই এতিয়া। গাড়ী লৈ ওলাই গ'ল।"

"আই একা ?"

"আইতা নামঘৰলৈ গ'ল। আজি তিথি নহয়।"

"ৰ'বা, ৰ'বা" দৰ্শকৰ ৰুচি, আগ্রহ চাই আৰু তাৰ নিজৰ মানসিক প্ৰস্তুতি যোগাৰ কৰি সি দুই হাত দাঙি সাউতকৰে মাটিত বাগৰি এঁ এঁ এঁ কৰি হাত-ভৰি আচাৰি কন্দাৰ ভাও জুৰি কলে, 'মা তাক দুটা দিলা। মোক নিদিলা। এঁ এঁ এঁ।" ল'ৰা-ছোৱালীবোৰে খিল-খিলাই হাঁহিবলৈ ধৰিলে। সৰু ভতিজা জনীয়ে মুখখন বেলুনটো যেন কৰি ফুলাই যাবলৈ ওলাল। "যাঃ নেচাও তোমাৰ পাট কৰা। কেনেকুৱাখন কৰে।" তাই পিচে নল'লে। এইটো ভাও তাইৰ।

পাব ধূলিবোৰ জোকাৰি বোধেশ্বৰ থিয় হলহে মাত্ৰ—"আৰু এটা আৰু এটা" বুলি সিহঁতে চিঞৰ-বাখৰ লগালে। মুৰটো খজুৱাই আকৌ নতুন ভঙ্গীৰে বোধেশ্বৰ বহি পৰিল। মাতটো ভিৰোভা মানুহৰ মিচিনা কৰি পুনৰ আৰম্ভ কৰিলে।

"এই বোধেশ্বৰ, বোধেশ্বৰ, ক'তনো যায় এইভাল? মনমণি, মাতুহঁতৰ মোজাকিযোৰ ক'ত থলি তই। স্কুললৈ যাবলৈ দেৰি হ'ল। তাৰ খবৰেই নাই। আহ - বেগেতে, জোতা-মোজাযোৰ পিন্ধাই দেহি। আহিছ নে? এই মানুহটোৰ যদি অলপ কাণ্ডজ্ঞান হ'ল-হেঁতেন। যত বিপদ মোৰ।"

"গৈছো সৰু বৌ" সি তৎক্ষণাত মাত লগাই নিজৰ স্বাভাৱিক মাতেৰে আন এজন অভিনেতাৰ সংলাপ গালে। আকৌ হাঁহিৰ ৰোল উঠিল।

বহুবাৰ মঞ্চত উঠা নিপুণ অভিনেতাৰ দৰে তাৰ নিখুঁত অভিনয়। মিহি হাঁহি এটা ফুটাই তুলি সি তাৰ দৰ্শকলৈ চালে। প্ৰতিজন দৰ্শকৰেই হাঁহিভৰা মুখ। দৰ্শকৰ পৰা আকৌ দাবী উঠিল। সাৰ্থক শিল্পীৰ সুৰৰ মূৰ্চ্ছনাত যেন দৰ্শক বিভোৰ।

"বোধেশ্বৰ কাই হোৱা।" মিহি মিহি অনুচ্চ সংলাপ। দৌৰ মাৰি আনি দিবা। মই কমত নেথাকিলে গাকৰ তলত থৈ দিবা। আনিছো আনিছো বুলি চিঞৰি মোক বিচাৰি নুফুৰিবা। আৰু ১৩২ জৰ্দাৰ পাণ এখনো আনিবা।

"ময়ো এখন খাম নে?"

এজনীয়ে তেপেক্ কৰে মাতিলে, "অ' বুজিছো নহয়। তুমি মনে মনে সৰু ককাইদেউক এইদৰে চুৰত আনি দিয়া। ককা-দেউতা আহিলে মই কৈ দিম ন'বা।"

মহা মস্কিল। ওঠত আঙুলি এটা দি সিহঁতক মনে মনে থাকিবলৈ কলে, "থ'ক তেতিয়া হলে, মই নকৰো পাৰ্ট।"

আকৌ আকুল মিনতি। "নকওঁ বাক নকওঁ। তুমি আৰু এবাৰ দেখুৱা তেনেহলে।"

বোধেশ্বৰ পুনৰ মঞ্চত উঠিল। দৰ্শকে হাঁহিৰ খোৰাকৰ আশাত মুখত হাঁহি বিৰিঙাই দৰ্শকলৈ চালে।

"এই বোধেশ্বৰ, এইফালে ফুলনিত গৰু সোমাল দেখা নাইনে? ছিঃ, ছিঃ, ছিঃ, ফুলবোৰ মহটিয়াই শেষ কৰিব এতিয়া।

গৈছনে তই ?"

"গৈছো দেউতা।" বুলি অভিনেতা ভিতৰলৈ লৰ মাৰিলে।

এইখন মঞ্চত বোধেশ্বৰে যোৱা ডেৰকুৰি বছৰ ধৰি অভিনয় কৰি আহিছে। নাবালক দৰ্শক সাবালক হল, সাবালক দৰ্শক প্ৰৌঢ় হল আৰু নতুন দৰ্শকৰ জন্ম হৈছে। সিহঁতে তাৰ অভিনয় উপলব্ধি কৰিব পৰা হোৱা নাই। সি কিন্তু অভিনয় কৰি আহিছে একেখন নাটকৰ একেটা ভাওকে। এই অভিনয়ত দৰ্শকেই অভিনেতা আৰু অভিনেতাই দৰ্শক। আজি কিন্তু সি আচল দৰ্শকৰ আগত অভিনয় কৰা যেন পালে। ইয়াকে যদি অভিনয় বোলে সি পাৰিব অভিনয় কৰিব। বোধেশ্বৰক আমি সৰুৰে পৰা দেখি আহিছো। দেউতাই কৈছিল বোলে সি আমাৰ ঘৰত আজি ত্ৰিশ বছৰ ধৰি লগুৱাৰ কাম কৰি আহিছে। সি কোনোদিন ক'ৰবালৈ যাবলৈ গৈছে বুলি আমাৰ ঘৰত অনুপস্থিত থকা নাই। তাৰ যে বাপেক-মাক, ককাই-ভাই বা আত্মীয়-কুটুম্ব কোনোবা থাকিব লাগে সেই কথা আমি বহু দিনলৈ ভবাই নাছিলো। তাৰ মুখতো শুনা নাই। মায়েহে কৈছিল বোলে তাৰ বাপেকৰ কিবা দোষৰ কাৰণে ভালে কেইবছৰৰ কাৰণে কাৰাদণ্ড হৈছিল। তাৰ মাকক কৈ দেউতাই তাক নিচেই সৰুতে গাৱঁৰ পৰা লৈ আহিছিল। কোন গাওঁ, কি কথা সেইবোৰ আমাৰ জনাৰ প্ৰয়োজন নাই বুলি দেউতাই আমাক কাহানিও কোৱা নাছিল। আজিলৈকে কোৱা নাই। অভাবগ্ৰস্ত এখন সৰু সংসাৰৰ পৰা আহি এমুঠি ভাত আৰু এভোখৰ কাপোৰ আছিল তাৰ পৰম কাম্য। এই নিৰাপত্তাই তাক সকলো পাহৰাই ৰাখিছিল। এই নিৰাপত্তাৰ বুকুত তাৰ অতীতটো নিস্প্ৰভ হৈ এদিন সমূলে নাইকিয়া হ'ল। সি দেউতাৰ একান্ত বাধ্য লগুৱা হিচাপে আমাৰ ঘৰত থাকি গ'ল। তাহানিৰ দাস প্ৰথাৰ আধুনিক সংস্কৰণ। কিন্তু তাৰ নিচিনা মানুহবোৰৰ আগত তাৰ এটা নিজৰ মৰ্য্যাদা আছে বুলি সি ভাবে। আমাৰ মৰ্য্যাদাৰ পোহৰতে

সি উদ্ঘাষিত হবলৈ এটা বৃথা চেষ্টা কৰে। ভোভোকৈ ভিতৰলৈ সোমাই গৈ কিবা এটা লৈ আহিব পাৰে সিহে। মালিকক ভিতৰত কিবা এটা সুধি আহি বাহিৰত সিংহে তাঁহাতক কব পাৰে। সিহঁতৰো সোমাব নোৱাৰে। মালিক কʼলৈ গʼল, কেতিয়া আহিব এইবোৰ খবৰো সিহে জানে। সিহঁতে কিটো জানে? মালিকৰ ঘৰত ৰিয়া সবাহ হলে সিও জীপখন লৈ বজাৰলৈ যাব পাৰে। আমাৰ বিহাৰী ড্ৰাইভাৰটোৱে তাক ছোটা মালিক বুলি মস্কৰাও নকৰা নহয়। সি সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰে। মাহৰ শেষত কাগজত টিকট লগাই চহী লৈ ড্ৰাইভাৰ, হেণ্ডিমেন, কণ্ডাক্টৰ আৰু মিস্ত্ৰীবোৰক দৰমহা দিওঁতে সি অৱশ্যে আজি-কালি চকু আঁতৰাই আনিব নোৱাৰা হয়। এখন এখনকৈ লেখি প্ৰতিটো মানুহে নোটবোৰ জেপত ভৰোৱা শেষ হলেহে পুনৰ সি মালিকৰ টেবিললৈ চায়। পইচা লৈ সকলোবোৰ মানুহ নোযোৱালৈকে সি একে কাৰ্য্যৰে পুনৰাবৃত্তি কৰে। দৰমহা দিয়া শেষ হলে শুকান গলটোত সেপ অলপ ঠেলি দি আন কাম কৰিবৰ কাৰণে প্ৰস্তুত হয়। এদিন তৰুণ কণ্ডাক্টৰে অতি বিশ্বাসত সুধিছিল, "বোধেশ্বৰ কাই, তোমাৰ বাৰু তলব এতিয়ামানে কিমান হৈছে গৈ? মোৰ কোনোমতে আঢ়ৈশ হৈছেগৈ। তুমিতো ভালেমান বছৰ আছা বুলি শুনিছো।"

"কিমান?" বোধেশ্বৰে অবিশ্বাস্য কথা এটা শুনাৰ দৰে প্ৰায় চিঞৰি উঠিল।

"মানে দুশ আৰু আধাহে। পিচে তাৰে কʼত জোৰা মৰে ছটা জীৱৰ ভৰণ-পোষণ। তোমাৰহে ভাল; বিয়া-বাৰুও নকৰালা, ৰেঠা-পিঠা নাই।"

বোধেশ্বৰে আৰু এবাৰ সেপ চুকি গলটো তিয়াই ললে। এবা, তাৰোতো সকলোৱে থকা দৰে এইবোৰ ৰেঠা-পিঠা থাকিব লাগিছিল। সিটো দৰমহা বুলি একো নেপায়। ইমান দিনে বিয়া-বাৰুৰো কোনো কথা উঠা নাই। তাক পইচা কেলেই? কিছুত মন-মাখুজিৰ দ্বাৰা—৩

খৰচ কৰিব সি? তাৰ উত্তৰটো বীৰেশ্বৰ প্ৰসাদ ড্ৰাইভাৰেই এদিন হঁাহি হঁাহি দিছিল, "আবে য়াৰ, বটো খোদ মালিক হ্যায়। মালিককো তলব কৌন দেতে হ্যায়?" তথাপিতো আৰু! দৰমহা বুলি কিবা এটা সি পোৱা হলে তাৰ ভাল লাগিলহেঁতেন। বীৰেশ্বৰ প্ৰসাদৰ কথা খিনিয়ে তাৰ কলিজাত যেনেকৈ বিন্ধিলে, মগজুতো তেনেকৈ খুন্দিওৱা যেন পালে। এৰা, সি মালিক নে কৰ্মচাৰী? মালিকযে নহয় সেই কথা সিও জানে। কিন্তু কৰ্মচাৰী হবলৈ বাৰু কি হব বা কৰিব লাগে? প্ৰথমে কিবা এটা কৰিব লাগিব। তৰুণ, কৃপাল, কুশহঁত মালিকৰ বাচৰ কণ্ডাক্‌টাৰ, নৰেণ, ৰঘু, আব্দুল, হীৰামন—ইহঁত হেণ্ডিমেন আৰু বীৰেশ্বৰ প্ৰসাদ, আজাদ, নন্দেশ্বৰ, মানিক, তীৰ্থ, দধিহঁত হল বাচ আৰু ট্ৰাকৰ ড্ৰাইভাৰ। ইহঁতে এইবোৰ কৰ্ম কৰে কাৰণে তলব পায়। সিহঁতৰ মালিক দেউতা, মোৰো মালিক দেউতা। খলি মই কৰ্মচাৰী নহয়। কল্যাণ যোৱা ত্ৰিশ বছৰে কোনো দিন দৰমহা পোৱা নাই। তেনেহলে মই কি?

কিবা খেলি মেলিখন লাগি যায় এইবোৰ ভাবিলে। আজি অকল খেলি-মেলিয়েই লগা নাই, ভালো লগা নাই মনটো। সি কিবা এটা উপলব্ধি কৰিলে। এই উপলব্ধিৰ পিচত তাৰ কাল্পনিক মৰ্য্যাদাৰ কাৰেংটোৰ পৰা ওলাই আহি কুশ, মানিকহঁতৰ লগত সোমাই পৰিবৰ প্ৰবল ইচ্ছা হল।

বাইজেই ভাৱৰীয়া, দেশেই নাট্যঘৰ— নীতি সাৰোগত কৰি নাটকৰ মুকৰা লগুৱাৰ ভাওটো বোধেশ্বৰকে দিয়া হল। নাটৰ কৰ্মকৰ্ত্তা সকলৰ মতে এইখন এখন ভিন্নসুৰী পৰীক্ষামূলক নাটক। অভিনয় কৌশলো তেনে হব লাগিব, সম্পূৰ্ণ স্বাভাৱিক। ভালকৈ আখৰা কৰিব পাৰিলে বোধেশ্বৰে এই ভাও মৰ্মস্পৰ্শী কৰি তুলিব পাৰিব। লাগিলে তাৰ চৰিত্ৰত আৰু অলপ সংলাপ জুৰি দিব পৰা যায়। সংলাপবোৰ অতি সাৱধানে ৰচনা কৰি কেইবাৰো ঘৰাই চোৱা হৈছে। তাৰ চৰিত্ৰটোত স্বভাৱজাত সৰলতা

আৰু পৰম প্ৰভুভক্তিৰ দ্বাৰা দৰ্শকৰ হৃদয়তন্ত্ৰীত যাতে মৃদু ঝঙ্কাৰ তোলে আৰু তাতোকৈও গুৰুত্বপূৰ্ণ কথা কৰ্মজাত মূৰ্খামীৰ দ্বাৰা যাতে হাঁহি কৌতুকৰ সমল যোগাৰ হয় তাৰ বাবে বিশেষ যত্ন লোৱা হল। দৰ্শকৰ মনত হাস্যৰসৰ সঞ্চাৰ কৰিবৰ কাৰণে তাৰ দ্বাৰা কিছুমান নিৰ্বোধ কৰ্ম কৰাই মুখত কিছুমান সংলাপ দিব লাগিব। তাৰ মুখত এটা কৌতুকপূৰ্ণ হাঁহি থাকিব লাগিব সদায়। মালিকৰ পৰিয়ালৰ সুখেই তাৰ সুখ আৰু তৃপ্তি। নিজৰ সত্ত্বা হেৰুৱাই মালিকৰ লগত মিলি যোৱা দেখুৱাই তাৰ চৰিত্ৰৰ মহত্ত্ব বিকশিত কৰি দেখুৱাব লাগিব, বচ্। চাকৰণী এজনীৰ চৰিত্ৰ এটা সৃষ্টি কৰি তাইৰ লগত প্ৰেম, অনুভূতি, আকৰ্ষণ আৰু তাৰে প্ৰকাশৰ ঠৰঙা বা বহুৱা অভিনয় প্ৰসঙ্গ এটাৰো ব্যৱস্থা কৰিব পাৰি। থক নেলাগে। এনে কৰিলে নাটকখন বৰ 'কমন' হব। পুৰণি পুৰণি লাগিব। সেউতা থাকিলে বোলে বোধেশ্বৰৰ আখৰা কৰিবলৈ বৰ ভয় লাগে। গতিকে মাজুবাপা অৰ্থাৎ মাজু ককাইদেউৰ তত্বাৱধানত নাটকৰ আখৰা চলিল। কিন্তু চৰিত্ৰটোৰ নাট্যকাৰে কথাৰ পৰা ফালৰি কাটি যাব খোজে।

"বোধেশ্বৰ, সেই সংলাপটো নাটকত নাই। প্ৰম্পটাৰে কোৱামতে কৰি।"

"আহি যায় মুখত মাজুবাপা, কি কৰিম! কিন্তু সেউতাই এদিন কৈছিল বোলে তই সদায় কৰা কাম আৰু সদায় কোৱা কথাখিনিকে কলেই হব।"

"হয়, পিচে এইখন নাটকহে, তই তাৰ ভাৱৰীয়া। শুন, এই দৃশ্যটোৰ ঘটনাটো এনেকুৱা। এজন ধনী মানুহৰ ভালেমান বাছ, ভালেমান ট্ৰাক, চাৰিখন টেক্সি আৰু এটা ইটাৰ ভেঁটা আছে। তাত কাম কৰে বনুৱা, মহৰী, ড্ৰাইভাৰ, হেণ্ডিমেন আৰু কণ্ডাক্টাৰে। এই সকলোবোৰ মানুহ মালিকৰ মানুহ। মালিকে দৰমহা দিয়ে কাৰণে সিহঁতে খাবলৈ পাইছে, দৰমহা নেপালেই সিহঁতে লঘোন দিব লাগে।"

"বাৰু পিচে ?"

"সিহঁতে এতিয়া কৈছে, সিহঁতৰ দৰমহা, সিহঁতৰ মজুৰী আদি বঢ়াব লাগে। কাৰণ খাদ্য-বস্ত্ৰৰ দাম বাঢ়িছে দিনে দিনে। সিহঁতৰ পুৰণা দৰমহাৰে নতুন নিৰিখৰ সামগ্ৰী কিনিব নোৱাৰে। গতিকে দৰমহা নবঢ়ালে সিহঁতে কাম নকৰো বুলিছে।"

"ওঁ ঠিকেই কৈছে।"

"শুন, নাটকৰ মতে কৈছো। আজি দৰমহাৰ দিন। মালিকে গণি-গণি মানুহক আনকালে দিয়াৰ দৰে দৰমহা দিবলৈ লব। তই ওচৰতে থাকি মালিকক ইটো সিটো কৰি দিবি।"

"ওঁ ওঁ ওঁ ওঁ।"

"আকৌ শুন, সিহঁতে আগৰ নিৰিখত দৰমহা নলওঁ বুলি কব। সিহঁতে একেলগে চিঞৰিব, হৈ-হাল্লা কৰিব। সিহঁতৰ এজনে কব আমি দৰমহা বঢ়োৱাৰ দাবী আজি ছমাহৰ আগৰ পৰা কৰি আহিছো। মালিকে ইটো সিটোকৈ পিচুৱাই আছে।" এই ছমাহতে ইতিমধ্যে বস্তুৰ দাম বাঢ়িছে। এই কম দৰমহাৰে আমি আমাৰ ল'ৰা-তিৰোতাক দুবেলা দুসাজ খুৱাব নোৱাৰো, এডোখৰ কাপোৰ দিব নোৱাৰো। গাড়ীৰ ইঞ্জিনৰ তেল লাগি আমাৰ কাপোৰ ফাটে   ানকালে। আমাৰ কামৰ কোনো নিৰ্দ্দিষ্ট সময় নাই। ৰাতিপুৱা ছয় বজাৰ পৰা ৰাতি এঘাৰ—বাৰ বজালৈ আমি গাড়ী চলাব লাগে। গাড়ীৰ দুৰ্ঘটনা হলে আমি অকলে পুলিচৰ হাতত লঘু-লাঞ্চনা হব লাগে আৰু আদালততো অকলেই বিচাৰৰ সন্মুখীন হব লাগে। জেল-হাজোতত থাকিব লগা হলে, খুন-জখম হলে আমি দৰমহা নেপাওঁ। আমাৰ ল'ৰা-ছোৱালী লাঘোনে থাকে। অথচ যোৱা বছৰ তৈয়াৰী কৰা ইটা এতিয়া চাৰে পাঁচশ টকাত মালিকে বিক্ৰী কৰিছে। এগাড়ী মাটিৰ দাম দুমাহতে মালিকে পঁচিশ টকাৰ পৰা চল্লিশ টকালৈ বঢ়াইছে। আমাৰ দৰমহা কিন্তু বঢ়া নাই। বাঢ়িছে মালিকৰ মুনাফা। আমি কি খাই কাম কৰিম! এইদৰে উত্তেজনামূলক বক্তৃতা

এটা দি বক্তাই সকলোকে সুধিব তোমালোকে দৰমহা লবানে ? সৰহভাগে কব নলও। সেই সময়তে তই আগবাঢ়ি গৈ কবি-মই লম। কাৰণ লোৱা উচিত। তেতিয়া সকলোৱে হয়তো খঙেৰে তোৰ চকুলৈ চাব, অলপ হাণ্ডা হব। তই ধীৰ-স্থিৰ ভাবে দৰমহা লোৱাৰ যুক্তি আগবঢ়াব লাগিব। এই সংলাপ বৰ দৰকাৰী, কাৰণ তোৰ কথা শুনি সিহঁতে ধৰ্মঘট পিচুৱাই নিব লাগিব।"

"কিন্তু মাজুবোপা, মইতো কেতিয়াও দেউতাৰ পৰা দৰমহা লোৱা নাই। মই কেনেকৈ কম ?"

"ধেৎ অকৰা, এইখন নাটকহে। তই তাৰ ভাৱৰীয়া। তই এতিয়া আমাৰ ঘৰত কাম কৰা ··· · ······।"

"অ' কোৱা বোপা, তুমি যে গলা ? তুমি কব খুজিছা মই তোমালোকৰ ঘৰত কাম কৰা লগুৱা নহয়। নহয় জানো ? মাজুবোপা, এই ভাওটোৰ বাহিৰে নাটকৰ বাহিৰত মোৰ কি ভাও ? মই আচলতে কি ?" পানীৰ পৰা তুলি অনা মাছৰ দৰে পৰিচালকে চৰিত্ৰলৈ চালে। ইতিমধ্যে পৰিচালকে বুজিলে চৰিত্ৰটোৱে নাটকৰ মাজৰ পৰা ক্ৰমে আক বাহিৰলৈ তাক উলিয়াই আনিলে।

"বোধেশ্বৰ কাই বুজিছ, তই সদায় বোধেশ্বৰ কাই।" পৰিচালকে বিমূঢ় পৰিণতিৰ পৰা উদ্ধাৰ পোৱাৰ এক বৃথা প্ৰচেষ্টা কৰিলে। এটা অনাৱশ্যাক সংলাপ।

"কিন্তু তই যি বিশ্বস্ততাৰে আমাৰ পৰিয়ালত কাম কৰি আছ দধি, তকণ ইহঁতেতো কৰা নাই। তোৰ আক সিহঁতৰ মাজত বহুত পাৰ্থক্য। সেইদৰে তই এতিয়া অভিনেতা। নাটকৰ সংলাপখিনি নাটকৰ কথা বুলি ধৰি মাত্ৰ কৈ যাব লাগিব।"

"কিন্তু মাজুবোপা, মই যি যুক্তিয়ে নিদিওঁ সিহঁত কোনো কোনোৱে খন্তেকলৈ পতিয়ন যাব পাৰে, দৰ্শক পতিয়ন নেযায়। মই দৰ্শকক পতিয়ন নিয়াব নোৱাৰো, কাৰণ সিহঁতে কোৱা কথাবোৰ তেনেই সঁচা বুলি দৰ্শকে ভালকৈ জানে।"

"হক, কি হল। তই অভিনয়হে কৰিব লাগে।'

"নোৱাৰো মাজুবোপা নোৱাৰো। মোক এনে ভাও নিদিবা। মই বিভীষণৰ ভাও কৰিব নোৱাৰো।"

"তই পাৰিবি বোধেশ্বৰ কাই। তই পাৰিবই লাগিব।

নোৱাৰো মাজুবোপা, নোৱাৰো। দেউতাৰ আঙুলিৰ ঠাৰত মই দেৰকুৰি বছৰ চলিলো। এতিয়াও চলিছো। দৰ্শকৰ আগত মই মিছা কথা কব নোৱাৰিম। তীৰ্থ, দধি, মানিকহঁতক মই বিশ্বাস-ঘাতকতা কৰিব নোৱাৰিম।

"সিহঁতে এই নাটক চাবলৈ নাহে।"

"তেনেহলে কোন আহিব ?"

"আহিব পাৰে, যদি দহটকা খৰচ কৰি প্ৰবেশপত্ৰ কিনিব পাৰে।"

"কিন্তু, মাজুবোপা, তথাপি দৰ্শকক প্ৰৱঞ্চনা কৰিব নোৱাৰো মই। তোমালোকে পাৰিলে তোমালোকৰ নাটকৰ পৰা এই বিশ্বাস-ঘাতকৰ ভাওবোৰ গুচাই পেলোৱা। মোক এখন বেলেগ নাটক লাগে মাজুবোপা।"

লৱণাক্ত

দেউতা মুক্ত হল আজি এসপ্তাহৰ আগতে। দীপাও মুক্ত হবলৈ বিচাৰি ফুৰিছে। সৰু ভাই কানুও মুক্ত। সি আমাৰ লগত বন্দী হবলৈ ৰাজী নহয়। সি আন এখন জগতত বিচৰণ কৰিছে। ক'ত থাকে, ক'ত খায় সিহে জানে। এদিন হঠাতে আহি দুদিন থাকি ওলাই যায়। যাবৰ সময়ত মাই লগ পালে নিৰৰ্থক হলেও সোধে, "আকৌ কেতিয়া আহিবি ?" সি বোধহয় নিজেই কব নোৱাৰে কেতিয়া আহিব পাৰিব। কৈশোৰৰ দেওনা পাৰ হওঁ হওঁ কৰা লিপি শুকান ডাল-পাতৰ মাজত উৰি ফুৰা এটি চঞ্চল বহৰঙী পখিলা। মা আজীৱন গৃহ-বন্দী। মই কাৰাগাৰৰ সমুখত বৈয়ে আছিলো; দেউতা ওলাই আহিলেই মই সোমাৰ লাগিব।

আমি কিন্তু আমাৰ মনৰ কথা কোনেও কাকো ব্যক্ত কৰা নাই। আগত দিনবোৰ কেনে হব আমাৰ জনা আছে। পৰিকে সমূহীয়া ভাবে আলোচনা কৰাৰ প্ৰয়োজন অনুভৱ নকৰো। প্ৰকৃততে আমি মুখা-মুখী হোৱাই নাই। দুৱাৰ একেখন যদিও আমি বেলেগে সোমাওঁ, বেলেগে ওলাই যাওঁ। মুকুলৰ প্ৰস্তুতি সম্পূৰ্ণ হলেই দীপাও তাৰ লগত ওলাই যাব। সেই দিনটো কল্পনা কৰি মাই মাজে মাজে ক্লান্ত মনটো বোলাই লয়। সিহঁত দুয়োবো পাথেয়ৰ যথোপযুক্ত ব্যৱস্থা কৰাটো মোৰ আৰু দেউতাৰ দায়িত্ব আছিল। এতিয়া মোৰ অকলে। মায়ে মোক আৰু বখতে দেউ-তাকো মাজে মাজে সোঁৱৰাই দিবলৈ নেপাহৰে। মাই দীপা-

মুকুলৰ পাথেয়ৰ তালিকাত মনত পৰিলেই কিবা দুই এপদ যোগ দি তালিকাখন দীঘল কৰি নি থাকে। দুই এপদ সামগ্ৰী মনে মনে সংগ্ৰহ কৰিও থয়। ঘৰলৈ অহা কঁহাৰৰ পৰা পুৰণি হাতীখুজীয়া বাটি দুই এটা দি সৰু সৰু পিয়লা বা পাণবটা দুই এটা সলনিলৈ বুলি লৈ থয়। দীপাৰ অভিৰুচিও মায়ে তাৰিফ কৰি লয় লগতে। দেউতাৰ দৰমহা অৰ্থাৎ ঘৰখনৰ উপাৰ্জন যে তিনিভাগৰ এভাগলৈ কমি যাব সেই কথা দেউতাই বোধহয় আগতেই সঁকিয়াই থৈছিল ।।

আজি এসপ্তাহৰ পৰা ঘৰলৈ অহা কেৰিৱালাবোৰক মাই ফিৰাই পঠাইছে বুলি লিপিয়ে আপত্তি কৰিছে। তাৰ কাৰণে লিপিয়ে মাৰ পৰা ধমকি খাব লগাও হৈছে।

কানু কানুৰেই। সি পাৰ্টিৰ কামত নিজকে উচৰ্গা কৰি দিছে বহু দিনৰ আগতে। এই সকলোবোৰৰ পৰা সি আঁতৰত।

আৰু একেবাৰে আঁতৰত আছে কৈশোৰৰ আনন্দত বিচৰণ কৰা লিপিকা। তাই মাত্ৰ জানে মুকুলৰ লগত দীপাৰ বিয়াখন হৈ গলে বৰ স্ফুৰ্তি হব। ক্লাচৰ ছোৱালী সকলোকে নিমন্ত্ৰণ কৰাৰ উপৰিও ক্লাচৰ বাইদেউৰ লগতে বৰ বাইদেউকো নিমন্ত্ৰণ কৰিব লাগিব।

মোৰ কথা হল, আমি থকা ভাড়া ঘৰটো ইমান ডাঙৰ নহলেও হয়। ইয়াতকৈ সৰু ঘৰতো ভালকৈ থাকিব পাৰি। অহা মাহত দীপা যাবগৈ, মানুহ কমিব। দেউতাৰ পেঞ্চনৰ লগত মোৰ দৰমহাটো যোগ দি ভাড়া লোৱা ঘৰটোৰ কালি নিৰ্ণয় কৰিব লাগিব, নহলে অংকটোৰ উত্তৰ নোলায়। মই এমাহ মানৰ আগৰ পৰাই চেষ্টা কৰি আছিছো। কিন্তু মোৰ অঙ্কৰ উত্তৰৰ লগত মই বিচাৰি পোৱা ঘৰবোৰৰ কালি নিমিলে, বেচি হয়। বেচি হলেই বিপদ। কম হলেও তাকে শুদ্ধ উত্তৰ বুলি মানি লোৱাৰ কথা কেতিয়াবা চিন্তা কৰিবৰ মন যায়। কিন্তু মই উপায় এটা উলিয়াবই লাগিব, তাৰ বাহিৰে মোৰ উপায় নাই। এই সিদ্ধান্ত মোৰ নিজৰ। মই কাৰো পৰামৰ্শ লোৱা নাই। দেউতাই যদি ভাবে ফুলি থকা

বেলুন এটা বান্ধিবলৈ যি যত্ন আৰু যিমান ঠাই লাগে, ফুটা বা নুফুলোৱা বেলুন এটা থবলৈ সিমান ঠাই নেলাগে, তেতিয়া মোৰ অন্তৰে কষ্ট পাব ঠিক। তেতিয়া হলে মই বাধ্য হৈ মোৰ সিদ্ধান্ত সলনি কৰি নিশ্চিত বিড়ম্বনাকে গ্ৰহণ কৰিব লাগিব। দেউতা জ্ঞানী মানুহ, বুজিব তেনে আস্থা ৰাখিয়েই মই এই সিদ্ধান্ত লৈছো। দীপাই ক্ষীণ আপত্তি কৰিব, পিচে অংকটোৰ লগত কি সংকট জড়িত সেই কথা বুজিলে হয়তো আপত্তি নকৰিব।

বিচনাতে বহি বহি পুৱাৰ চাহকাপ শেষ কৰাৰ আগলৈকে মই সিদ্ধান্তটোৰ চূড়ান্ত ৰূপ দিয়াৰ কথাতে মনোনিবেশ কৰিছিলো। চাহকাপ খোৱা শেষ হলতো তাই যেতিয়া খালী কাপ-প্লেটযোৰ লৈ আঁতৰি নগল, তেতিয়া বুজিলো তায়ো কিবা কব। নহলে পুৱাৰ পৰা এই সময় ছোৱা তাইৰ মৰিবৰো সময় নাই। দৃশ্য-পটৰ সামান্য পৰিবৰ্তন কৰি কেইবাখনো একাংক নাট তাই এই সময়ত শেষ কৰিব লাগে। চাহৰ পিচত নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত কলৰ পানী ধৰি থোৱা, ভণ্টীৰ স্কুলৰ পঢ়াও অলপ চাই দিয়া, মাজতে স্কুলৰ বহী কেইখনমানো চোৱা, স্কুল-কলেজৰ ভাত, শাচন ধোৱা মানুহজনী নাহিলে থাপমাৰি সেই কামো মাজে মাজে কৰিব লাগে। মাহৰ প্ৰথম ভাগত শাক-পাচলি আৰু গুৱাসৰ বাকী হিচাপ কৰি কিমান ৰাখি কিমান পৰিশোধ কৰিব পৰা যাব ইত্যাদি জঞ্জাল মাৰোতে উশাহ লবলৈ সময় নেথাকে।

"তুমি মোক কোনো কথাই নোসোধা কিয় ?"

মোৰ বিচনাখনত গজগজীয়াকৈ বহি তাই পোন-চাটেই এই প্ৰশ্ন কৰি বহিল। জনপ্ৰিয় একনায়কত্ব দেউতাৰ পিচত মই বিনা বাধাই লব পাৰিম বোলাটো মিছা তেনেহলে। প্ৰথমতেই বিৰোধী শক্তিয়ে মূৰ দাঙি উঠিছে।

"চাহটোপা তোৰ টেষ্টটো বৰ ভাল লাগিছে। নকলেও জানিছো এই চাহটোপাৰ বাহিৰে আনে কৰিব নোৱাৰে।" উত্তৰটো কূট কৌশলপূৰ্ণ হলনে নহল বুজিবলৈ তাইৰ চকুলৈ চালো।

"ৰ'বা ৰ'বা সেইবোৰ চালেবাৰে কোবোৱা কথাৰে পেট নভৰে।"

"কথাৰে পেটভৰা হলে মই তাকো শিকিলোহেঁতেন। ইমানবোৰ চিন্তা মূৰত লবৰ কোনো প্ৰয়োজন নাছিল।"

"তাকেইতো কৈছো। ইমানবোৰ চিন্তা অকলে মূৰত লবলৈ কোনে কৈছে তোমাক? আমাকোতো তাৰ অলপ দিব পাৰা।"

এৰা, এইবাৰ নিজৰ কথাত নিজে ধৰা পৰিলো। মই মনে মনে থাকিলো। তায়ে আৰম্ভ কৰিলে, "আমি বেয়া পাওঁ বুলি ভাবি তুমি কোনো দায়িত্বকে আমাৰ ওপৰত দিব নোখোজা। দেউতায়ো তাকে কৰিছিল, তুমিও তাকে কৰিছা।"

"এটা কথা অ'। কিবা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব লগা হলে মই নিশ্চয় মন্ত্ৰীসভা আহ্বান কৰিম। তেনে পৰিস্থিতিতো এতিয়াও হোৱা নাই।" মই যিমানে বিষয়টো লঘু কৰিবলৈ বিচাৰিলো তাই সিমানে বেচি গুৰুতৰ ভাবেহে কথাবোৰ কলে। তাই এৰি দিয়া ভকত নহয়। মোৰ কথাৰ সুৰতে সুৰ মিলাই তাই কলে, "কিন্তু এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত তুমি এককভাবে লব খুজিছা। তাত আমাৰ কাৰো মতামত লোৱা নাই। ঘৰৰ খৰচ কমাবলৈ যতীন শৰ্মাৰ ঘৰৰ একাংশ লৈ এইটো ঘৰ এৰি দিব খুজিছা।"

"ঘৰটো চাই আহিবলৈ তোক কম বুলি ভাবি আছো।"

"আকৌ ধৰা পৰিছা। তুমি ঘৰৰ বাবদ শৰ্মাক আজি আগধন দিম বুলি কৈ আহিছা।"

"কোনে কলে তোক? মুকুলে? তোৰ চোৰাংচোৱা সদায় মোৰ পিচত লাগি আছে যেন পাইছো।" মুকুলৰ কথা কলে তাই অলপ অপ্ৰতিভ হব বুলি ভাবিছিলো। কিন্তু কথাৰ প্ৰসঙ্গ সলনি কৰা টান হল।

"বাৰু শুনা, ইমান সৰু ঘৰ এটালৈ গলে দেউতাই বৰ মনোকষ্ট পাব। এইটো ঘৰত দেউতা বহুদিন থাকিল। প্ৰায় পোন্ধৰ বছৰ। লোকৰ ঘৰ যদিও দেউতাৰ লগত ঘৰটোৰ এটা গাঢ় সম্বন্ধ গঢ়ি উঠিছে।"

মোৰো মনত পৰিছে। দেউতাই এসময়ত এই ঘৰটো কিনি লোৱাৰ কথা চিন্তা কৰিছিল। চৰকাৰৰ পৰা লোৱা প্ৰথম কিস্তিৰ টকা পিচে বাইদেউৰ বিয়াত খৰচ হৈ গল। ঘৰ কিনা আৰু নহল। দেউতাই মাক সান্ত্বনা দিছিল ল'ৰাহঁত ডাঙৰ হলে ঘৰ-মাটি যি পাৰে লব।

"আৰু চোৱা, ঘৰ সলনি কৰা মানে তৎক্ষণাত আমাৰ আৰ্থিক অৱনতিৰ কথা ঘোষণা কৰা। মানুহৰ আগত দেউতা বৰ অপ্ৰতিভ হব, তাকেনো আমি হবলৈ দিওঁ কিয় ?"

"এৰা অ' দীপা, এই সময়ত উচিত আছিল আমি নতুন ঘৰ এটা সাজি দেউতা-মাক তাত নি সুমুৱা। তাৰ পৰিবৰ্ত্তে আমি দেউতাক কি দিব পাৰিছো ? একো দিব পৰা নাই। কিন্তু এটা সিদ্ধান্তৰ ওপৰত বহু কথা নিৰ্ভৰ কৰে।

"হয় ককাইদেউ, মই যদি ল'ৰা হলোহেঁতেন আৰু কানুৱেও যদি ৰাজনীতি এৰি কিবা এটাত সোমালহেঁতেন! আজি আমি অপদাৰ্থৰ দল। আজীৱন কেৰাণী গিৰি কৰি দেউতাই তোমাক, মোক আৰু কানুক অন্ততঃ গ্ৰেজুৱেট কৰালে। শিক্ষা দিয়াত দেউতাই কাৰ্পণ্য কৰা নাছিল। মাই কৈছিল আমি সৰু থাকোতে বোলে দেউতাই টিউচনও কৰিছিল। সেয়ে ককাইদেউ, আমাৰ অৰ্থ-সংকটটো ইমান সোনকালে প্ৰকট কৰি দেখুৱাবলৈ বৰ টান লাগিছে।" কিতাপ এটাৰ পাতবোৰ এনেয়ে লুটিয়াই লুটিয়াই তাই আকৌ কলে, "তুমি পতিকে ঘৰ সলনি কৰা কথাটো বাদ দিয়া। যতীন শৰ্মাৰ দুমহলীয়া ঘৰৰ হঁাত আৰু চেচুকৰ পৰাজটোত নি দেউতাক সুমুৱাবলৈ নোৱাৰি। আৰু এটা কথা। তাত সোমোৱাৰ আন এটা বাধাও আছে, তুমি জানাই।"

মই জানো। বি এ, পাচ কৰাৰ আগতে শৰ্মাৰ ভতিজাকলৈ দীপাক বিয়া নিদিওঁ বুলি দেউতাই স্পষ্টকৈ কৈ দিছিল। কাৰণ তাৰ সৰে ঘটা পইচাক দেউতাই বোলে ঘিণ কৰিছিল। মোতকৈ দীপাই গভীৰভাবে পৰিস্থিতি অধ্যয়ন কৰিব পাৰে। আজি তাত মই সোমালে

শৰ্মাৰ চকুত দেউতা পুতৌৰ পাত্ৰ হব।

"কিন্তু দীপা, যতীন শৰ্মা আজি অথৰ্ব বুঢ়া। আৰু মোৰো কোনো উপায় নাই।"

"কিন্তু আমি নেযাওঁ, মই জানো তুমি মোৰ ওপৰত দৃষ্টি ৰাখিয়েই এই কথা কৈছা। কাৰণ মই এটা বোজা ঘৰখনত। মই তোমাক বেহাই দিছো ককাইদেউ সেই দায়িত্বৰ পৰা।"

"সেইটো তই নিজে নিজৰ ওপৰত আৰোপ কৰা কথা। সেই বুলি ভবাটো বৰ দুখৰ কথা আৰু তাকে প্ৰকাশ কৰি মোকো কষ্ট দিলি। শুন, মই কাৰো পৰা নিষ্কৃতি বিচৰা নাই।"

"কিন্তু ককাইদেউ, মই মুকুলক নিষ্কৃতি দিছো। মই তেওঁক স্বাধীনতা দিছো। মই তেওঁক বন্দী কৰি থব খোজা নাই। মই তেওঁক জনাই দিছো তেওঁ মোলৈ বাট চাব নালাগে।" তাই দুহাতৰ তলুৱাৰে মুখখন ঢাকি উচুপিবলৈ ধৰিলে। ফুপি ফুপি তাই কান্দিবলৈ ধৰিলে। কোঠাটোৰ বায়ুখিনি যেন হঠাত স্থবিৰ হৈ পৰিল। এই প্ৰকোষ্ঠৰ ভিতৰত শ্বাস-প্ৰশ্বাস পৰিবৰ্ত্তন কৰা অসম্ভৱ হল।

আজি যেন আমি ৰাজপথলৈ ওলালো। দীপাৰ কান্দোন শুনি ৰাজ-পথত জনতাৰ ভিৰ হল। মা, দেউতা, দীপা, লিপি আৰু শেৱালী। এই ভিৰৰ মাজত কান্ থকা হলে কলেচৈতেন, "কান্দ, তহঁতৰ দৰে আৰু বহুতে কান্দিছে। তহঁতেও কিছুদিনলৈ কান্দিব লাগিব। যেতিয়ালৈকে কান্দিব লগা গোটেই সমাজ ব্যৱস্থাটোকে ভাঙি চুৰমাৰ কৰি পেলাই নতুন ব্যৱস্থা প্ৰবৰ্ত্তন কৰিব নোৱাৰৌহক।"

এটা হাতেলোটে ধৰা পৰা চোৰৰ দৰে অসহায় হৈ জনতালৈ চালো। জনতাৰ মাজত সাধাৰনতে নেদেখা মুখ এখন তেওঁলোকে দেখিলে— শেৱালীৰ। তাই জানে মুকুল আৰু দীপাৰ প্ৰস্থান নোহোৱালৈকে মই মনত প্ৰৱেশ কৰিব নোৱাৰো। আজি দীপাই মুকুলক মুক্তি দিয়াৰ দৰে মযো তাইক অনিশ্চিত প্ৰতীক্ষাৰ পৰা মুক্তি দিছিলো। তাই কিন্তু সেই প্ৰতীক্ষাতে আছে, মুক্তি নিবিচাৰে।

জনতাৰ মাজৰ পৰা কোনোবাই চিঞৰি উঠিল—"কোনে কৈছে

মই অৱসৰ ললো বুলি। নাই লোৱা। মই আকৌ কামত সোমাইছো', নতুন কাম।"

কেইদিন মানৰ আগৰ পৰা দেউতাই ৰবকৈ ঘূৰাঘূৰি কৰা দেখিছিলো। বোধহয় কৰবাত কিবা এটা বন্দবস্ত কৰি লৈছে। এৰা, দেউতাই অৱসৰ লব নোৱাৰে। আমি কোনেও অৱসৰ ল'ব নোৱাৰিম। অৱসৰ লোৱা মানে আমাৰ মৃত্যু। আমাৰ সমাজ ব্যৱস্থাই আমাক অৱসৰ লোৱাৰ সুবিধা দিয়া নাই। কানু গৈছে সেই দায়িত্ব লবলৈ। আমি মুক্তি দিয়ালৈ সি অপেক্ষা কৰা নাই। সি আমাতকৈ গধুৰ দায়িত্ব লবলৈ গৈছে কণ্টকাকীৰ্ণ পথেৰে। এদিন সিহঁত সফল হব। ভবিষ্যতে দেউতাহঁতে প্ৰকৃত অৱসৰ লোৱাৰ সুবিধা পাব পাৰে, দীপা, শেৱালীহঁতে উটুপি উটুপি স্থিতাৱস্থাৰ ওচৰত আত্মসমৰ্পণ কৰিব নেলাগিব।

স্থিতাৱস্থাৰ মাজত একক প্ৰচেষ্টাৰে যুদ্ধ কৰি দেউতাই স্বপ্ন দেখিছে, শেৱালীক নোৱাৰী কৰি অনাৰ, মুকুলক জোৱাঁই পোৱাৰ। ইয়াৰ পিচত কি হয় সেই কথা বোধহয় কানুহঁতলৈ থৈছে।

জনতাৰ গুণ-গুণনি লাহে লাহে বন্ধ হল।



কক্ষচ্যুত

পুৰুষৰ ৰিক্তপ্ৰাণ একো নাই শূন্যকুম্ভ
আছে য'ত নিশ্চল চেতনা
ৰাখা মোক নাৰী কৰি
ঈশ্বৰ হয়তো হব পৰাভূত নাৰীৰ প্ৰেমৰ

মহেন্দ্ৰ বৰা

পুৱাৰ মিঠা ৰ'দৰ পোহৰবোৰ মোৰ অসহ্য হৈছিল। এক পৰাজিত বেদনাত পোহৰবোৰ বৰ গধুৰ লাগিছিল। লাজ, বিবেক আৰু চিন্তাৰ দৈন্যই মোক সম্পূৰ্ণভাবে পৰাজিত কৰিছিল। পাৰ হৈ যোৱা ৰাতিটো বাৰে বাৰে পোহৰৰ মাজতো মোৰ মনলৈ ঘূৰি ঘূৰি আহিছিল, মনটোক তোলপাৰ লগাইছিল। এক অসহনীয় মানসিক যন্ত্ৰণাত চট্‌ফট্‌ কৰি মনটো বোধহয় ক্লান্ত হৈ পৰিছিল। যোৱা ৰাতি আমি ৰাক কিয় একো কথা পাতিব নোৱাৰিলো। আমি বহুকথা পাতিব লাগিছিল, তথাপি একো কথা পতা নহল। যেনে এটা পৰিবেশত আমি অৰ্থাৎ মই আৰু আৰতি একেলগে এই সৰু পাম ঘৰটোত কটালো; তেনে অৱস্থাত বেচ এটা নাটকীয় পৰিস্থিতি উদ্ভৱ হোৱাটো তেনেই স্বাভাৱিক কথা আছিল। চহৰৰ কোলাহলৰ পৰা আঁতৰত এনে নিজম পৰিবেশৰ মাজত আৰু এই অকলশৰীয়া পঁজা ঘৰটোত এজনী তিৰোতা মানুহৰ লগত মই এটা অস্বাভাৱিক নিশা কটালো। আন্ধাৰবোৰ ভেতিয়া আমাৰ নিচেই ওচৰ চাপি আহিছিল। লেম এটাৰ ক্ষীণ পোহৰে মাত্ৰ আন্ধাৰবোৰ খেদি

পঠোৱাৰ বৃথা চেষ্টা কৰিছিল। অহৰহ ঝিলি আৰু তেনে জাতীয় ক্ষুদ্ৰ পতঙ্গবোৰে নিৰ্জনতাখিনিক আৰু গধুৰ কৰি তুলিছিল। তেনে অৱস্থাত তাইৰ উচিত আছিল কেনেকৈ তাই আঠৈছিছ বছৰীয়া বিবাহিত জীৱনত কিবা এটা নোপোৱাৰ গভীৰ বেদনা প্ৰকাশ কৰাতো। তিক্ত বেদনাৰ উপশম বিচাৰি তাই মোৰ দুবাহুৰ মাজত সোমাই উচুপি থাকিব লাগিছিল। মই তাইৰ চুলিৰ মাজে মাজে হাত বুলাই সেমেকা গলাৰে কিবা কিবি কৈ সান্ত্বনা জনাব লাগিছিল। তিক্ত বেদনাবোৰ চকুৰ পানীৰে ভহাই দি তাই মোৰ বুকুৰ মাজলৈ আৰু নিবিড়ভাবে সোমাই আহিব লাগিছিল। আৰু লাহে লাহে এটা শিথিল মুহূৰ্ত্তত মোৰ বিবেকৰ জৰীডাল খহেকলৈ সুলকি পৰিব লাগিছিল, নিশাৰ গধুৰ আন্ধাৰবোৰ পাতল লাগিব লাগিছিল। এনে এটা পৰিস্থিতিত এয়ে আছিল স্বাভাৱিক পৰিণতি।

"চাওঁ শুচা। ময়ো শুম।" বুলি কৈ তাই মোৰ বিচনাত শুই পৰিছিল। স্বাভাৱিক ভাবে কোৱা তাইৰ অস্বাভাৱিক কথা-ষাৰত মোৰ সমৰ্থন আছেনে নাই তাই যেন ভাবি চোৱাৰ কোনো প্ৰয়োজন বোধ নকৰিলে। দ্বিধাহীনভাবে সক হোৱালী এজনীৰ দৰে বা পত্নীৰ দৰে মোৰ কাষতে শুই পৰিছিল। ইমান অপ্ৰত্যাশিত ভাবে তাই শুই পৰিলে যে মোৰ কোনো কথা কবৰ অৱকাশ নেথাকিল। উপযুক্ত শব্দৰ অভাৱত, হয়তো আচম্বিত দ্বিধাগ্ৰস্ততাৰ পৰা নিজকে মুক্ত কৰাৰ প্ৰয়োজনীয় শক্তিৰ অভাৱত মই প্ৰতি-বাদ কৰিব নোৱাৰিলো। বাক্‌ৰুদ্ধ হৈ নিৰ্বোধৰ দৰে মই জঠৰ হৈ পৰি আছিলো। সময়ত অনুভৱ হল মই এক ষড়যন্ত্ৰৰ বলি। এই ষড়যন্ত্ৰৰ পৰা চিৰ্ৰৰ বাখৰ কৰি দৌৰি পলাই যোৱাৰ বাহিৰে অন্য উপায় নাই। কিন্তু গুলাই গৈ ক'ত আশ্ৰয় ল'ম? আশ্ৰয়-দাতাৰ ওচৰত সকলো যুক্তি আৰু কৈফিয়ৎ অসাৰ হব। মাথ্ৰ এটা ঘৃণনীয় কলঙ্ক কাহিনী জগতৰ আগত ঘোষণা কৰা হব। সেইটো হবলৈ দিব নোৱাৰি। পৰাভূত বেদনাত নিজক দগ্ধ কৰিবলৈ এৰি দিয়াৰ বাহিৰে মই তেতিয়া অন্য উপায় নেপালো। এৰি

অহা বিচনাখনত পুনৰ দীঘল দি পৰিলো। দুৰ্যোৰ টোপনিত লাল-কাল দি তাই এটা মৰাশৰ দৰে পৰি থাকিল। এটা মৰাশৰ ওচৰত এটা জীৱন্ত মানুহ। এটা সময়ত জীৱন্ত মানুহটো মৃতদেহৰ কাষতে একেদৰে শুই পৰিল। তাৰো টোপনি আহিল।

অৱসন্ন মন লৈ পুৱা যেতিয়া মই বিচনা এৰিছিলো চুটকেছৰ পৰা গামোছা এখন উলিয়াই দি ওচৰৰে দমকলটো দেখুৱাই দিছিল, যেন ৰাতিৰ কলুষবোৰ ধুই পুনৰ সতেজ হোৱাৰ ইঙ্গিত। পেটি-কোটৰ ওপৰত বিচনা চাদৰখনকে মেৰিয়াই তাই যেতিয়া দমকলটো ঘটং-ঘটং কৰি পানী উলিয়াইছিল তেতিয়া ভাবিছিলো আমি যেন একবস্ত্রে অহা আশ্রয় শিবিৰৰ আশ্রয় প্ৰাৰ্থী।

সিহঁতৰ এই পামখনৰ কথা আগেয়েও শুনিছিলো, অহা নাছিলো ইয়ালৈ। অহাৰ ইচ্ছাও নাছিল। কালি সন্ধিয়া আৰতিয়ে মোক বাটত পাই গাড়ীত তুলি আনিবলৈ লোৱাত মোৰ আপত্তি কৰিবৰ একো নাছিল। মহাৰাজ, মই আৰু আৰতিয়ে এৰাতি সিহঁতৰ পা[illegible]ঘৰত কটাই গলে বনভোজ খোৱাৰ নিচিনাই লাগিব। মানস অভয়াৰণ্যৰ আলহীঘৰত আমি আগতে ৰাতি কটাইছো। বন্ধু-মহলত আৰতিৰ স্বামীক আমি মহাৰাজ বুলি মাতো। গতিকে বন্ধৰ দিনত মহাৰাজক পামতে পাম বুলি ভাবি আহিছিলো। কিন্তু ইয়ালৈ আহিহে জানিলো মহাৰাজ দু-দিনৰ আগতে চৰকাৰী কামত দিল্লীলৈ গ'ল। কালি ৰাতি আন্ধাৰতে আহি সোমালো। পৰিবেশটো বুজি লবৰ সুবিধা নহল। দুফালে পাহাৰৰ মাজত এক প্ৰশস্ত প্ৰান্তৰ। আমলখি, নানা বিধৰ টেঙা, অন্যান্য ফলমূলেৰে ভৰা এখন মনোমোহা বাগিছা। সিফালে শাক-পাচলি আৰু তাৰো সিপাৰে ধাননি পথাৰ। দুটামান সৰু সৰু পঁজা, গোহালি, হাঁহ-কুকুৰাৰ বাঁহ, আনকি এখন সাধাৰণ ধৰণৰ স্কুলনিও আছে। মহাৰাজৰ পৰিকল্পনাই ঠাইডোখৰত সুৰুচিপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিছে। বন্ধ হলেই মহাৰাজ আৰু আৰতি নগৰৰ কোলাহলৰ পৰা আঁতৰি আহি পামৰ নিৰ্জনতাত সোমায়হি। আগেয়েতে নগৰৰ

কৌৱাৰৰে সিঁহঁতৰ আমুৱা নাছিল, আমুৱাইহঁতৰ চাক্-চিক্য ঘৰ-ঘৰৰ ভিতৰত ধৰুৱ কোঠাবোৰৰ জন-প্ৰাণীহীন নিৰ্জনতাইহে। আৰু সকলৰ প্ৰতিটো মুহূৰ্তত ঘৰখনৰ ভিতৰৰ প্ৰতি সামগ্ৰীকে সিঁহঁতৰ কাৰণে অৰ্থহীন যুক্তি স্মৰণ কৰায়। এসময়ত দুয়ো মনে মনে অনুভৱ কৰিছিল কাম বা ব্যস্ততাইহে তেওঁলোকৰ কাৰণে অৱসৰ। সেয়ে বোধহয় সময় পালেই আহি পামত সোমায়হি।

যাই নহওঁক, পৰিবেশটোৱে কতেকালে হলেও মোক আকৰ্ষণ কৰি মনৰ ক্লান্তি কিছু দূৰ কৰিছিল। পৰিবেশৰ আকৰ্ষণৰ পৰা আৰতিৰ কথাই মোৰ দৃষ্টি আঁতৰাই আনিলে।

"ঠাইখন কেনে লাগিছে বাৰু?" এই প্ৰথম আৰতিয়ে মোৰ লগত কথা ক'লে।

"তোমালোকৰ ভৱিষ্যতৰ আশ্ৰয় নেকি?"

"ভৱিষ্যৎ? আমাৰ কাৰণে বৰ্ত্তমানটোৱেই ভৱিষ্যৎ বা ভৱিষ্যৎ আমাৰ নাথেই। বা ভৱিষ্যতৰ কথা ভাবি শঙ্কিত হবলৈও নাই; নাইবা ভৱিষ্যৎ আমাৰ চকুৰ আগতে জিলিকি আছে।"

আৰতিৰ কথাবোৰ এনেকুৱাই, আনৰ সমৰ্থন নিবিচাৰে। কিন্তু আজি এই কথাবোৰত বিয়াৰ হিচাপত দীঘলীয়া আঠবছৰৰ পিচতো সন্তানহীনা হৈ জীৱন কটাব লগা হোৱা অব্যক্ত বেদনাতেই পৰোক্ষ প্ৰকাশ যেন লাগিল। আৰ্থিক দিশত সিহঁত এতিয়া নিম্ন মধ্য-বিত্তৰ পৰা ধনী শ্ৰেণীৰে উত্তৰণৰ পথত। দুয়োৰে প্ৰথম শ্ৰেণীৰ চাকৰি। গতিকে ভৱিষ্যৎ নিৰাপত্তা ভাবি শংকিত হোৱাৰ কথা নাই। অভাৱ এটাই—এখন হাঁহি থকা শিশুমুখৰ।

দহবছৰৰ ছাত্ৰী [illegible] ঠেলি [illegible] উজিয়াওঁতে অবিনাশৰ কাপোৰৰ [illegible] বুকুখন সোঁৱৰাই দিলে তাইৰতো এটা সন্তান হব পাৰিলেহেঁতেন। [illegible] বুঢ়া [illegible] লোকালেও।

"[illegible] যাম [illegible]।" [illegible] লাগি বই [illegible]।

বন [illegible] —৩

"আহো। ভাল লাগিলেও আহো, বেয়া লাগিলেও আহো। বেয়া লাগিলে ভাল লগাবলৈ আহো।"

কথাত তাইৰ কোনো দ্বিধা নাই, সম্পূর্ণ নির্লিপ্ত। যোৱা ৰাতিৰ কথাটোৰে কথাৰ মাজে মাজে আমনি কৰে মোক। কিন্তু তাইৰ কাৰণে যেন যোৱা ৰাতিটো হাজাৰ নিশাৰ বৈশিষ্ট্যহীন নিশা। তাৰ কোনো কৈফিয়ৎ নাই। কিন্তু মোৰ মনে কৈফিয়ৎ বিচাৰে। জানো তাইৰ কোনো কৈফিয়তেই মোৰ স্খলনৰ কাহিনী মচি শুদ্ধ কৰিব নোৱাৰে। অদৃশ্য চাবুকৰ আঘাতত মোৰ দেহ-মন ক্ষত-বিক্ষত হৈছিল। মই যেন অথর্ব, মই ভীৰু, মই অসহায়। কিন্তু সাহস গোটাই কৰিব পাৰি কি? হত্যা বা আত্মহত্যা। নাইবা দুয়োবিধেই কৰিব পাৰি।

"কিন্তু ... ...।" কিবা এটা কবলৈ গৈ তাইৰ জিভাতে জড়তা আহিল। তাইৰ সজল চকুকেইটাই প্ৰকাশ কৰিব নোৱাৰা এক অব্যক্ত বেদনাৰ ইঙ্গিত দিলে। "কিন্তু কালি কিহৰ কাৰণে আহিলা?"

"কব নোৱাৰো; নহয় পাৰো।" এটা ভুল কথা কৈ তাই যেন শুধৰাই ললে। দূৰৰ মৰি শুকাই যোৱা নেমুটেঙা জোপাত দৃষ্টি নিবদ্ধ কৰি তাই বৈ থ'ল। কিবা কাৰণত নেমুজোপাৰ ডালবোৰ সম্পূর্ণ শুকাই গৈছে। মকৰাৰ জালে গছজোপা মেৰিয়াই ধৰিছে।

"তোমাক বাটত লগ নোপোৱাকৈকে এক চূড়ান্ত সিদ্ধান্তৰ ৰূপ দিবলৈ গাড়ীৰ ষ্টিয়েৰিং হুইলত ধৰিছিলো। অতি দৃঢ়তাৰে আহি আছিলো। বাটৰ কাষত তোমাক দেখি গাড়ীৰ গতি মন্থৰ কৰিছিলো, ভাবিলো—তুমিও থাকিবা মোৰ লগত। তুমি সাক্ষী হৈ থাকা এবাৰ।" মোৰ ভুল হল। এই কাম অকলেৰে কৰিব নোৱাৰি। ইয়াত সাক্ষীৰ প্ৰয়োজন নাই। বিচক্ষণ, বুজিছো, সাক্ষী মানে হস্তক্ষেপ, বিড়ম্বনা। নিজকে মাথো প্ৰবঞ্চনা কৰিছো।"

কবৰ মন আছিল ই মই বিচৰা কৈফিয়ৎ নহয়। তুমি

নিজকে নিজে প্ৰৱঞ্চনা কৰা, বিশ্বাস [illegible]। আনক প্ৰৱঞ্চনা কৰাৰ অধিকাৰ তোমাক কোনে দিলে? তুমি [illegible] বোবা, তুমি অহমিকাৰে বোবা, মোৰ ভাত [illegible] নকৰিবা, সোৱাবিলো কৰ।

চাহৰ মেজত মাজতোৰ কৰু এটা [illegible] আছে আছে [illegible] উঠাই তাই কৈ গ'ল?

"মই নকলেও তোমাৰ মহাবাহুৱে তোমাক আমাৰ কথা কৈছে। সেই কথা মহাবাহুৱে নকলেও মই জানো। মনৰ কথা কোনোত প্ৰকাশিত আছে। ভেতৰ কৰতে মানুহ আছে, মোৰ নাই। মই কাহানিবাই ঘৰ এৰি, ধৰ্ম এৰি তথাকথিত সমাজ এৰি মহাবাহুৰ জগত গুচি আহিলো। আজি সেই দুৱাৰ মোৰ বাবে বন্ধ। শিক্ষা-দীক্ষা আৰু আভিজাত্যৰ কাজৰ ধৰা মোৰ চাৰিওফালে গঢ়ি উঠা সমাজখনৰ কোনো মাইকী মানুহকে মোৰ কথা কৈ নিজকে সৰু কৰিব নোৱাৰো। কাৰণ মই এটা বেলেগ শ্ৰেণীৰ অন্তৰ্ভুক্ত হলো, তুমিতো জানাই সকলো।"

জানো, সহপাঠী তাকৰ মহাবাহুক বিয়া কৰাই তাই আৰু তাইৰ পৰিয়ালটো দুটা ডাঙৰ সংকটৰ সন্মুখীন হৈছিল। [illegible] অনা গোস্বামীৰ বংশধৰ হৈ মাক-দেউতাকৰ হৈ [illegible]। সমাজৰ গৰ্ভত সেইবোৰ কমি নাইকিয়া হৈ যাব বুলি ভবা হ'ল। প্ৰাচীন বংশ এটাৰ কমিছু আভিজাত্যৰ শেষ বিন্দুটো মচি পেলাব বুলি মাকে তাইক মৰিল বুলি বাদ দিলে। [illegible] তাৰ কাৰণে তাইকে সম্পূৰ্ণ দোষী সাব্যস্ত কৰিলে। [illegible] ডাঙৰ সংকট হ'ল তাইৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰি [illegible] পৰিয়ালটোৰ। তাইৰ পঢ়াৰ কাৰণে এটা [illegible] [illegible] [illegible] পাব হৈছেই তাইক আগবঢ়াই দি নিজে [illegible] [illegible] [illegible] [illegible] হ'ল। মাকে এদিন কৈছিল তাই [illegible] [illegible] [illegible] [illegible] [illegible] নৰ [illegible]। এই [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible]

ছাত্ৰিৰ পঢ়া-শুনা, ঘৰৰ খৰচ আৰু পিচত বিয়া-বাৰু দিয়াৰ্তেকৈ সকলোৰে দায়িত্ব তাইৰে মূৰত ধৰিব লাগিব। নিজে বিয়া কৰা মানে এই সকলোবোৰৰ পৰা পলাই আহি নিজৰ সুখ-সম্ভোগৰ কথা চিন্তা কৰা। স্বাৰ্থপৰতাৰ ইয়াতকৈ নীচ নিদৰ্শন একো হ'ব নোৱাৰে। মহাৰাজৰ কাষে এখোজ আগবাঢ়ি আৰু দুখোজ পিচলৈ গৈ তাই এদিন মহাৰাজৰ সহযাত্ৰী হ'ব নোৱাৰেবুলি কৈ দিছিল। তাইৰ ভৰিত শৃংখল। সমাজৰ অৰ্থনীতিয়েও যে প্ৰেমৰ গতি নিৰ্ণয় কৰে এই কথা বিশ্বাস কৰিবৰ মন গ'ল। তাইৰ ভৰিৰ শৃংখল খোলাৰ ব্যৱস্থা কৰি মহাৰাজে এদিন পুনৰ সহযাত্ৰী হোৱাৰ আহ্বান জনালে তাইক। দুলু আৰু মনিহঁতৰ দায়িত্ব আগৰ দৰে সিহঁতৰ বুঢ়ীৰ দায়িত্ব হৈ ৰ'ল। সাৰশূন্য বংশ গৌৰৱ আৰু কল্পিত আভিজাত্যক কামুৰি ধৰি থাকি মাকে প্ৰত্যাখান কৰিলে সিহঁতৰ প্ৰতিশ্ৰুতি। কিন্তু তেতিয়া বহু পলম হৈ গ'ল।

সিহঁতৰ অনুষ্ঠানীয়া বিবাহ সম্পাদন উৎসৱত মই কন্যা-পক্ষৰ অৰ্থাৎ আৰতিৰ একমাত্ৰ সাক্ষী আছিলো। বিয়াৰ আঠবছৰৰ পিছতো যেতিয়া সিহঁতৰ সংসাৰত কোনো শিশুমুখৰ সম্ভাৱনা দেখা নগ'ল, তেতিয়া আৰতিৰ অন্তৰে হাহাকাৰ কৰি উঠিল। মহাৰাজে ক্লাবত আৰু বটল লৈ বেছি সময় বহা হ'ল। দুৰ্বল সোঁতত জাহি থকা খেৰ-কুটাৰ দৰে সিহঁতে ইজনৰ পৰা সিজনৰ দূৰে দূৰে উটি যাবলৈ ধৰিলে। আৰতিয়ে হাস্পাতালৰ শিশুবোৰৰ মাজত অধিক সময় কটাবলৈ ধৰিলে। কিন্তু ঘৰলৈ আহিলেই খাঁ-খাঁ কৰা জনশূন্য ঘৰৰ কোঠাবোৰত তাই এক তৃষ্ণা অনুভৱ কৰে। এই তৃষ্ণা সাগৰৰ পানীয়েও আঁতৰাব নোৱাৰে। সকলো ক্ষোভ, ৰাগ আৰু বিৰক্তিৰ বলি হয় ঘৰৰ [illegible] নিৰোতা বাসুৱনী। আধাঘণ্টামান তাইৰ ওপৰেদি অহেতুক ক্ৰোধবিলাক বাৰ কৰি দি আৰতি শান্ত হয় আৰু খোৱা মেজত বহে। বাসুৱনীয়ে [illegible] লাগতে যোগাৰি দেয়োৰা [illegible] [illegible] [illegible] [illegible] উপৰত একোবাৰ [illegible]

পৰিছিল। মানুহজনী তৎক্ষণাত কঁপি উঠিছিল। মুখৰ আৰু মুখী এঠাইত জোতাৰে আঘাত কৰা দাগ আছিল। আৱতিয়ে নিজৰ তৰি কেইটালৈ চালে, তাতো তেজৰ দাগ।

"গৌৰী 'গৌৰী" বুলি হৰ্ৰ্কাই কান্দি আৱতিয়ে মানুহজনীক সাৱটি মাৰি ধৰিছিল। মানুহজনীয়েও কান্দিছিল। "তোক মই জোতাৰে কোবালো গৌৰী।" নিৰক্ষৰা মানুহজনী হতভম্ব হৈ ৰয়। সমস্ত ভাই ধৰি ললে আৱতি এজনী আধা পাগলী তিৰোতা, তাই এনেকুৱা কৰেই।

এইবোৰ ঘটনা আৱতিৰ ঘৰত সাধাৰণতে ঘটিছিল। মোৰ ইঙ্গিতত এদিন দুপৰীয়া সিহঁত দুয়ো আৱতিহঁতৰ জনাই মাহীৰ ঘৰত গৈ উপস্থিত হৈছিল। পাঁচটা ল'ৰাছোৱালীৰে জীৱন দাৰিদ্ৰ্যত জ্বলা-কলা হোৱা এখন নিম্নবিত্ত সংসাৰ। তাতুৰ্য আৰু অভাৱৰ পৰস্পৰ বিৰোধী পৰিস্থিতি। মাহী নিশ্চয় খাজী হব। যোৱাৰৰ বাজী হৈ সুখ পাব, কাৰণ যোৱা এটা খাতজিৰ। সিহঁতক অন্তৰেৰে আশীৰ্বাদ কৰিব। এনেকুৱা ৰকমীমাহীয়ে বিহুৱে-সংক্ৰান্তিয়ে দুখন কাপোৰ, জুৰৰ ফিৰ, বুলি দহ টকা কুৰি টকা সিহঁতৰ পৰা আদায়েই থাকে। মাহীৰ ওপৰত আইৰ খৰৰ বিশ্বাস। মাহীৰ কোলাত উঠি তাই সকলোৰো কটাক্ষে বুজিব পাৰি।

"মই জানো, সি তহঁতৰ লগত থাকিলে ৰাজপুত্ৰ থাকিব। মোৰ ইয়াত কিটো খাইছে, কিটো পিন্ধিছে। কটনা কাটি ইফালে-সিফালে টানি আজুৰি কি পাৰিছো আৰু তহঁতে কি সহায় কৰিছে তাৰে কোনোমতে চলিছো। তহঁতৰ হৈছে, তাতু খাইছে, হক। তহঁতৰ পুত্ৰৰ-শিক্ষাৰটো আছে, খাৰ্তা নাই। আমাৰ, বুজাৰটো নাই, খাওঁতা এখাব। ইয়াকে মই কগাৰ।"

মাহী অসুখ হ'ল। আৱতিয়ে আনা খালতোৰ, কম এটা খাই খিৰ হৈ থকা সক বাগুৰি তাই, এবাৰ তালৈক চলেগ। আত্মজ আহুৰ প্ৰতিৰ ৰ'ল। [illegible] [illegible]। [illegible], [illegible]

থাকিলে দুখীয়াহঁতে তাৰ বাঞ্ছা ফুৰি উঠিব। আৰতিয়ে ভাবিলে ওচৰৰ ফুলবনতে প্ৰথমে নাম লগাই দি পিচত কি হয় চাব লাগিব। এইটো ল'ৰাই ভাল হব, বাকী দুটা ভাৱেৰাম ডাঙৰ হ'ল, নতুনকৈ ফুলত দিয়া অসুবিধা হব।

মাহীয়ে আকৌ আৰম্ভ কৰিলে, "মোৰ যো কিটো কথাৰে আছে ন' আই?" তেওঁ আকৌ এবাৰ বৈ মনে মনে থাকিল। তেওঁৰ মনটো চাপে পধুৰ লাগিছে। এবা অবন্তী মাহীজনী বৰ সৰল। ভাইৰ দুখ বুজে যদি মাহীয়েহে বুজে। মহাৰাজৰ মুখখন অলপ উজ্জ্বল হ'ল। তেওঁ মনে মনে আছিল, এনে এটা প্ৰস্তাৱ নিজৰ মানুহেই উত্থাপন কৰা ভাল। তেওঁ আৰতিৰ স্বামী হলেও স্বাহিৰা মানুহ। প্ৰস্তাবটোত ৰাজী হলেহে তেওঁ বৰ— এই মনোভাৱ লৈয়েই তেওঁ আহিছিল। আৰতিয়ে মহাৰাজলৈ চাই সন্তোষৰ হাঁহি এটা মাৰিলে। মাকৰে ভনীয়েক হলেও অবন্তী-মাহীৰ অন্তৰখন বেলেগ, বৰ কোমল।

"মোৰ আকৌ ভাতৃৰ যোগাৰ লগত বিয়া হোৱা কথা মই পিচতহে জানো। বাহিৰেৰে তোকেই দোষ দিলে, গালি-শপনিও পাৰিলে অনেক। ঘৰৰ পৰা যোৱে বিয়ালৈ তেওঁতো নগলেই কাকো যাবলৈও নিদিলে। মই যোজো হোৱা কথা হৈ গ'ল, গালি-শপনি পাৰি কি লাভ? তেওঁলোক পঢ়া-শুনা জনা মানুহ হলেও তোমাৰ ঘৰত থাকিবলৈ নাহে। তাতে পঢ়া-শুনা জনা মানুহ, ধৰ্মটো ডাঙৰ কথা নহয়। 'সেইবোৰ তোমাৰ যোৰহে বিচাৰ। পিচত সকলো ঠিক হৈ যাব। হাজাৰ হলেও জী-জোঁৱাই। মই হলে তেনেকৈহে ক'লো। পিচে নুশুনিলে।"

আৰতিয়ে ওচৰতে থিহি থকা মহাৰাজৰ কৰণত কোনেও নেদেখাকৈ চিকুত এটা মাৰি দিলে। দুখীয়া হলেও অবন্তী মাহীৰ অন্তৰখন উদাৰ। মাহীয়ে আকৌ আৰম্ভ কৰিলে, "পিচে সমাজ-ধৰ্মৰ কাৰণেহে। পিচত আটায়ে বুজিব। মই বিধবা দুখুনী মানুহ। কোনোকাৰে খান এদোন দিও মাহাই নকৰা ললাটেৰ [illegible]

ভৰিক উঠিব। বোলে হল বুলিনো আক বিধৰ্মীক ল'বাটো তুমি লখলৈ দিব লাগেনে ?"

মাহীৰ মুখৰ বং এইবাৰ বেলেগ হ'ল। সিহঁতৰ কাণে পিঠি দি বাহিৰলৈ চাই আকৌ ক'লে. "বেয়া নেপাবি দ' আই। তহঁতে অইন ক'ববাতে চেষ্টা কৰহঁক। ময়ো চাওঁ। পিচে মাহীয়েৰক নেৰিবি আকৌ।"

মহাৰাজে তলমৰ কৰিলে।

আকৌ এবাৰ ধমৰ কঠিন প্ৰাচীৰখনত মূৰ খুন্দিয়াই ঘূৰি আহিল। দয়া, মৰম, প্ৰেম, অনুৰাগ, মানৱীয়তা এই সকলো-বোৰৰ সীমনা এই অবাঞ্ছিত দেৱালখনেই নিৰ্দ্ধাৰণ কৰি থাকিব নে কি ? এই প্ৰাচীৰ অতিক্ৰম কৰি এই অনুভূতিবোৰ যোৱা নিষেধ।

সময় পাৰ হৈ গ'ল। মানসিক পৰিশ্ৰম বাদ দি মহাৰাজে কায়িক পৰিশ্ৰমত আত্মনিয়োগ কৰিলে। দুখিৰীখন পাহৰি থকাৰ উত্তম উপায়। মধুজি হলেই মদিৰাৰ কথা আৰু কতবুৰা পানীয়বে মনটোক সৰস কৰি অৰ—সেই প্ৰাচীৰত খুন্দিয়াই মৰম বিচাৰি যোৱা আৱত্তিহঁতক প্ৰাণভৰি পাহৰিবলৈ।

এই দেৱাল অতিক্ৰম নকৰাকৈ বৈতিয়া এটা বিকল্প প্ৰস্তাৱ আহিল এইবাৰ সিহঁত সঁচাকৈয়ে আনন্দত অভিভূত হ'ল। সিহঁতে এটা সন্তান পোহাটো নিশ্চিত। সন্ত্ৰান্ত পৰিয়ালৰ এবছৰীয়া মাতৃ-হীন সন্তান। ধৰ্ম মহাৰাজৰ জনক মিলে। আবত্তি পৰাভূত হলেও আপত্তি নকৰিলে। অৱশ্যে মাহীৰ ওচৰত অপমানিত হৈ তাই প্ৰতিজ্ঞা কৰিছিল এনে আশা নকৰো বুলি। এইবাৰ মহাৰাজৰ নিজৰ প্ৰস্তাৱত তাই সন্মতি জনালে। মাহীয়েকে যি প্ৰস্তাৱ বিনা-চৰ্তে প্ৰত্যাখ্যান কৰিলে এইবাৰ সেই প্ৰস্তাৱ আহিল চৰ্তসাপেক্ষে। দুই ভিন্ন ধৰ্মৰ স্বামী-স্ত্ৰীক সন্তান তুলি দিবলৈ পিতাক অসুবিধা আছে। এই অসুবিধা আঁতৰাবৰ এটাই চৰ্ত—স্ত্ৰীয়ে আগতে স্বামীৰ ধৰ্মত দীক্ষিত হব লাগিব, তাৰ পিচতহে সন্তান সমৰ্পণ কৰিব পৰা হব।

আবত্তি আকৌ আহি ধৰ্মৰ সিমূৰে প্ৰাচীৰখনৰ আগত থিয়

হুৰ লগা হল। কিয়? কিয় এই প্ৰাচীনকলীয়া মানুহৰ মনৰ খবৰ নেৰাখে? সুখ-সম্ভোগ, ঘৰৰ-স্নেহ, আবেগ-অনুভূতিক সংকুচিত কৰা এই নিষ্ঠুৰ লেৰাজধনক মানুহে কিয় মানি লব লাগে? আনুষ্ঠানিক ধৰ্মত মুষ্টেই আস্থা নথকা তাইৰ প্ৰেমাস্পদ মহাবাজুৰ কাৰণে এদিন ধৰ্মান্তৰিত হুৱৰ কাৰণে মানসিক প্ৰস্তুতি যোগাৰ কৰিছিল। আজিৰ এই প্ৰস্তাবে পুনৰ তাইৰ সকলো প্ৰস্তুতি চুৰমাৰ কৰি পেলালে। তাইৰ স্বকীয়তাত, তাইৰ চিন্তাৰ স্বাতন্ত্ৰ্যত আঘাত কৰা প্ৰস্তাৱৰ বিৰুদ্ধে তাই আকৌ সদৰ্পে থিয় হল। মনৰ মাজৰ পৰা সুপ্ত ঔপন্যাসিক থিয় দিলে। কিবা এটা যদি তাই কৰিব লাগে তাকে কৰিব নিজৰ ইচ্ছামতে, প্ৰলোভনত নহয়। কোনেও আৰোপ কৰি দিব নোৱাৰে। এক তীব্ৰ মানসিক সংঘাতৰ মাজেৰে তাই যাব ধৰা আৰম্ভিলে সেই প্ৰস্তাৱ মুখতে প্ৰত্যাখ্যান কৰিলে। সুজাৰ নোৱাৰা অভৰ্থিত তাইৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। এই কাহিনী মই জানো। তাক জানো তেতিয়াৰ পৰা সিহঁতে দুয়ো দুয়োৰো পৰা ক্ৰমাৎ আঁতৰি পৰিছে। জানো কাৰণেই সিহঁত দুয়োৰো প্ৰতি মোৰ সহানুভূতি আৰু সৌহাৰ্দ্য অটুট আছে। কিন্তু অকাৰণতে হলেও মোৰ এটা কৈফিয়ৎ লাগে। মই নিজেও এটা কৈফিয়ৎ প্ৰস্তুত কৰিব লাগে। মই মহাবাজুৰ ওচৰত বিশ্বাসঘাতকতা কৰিব নোৱাৰো। তিতাৰ আগত মই বিষাদ অনুভৱ কৰিছিলো। মোৰ বিস্ফাৰিত চকুত বোধহয় ই ফুটি উঠিছিল। তাকে লক্ষ্য কৰি তাই পুনৰ আৰম্ভ কৰিলে।

"নিতান্ত অস্পষ্ট নহলে কোনো পুৰুষে কাহিনী এই পৰিস্থিতিক বাস্তৱ জনাব নোৱাৰে যে সেই কথা মই জানো। আজিকে তুমিও নোৱাৰিলা। কিন্তু তুমি যি অভৰ্থিত অতীৰ ধৰিছা মই তাতেই তেতি তুলিছো। মোৰ দোষৰ ক্ষমা নাই। তুমি মোক পাপৰ ক্ষমা কৰিবা। মই যৰ দুৰ্বল [illegible] কৰিছো, মোৰ [illegible] নিশ্চিতৰ ঠাই পৰিস্থিতি কৰিছো। মহবুৰ মই [illegible] [illegible] [illegible] [illegible]

পিল একেজাপে খাব পাৰিব লাগিছিল। মই নোৱাৰিলো। দুটা পিল খাই শেষ কৰোঁতে তোমাৰ নিৰ্দোষ মুখখনে মোক বাধা দিলে। তাৰ পিচত আহিল মহাৰাজৰ মুখখন। এখন এখনকৈ আৰু বহুতো মুখ মোৰ চকুৰ আগত জিলিকি উঠিল। সেই মুখবোৰে ক'লে—তুমি যদি নিজে নিঃচিহ্ন হৈ যাবলৈ ঠিৰাং কৰিছা তাকে কৰা, কিন্তু আনক জীয়াতু ভুগোৱাৰ অধিকাৰ তোমাৰ নাই। মহাৰাজে যেন ক'লে তুমি ধৰ্মান্তৰিত হব নেলাগে। আমাক সন্তান নেলাগে। তুমি ঘূৰি আহা।

বাকীকেইটা পিল মই খাব নোৱাৰিলো। আজি মই ঠিৰাং কৰিছো মই দাক্ষিত হয়। মই সন্তান এটা বিচাৰি নয়। মহাৰাজক সুখী কৰিম।

হঠাতে তাই মাটিত বহি পৰিল। মোৰ ভৰিত তাইৰ দুটোপাল তপত চকুলো সৰি পৰিল।

কালি ৰাতি দুটা পপীয়া তৰা একে লগে কক্ষচ্যুত হ'ল।



নতুন লিপি

"অনুভৱ কৰিছো যেন
বুকুফাটি যাব খোজা
এক ৰক্তাপ্লাত মানুহে
মানুহে উত্তপ্ত, উজ্জ্বল।

—সদা শইকীয়া

হৰমোহন চৌধুৰী আমাৰ হেডমাষ্টৰ আছিল যদিও আমি তেখেতক অঞ্চলটোৰ এজন অতি গণ্যমান্য আৰু নেতৃস্থানীয় ব্যক্তি বুলিহে জানো। তাৰ কাৰণ আছিল আমিবোৰে তেখেতৰ হাইস্কুলত দুই-তিনি শ্ৰেণী পঢ়াৰ পিচতে অৱসৰ লৈছিল। অৱসৰ লোৱাবো হল আজি কুৰি বছৰ। তেতিয়া আমি সৰু সৰু ল'ৰা। এনেয়েও তেখেতলৈ ভয় কৰিছিলো যদিও আমাৰ লগত তেখেতৰ প্ৰত্যক্ষ যোগাযোগ নাছিল। ক্লাচ-মাষ্টৰেই আমাৰ নাড়ীনক্ষত্ৰ তাৰ্কে জানিছিল বুলি ভাবিছিলো। আচলতে আমাৰ খুড়াইদেউহঁতেই হৰমোহন চৌধুৰীৰ নামত আমাৰ মনত বিভীষিকাৰ সৃষ্টি কৰি থৈছিল। তেওঁলোকে আৰম্ভণি পৰা মেট্ৰিক পাচ কৰালৈকে বা কোনোমতে মাজতে শিক্ষা সাং কৰালৈকে তেখেতক প্ৰধান শিক্ষকৰূপে পাইছিল বোলে। স্কুলৰ পৰা ওলাই ঘৰ-গৃহস্থী কৰা খুৰাহঁতৰ লগৰ মানুহে আমাক কৈছিল, "তহঁতে বাৰুকৈ হৰমোহন চৌধুৰীক হেডমাষ্টৰ হিচাপে নেপালি। পোৱাহেঁতেন বুজিলিহেঁতেন কি বাঘৰ লগত হাপে তেউৰা-তেই কৰিছহঁক। হেডমাষ্টৰক বাটত ক'ৰবাত দূৰৰ পৰা দেখিলেই হয় আমি আনফালে বাট লওঁ, নহয় দোকান ঘৰ বা গছৰ আঁৰত লুকাওঁ। আমি ল'ৰা-বোৰেহে নেৰাপে মাষ্টৰ সকলেও পৰাপক্ষত হেডমাষ্টৰৰ আগত কথা কবলৈ ইতস্ততঃ কৰে।" খুৰাহঁতৰ মেলত শুনো —"আছিল এজন হেডমাষ্টৰ বুলিহে। আছিলহে বুলিছো আৰু" তেওঁলোকে কথাৰ গুৰুত্ব এনেকৈয়ে বুজাবৰ চেষ্টা কৰে, বিশেষণ বিচাৰি হাবাথুৰি খাই নুবুজিব। "ক'ৰবাত দুষ্ট-বদমাচ ল'ৰা আছে যদি সে

মাৰ্গ জনাই 'হৰমোহন চৌধুৰীৰ' জুনত। অৱহেলৰ নৌ হওঁতেই নেওঁৰকটা বাঘহেন ল'ৰা সুৰ-সুৰীয়াটো হৈ বুলিব মহৰ। আজি-কালিৰ পাটিচৌমান অপৰা চুজি আৰু দদৰা পক সোমাৰ পৰা ঘহৰ ঠৈতা পিন্ধা সোপাক পাৰ জানিছিল হৰমোহন হেড-মাষ্টৰে। একেবাৰে ঠিক কৰি পিন্ধাইছেঁতেন মহৰ।"

চাহ বাগিছাত কাম কৰা আমাৰ মোমাইদেউ একজনেও কোৱা শুনিছিলো তেওঁৰ বাগিছাৰ ফটিহ মেনেজাৰৰ কথা প্ৰায় এনেদৰে। হকুট দীঘল, তেজে ফুটু ফুটু কৰা ৰঙা মুখ আৰু ৰঙা চুজি। দেখিলেই সিংহপুৰুষ যেন লাগে। আজি-কালিৰ দৰে বাগিছাত হৰতাল, ধৰ্মঘট কৰিব পাৰিলেহেঁতেন নে মানুহে? কেতিয়াও নোৱাৰে।

খুৰা আৰু মামাহঁতৰ মনত ত্ৰাস সঞ্চাৰ কৰা মানুহবোৰেই আছিল আমাৰো নেতৃস্থানীয় আৰু নমস্য ব্যক্তি। আমাৰ মৌজা-টোকে ধৰি ওচৰৰ মৌজাবোৰৰ সীমাৰ বাহিৰৰ বহু বেটি খবৰ নৰখা আমিবোৰে যেয়ে ত্ৰাসৰ সঞ্চাৰ কৰিব পাৰে তেনে লোককে আমি নমস্য সিংহপুৰুষ বুলি ধৰি আছিলোঁহক। মুঠতে সমাজ-খনৰ ওপৰত কোনো ব্যক্তিৰ প্ৰভাৱ অলৌকিক শক্তিৰ দ্বাৰাহে সম্ভৱ হয় বুলি আমাৰ ধাৰণা আছিল। চৰকাৰী চাকৰি নকৰে কাৰণে আৰু গোচাক-পাত্তিতো ৰাজনীতিবিদৰ ধকল-কৰণ দেখি আমি চৌধুৰীক স্বাধীনতাৰ যুঁজাৰু বুলিয়েই ভাবি আছিলো। আমাৰ ধাৰণা ইমান বদ্ধমূল হৈ পৰিছিল যে স্বাধীনতা লাভৰ কাৰণে কি ৰকম আগবঢ়াইছিল তাক জনাৰো কোনো প্ৰয়ো-জন অনুভৱ কৰা নাছিলো। আমি জানো তেখেত এজন স্পষ্ট-বাদী আৰু সাহসী লোক। সতিক যেনে সেয়ে তেওঁৰ আৰ্হি দেখা নাছিল।

তেওঁৰ সমবয়সী সকলে কৈছিল তেওঁ এজন সাহসী চিকাৰী আছিল আৰু দুই এটা বাঘো মাৰিছিল বোলে। দুখনমান পুৰণা কাকতৰ মাজত দেখিছিলোঁ বোলে আৰু দিয়ে আছিল কৰি তাত বাস্তুকিল? তেওঁ "চিতৰ" পিঠ-পিতলৰ লেখা তেওঁৰ কাৰিয়াবোৰ

সমসাময়িক আলোচনীত প্ৰকাশ পাইছিল আৰু কিছুমান [illegible] দিন ধৰি অপ্ৰকাশিত অৱস্থাত থাকি উইঁয়ে লৈছিল। অৱশ্যে সেই যুগত প্ৰকাশ হোৱা আলোচনীৰ সংখ্যাও নিচেই তাকৰ আছিল। তেওঁৰ কবিতাত আছিল হাতত ভীমৰ গদা লৈ বিপদৰ মাজি আগবাঢ়ি যাবলৈ কোৱা উদাত্ত আহ্বান। সেই সময়ত যেইবোৰক দেশপ্ৰেমমূলক কবিতা বুলি ধৰিছিল কাৰণে তাৰ ৰেওৱাজ এতিয়াও আমাৰ মনত কিছু কিছু আছে। আঞ্চলিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ লগত চৌধুৰী হেডমাষ্টৰক সংশ্লিষ্ট কৰি ললে তেনে অনুষ্ঠানৰ গাম্ভীৰ্য্য আৰু মৰ্য্যাদা বাঢ়ে বুলি সকলোৱে তেখেতক মঞ্চলৈ বিচাৰে। তেখেতে পৰাপক্ষত তেনে অনুৰোধ ৰক্ষা কৰে, বিশেষকৈ অৱসৰ গ্ৰহণৰ পিচত। প্ৰথমতে অৱশ্যে তেকাহঁতে দুই এটা ধমকি খাবলৈ সাজু থাকিব লাগিব, তাৰ পিচতহে তেওঁক ৰাজী কৰাব পৰা যায়। চৌধুৰী হেডমাষ্টৰক সভাপতি ৰূপে পোৱা মানে তাহানিৰ মানিক চন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদিক পোৱাৰ নিচিনা লাগে। এজন আতে-পাতে থাকি অসমীয়া মানুহ। আছিল এই মুহূৰ্তত এনে এজন মানুহকে লাগে আমাক।

এনেবোৰ আলোচনা হলে আমাৰ মাজৰ লগৰে কয়, "কোন মুহূৰ্তত নেলাগে আমাক। তেনেদৰে চিন্তা কৰিলে সদায়ে লাগে।"

লগনে তেনেকৈয়ে তাৰ মতামত আগবঢ়ায়। তাৰ অৰ্থ এয়ে যে সি প্ৰস্তাৱটো সমৰ্থন কৰিব পৰা নাই। ব্ৰজমোহন চৌধুৰীদেৱক তেওঁৰ পুত্ৰেক পৰমানন্দ তাৰ আদৰ্শৰ মানুহ। পাছিলে সি ব্ৰজমোহন চৌধুৰীদেৱক পুত্ৰেক ৰমন চৌধুৰীকহে আমাৰ সভাৰ কোনোবা সভাত সভাপতি বা বিশিষ্ট বক্তা কৰি আনিব খোজে। আলোচনীৰ সমৰ্থনৰ অভাৱ [illegible] কৰি সি [illegible] তেনে প্ৰস্তাৱ এটা আগবঢ়াব পৰা নাই [illegible] এটা [illegible] মাথো মনে মনে ৰাখে। [illegible]

মোটেই জীৱনটো আগত ধৰি আছে তাৰ। লেখাৰ অভ্যাস নেৰিলে তাৰ মাজত যে এক বিৰাট সম্ভাৱনা আছে সেই কথাও সি মাজে মাজে আমাক শুনাই থাকে। কিন্তু আমাৰ সংঘৰ ডেকাহঁতৰে তাক ভাল নেপায়। হৰমোহন চৌধুৰীৰ লগত পৱন চৌধুৰীৰ তুলনাই মহৎ, হব নোৱাৰিছে—সি হৰমোহন হেডমাষ্টৰৰ পুতেক। এই তুলনাটো সিহঁতে কৰা ধাৰণাহে। আচলতে জগনহঁতে কেতিয়াও তুলনা কৰি হৰমোহন চৌধুৰীৰ গুৰুত্ব লাঘৱ কৰিব খোজা নাই।

"এইবোৰ কথাবোৰেই কিবা পাক লগা। আমি কিবা নুবুজোনে?"

"হয়, কিবা এটা ওলালেই আৰ্থ-সামাজিক অৱস্থা, সমাজ-চেতনা, আৰ্থিক সংঘাত এইবোৰ কথাহে ওলায় তাৰ মুখত-তেহেলৈ সাহিত্য বিষয়েই হ'ক বা ৰাজনীতিয়ে হ'ক।"

"শ্ৰেণী সংঘৰ্ষৰ কথা কয় নেকি? এ তেতিয়া হলে সি কমিউনিষ্ট। তাক বাদ দিয়াহে কথা।"

"এ বাদ দে, বাদ দে, সেই বিদেশী আৰু বিজাতীয় ভাব-ধাৰাৰ কথা। আমাক লাগে আমাৰ জাতিৰ কথা।" আমাৰ মাজত পৱন সম্বন্ধে আলোচনাবোৰে এনে ৰূপ লয়ে গগনে মুখ পাতি লয়।

"কি বিজাতীয় কথা কয় ক'চোন তাৰে দুটামান।" গগনৰ মুখত সি ৰতনক বাবে।

"কি আৰু কয়? কিন্তু কি লেখা কয় সি আথামুণ্ড একো বুজিব নোৱাৰি।"

গগনৰ মুখ হাঁহি উঠি গ'ল। সি হাঃ হাঃ কৰি হাঁহি দিলে।

"বাবে কোন দৃষ্টিকোণৰ পৰা সি কথাবোৰ বিচাৰ কৰে বুজিবলৈ টান।"

আৰু এটাই তাৰ অনুচিত একমাত্ৰটো সহজ কৰিবলৈ চেষ্টা কৰি আকৌ কলে, "হয় হয়, আমাৰ এতিয়া জাতি আৰু সাহিত্য বিপদাপন্ন। জাতিৰ উন্নতি কৰা আৰু সাহিত্যৰ সমৃদ্ধ কৰাৰ

উপায় কি দিব পাবে তেনে মানুহহে লাগে।"

বিপিনে ক'ববাব পৰা দুটা এটা কথা মুখস্থ কৰিছে। "কি চিন্তাত জাতিব আৰু মাটিব লোভ নাই তেনে সাহিত্য আমাক নেলাগে।" আমাৰ দুজনমানে বিপিনক অধ্যয়নশীল মানুহ বুলি ভাবে। 'হয় হয়' বুলি সকলোৱে তাক সমৰ্থন জনালে।

কিন্তু গগনেও আজি-কালি পৰৰ দৰে কথা কবলৈ শিকিছে। সিও কলে, পাকিস্তানৰ স্বাধীনতাখানেও ইছলাম বিপন্ন বুলি ভোকাতুৰ জনগণৰ পেটৰ জ্বালা পাহৰাবলৈ চেষ্টা কৰিছিল। দেশ বিভাজনৰ আগতে জিন্নাৰ দলেও সেই একেই আবাও দিছিল— ইচলাম বিপন্ন।

"সেয়া কেৱল নহয় তাৰ সকলোতে বিদেশী কথা।"

চৌধুৰীৰ নিচিনা গুণী, জ্ঞানী আৰু জাতীয় ভাৱাপন্ন মানুহৰ পৰন চৌধুৰীৰ নিচিনা পোৱাৰ পুত্ৰ হল বুলি আমাৰ সভ্যৰ সকলোৱে হায় হায় কৰে। যিজন পিতৃৰ আদৰ্শই হেজাৰ জনৰ মন আকৰ্ষণ কৰিলে, সহস্ৰ জনক উৎসাহ যোগালে, কিন্তু নোৱাৰিলে নিজ পুত্ৰক। পৰনৰ আদৰ্শ আৰু অৱদান লঘু কৰাতেই আমাৰ আলোচনা শেষ হয়। হৰমোহন চৌধুৰীৰ সাহিত্যিক অৱদান আমাৰ কোনোদিনে আলোচনা কৰা নহল।

কিয়ে নহ'ক, হৰমোহন চৌধুৰীক এটা সাহিত্যিক সম্বৰ্দ্ধনা জনোৱাটো ঠিক হ'ল। তাৰ আগতে 'অসমীয়া সাহিত্যত প্ৰগতিশীল সাহিত্যৰ ধাৰা' শীৰ্ষক আলোচনাটো সম্পৰ্কে প্ৰতিত কথা হ'ল। এই সম্বৰ্দ্ধনাৰ প্ৰস্তাৱৰ ৰূপে তেখেতে নিশ্চয়, এজন দীঘলীয়া ভাষণ পাঠ কৰিব। হৰমোহন চৌধুৰীৰ শ্ৰেষ্ঠ সাহিত্য-কৃতি ৰূপে এই ভাষণখন আমাৰ সাহিত্য চ'ৰাৰ সভ্যৰ পৰা প্ৰকাশ কৰাৰ দিহা কৰা হব। চৌধুৰীৰ নামতে আমাৰ "সাহিত্য-কুসুম" প্ৰতি-ষ্ঠানটোৰো নাম এটা থাকি যাব। কুমাৰ-প্ৰেমমাহৰ কমে এইখন চিঠি উলিওৱা সভৰ হৈছে। এদিনকে এইচিনি বাতৰ লিখিলে ভাষণখন পূৰা নহব। চৌধুৰীৰ [illegible] [illegible] তেখেতক [illegible]

হাৰ এজন লগত নিব পাৰিলে ভাল আছিল। পিচে বহু চিন্তা কৰিও হাতত্তে পোৱা তেনে মানুহ বিচাৰি উলিয়াব পৰা নহল। যি দুই-এজন আছে তেওঁলোকে খেতি-বাতি কৰি বা সাধাৰণ কেৰেণী-মহৰী কৰি কোনোমতে জীৱন নির্বাহ কৰাত ব্যস্ত। এই-বোৰ কামলৈ আগ্ৰহ বা আজৰি কম। গতিকে তেখেতৰ বন্ধু-শ্ৰেণীৰ এজনকে নিয়াৰ কথা চিন্তা কৰা হ'ল। সিও সম্ভৱ নহল। শেষত আমি তিনিজনেই অকলে যাবলৈ ঠিক কৰিলো। গ'লো।

কিন্তু চৌধুৰীয়ে গোনচাটেই এই সম্বৰ্দ্ধনা লবলৈ অস্বীকাৰ কৰিলে। আলোচনাৰ মাজলৈ আনি আমি তেখেতৰ পৰা সন্মতি আদায় কৰিব পৰা ক্ষমতা আমাৰ ভিতৰত এজনৰো নাই।

"কোনে শুনিব এই বুঢ়াৰ কথা? তহঁতে শুনিবি?" চৌধুৰীয়ে শেলম মিহলি ক্ষীণ সুৰত ক'লে, "তহঁতে মিছাতে হৰমোহন চৌধুৰীৰ নাম থুই পানী খোৱাৰ ব্যৱস্থা কৰিব নেলাগে।"

চৌধুৰীৰ কথাত আমি তৰামতে কঠোৰতা নেপালো। কথাৰ সুৰত আগৰ কৰুণতা কমিছিল। আমি অলপ সাহস আৰু উৎসাহ পালো। আমি লাহে লাহে ক'লো যে ই আমাৰ বহুদিনৰ আশা, আজিৰ নহয়।

"নাই নাই, তহঁতে কলেই নহব। কাৰো ধৈৰ্য্য নহব মোৰ কথা শুনিবলৈ। তহঁতে নিশ্চয় সেই সভাত মাজে মাজে দিব পৰা নাচ-গানৰ ব্যৱস্থা কৰিছ, নহয় জানো? তাকে অলপ বহলাই কৰ। সেয়ে হব।" "কৰিম চাৰ, কিন্তু আপুনি আপোনাৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত এটি ভাষণ দিবই লাগিব। সেয়ে আমাৰ সাহিত্যৰ কাৰণে ডাঙৰ সম্পদ হব।"

"আজি তিনিবছৰে ধৰি মই কলম হাতত লোৱা নাই। পুৰণা কলমটো দলিয়াই পেলাই দিলো। নতুন কলম এটা লম বুলি ভাবি আছো।"

এই বুলি কৈ বৃদ্ধ কবুতৰ সুমন নিম্নাভ হৈ থাকিল। আমিও

নিজাত। ঘৰ কণ্ঠকৰ নীৰৱতা। এই নীৰৱতা ভাঙি আকৌ আমাৰ আলোচনাটো কেনেকৈ ঘূৰি যাওঁ—আমি তাৰ উপায় বিচাৰিছো।

“চাৰ, লেখাৰিনি আমি কৰিম। আপুনি মাত্ৰ কৈ যাব।” চৌধুৰীয়ে এটা লেঁতা হাঁহি মাৰিলে। সেই হাঁহিত হৰমোহন চৌধুৰীৰ বয়সৰ দৰে কঠিন মনটো ভাঙি যেন কাহানিবাই ভৰি হৈ পৰিল। তেখেত ৰাজী হব, ৰাজী হব এটা চৰ্তত। আমি বুজিলো সি হব আমাৰ ধৈৰ্য্যৰ পৰীক্ষা। তেখেতে বোধহয় আমাৰ বাস্তৱিকতাক পৰীক্ষা কৰি চাব খুজিছে। আমাৰ নিচিনা ডেকাবোৰৰ ওপৰত যে চৌধুৰীৰ আস্থা কম, সেইকথা প্ৰায়ে প্ৰকাশ কৰা দেখা যায়। গতিকে আমিও বদ্ধপৰিকৰ তেখেতক যেনে তেনে সন্তুষ্ট কৰিবই লাগিব।

চৌধুৰীৰ চৰ্তানুসৰি আকৌ এদিন আমি তেখেতৰ ঘৰত উপস্থিত হলো। তেখেতক প্ৰতিশ্ৰুতি দিয়ামতে আমাৰ পাঁচজন সত্য সময়মতে তেখেতৰ ঘৰত উপস্থিত হব নোৱাৰিলো। তিনি-জনহে গলো, তাকো নিৰ্দ্দিষ্ট সময়তকৈ আধাঘন্টাৰ পিচত। আমাৰ অপ্ৰস্তুত অৱস্থা দেখি চৌধুৰীয়েই হাঁহি মাৰি কলে, “আহা আহা একো নহয়। এইটো জাতি এনেকুৱাই। তোমা-লোকে আজি মুখৰ কথা আমাৰতে সকলো পৰিবৰ্ত্তন কৰি দিব নোৱাৰা। তেওঁলোক আহি থাকিব পিচত।”

আমি কেইজনেই আলোচনাত বহিলো। আলোচনা মানে কোনো বিশেষ বিষয়ৰ আলোচনা নহয়। বা কি আলোচনা হব তাকো আমি কব নোৱাৰো। তেখেতে কৈ থাকে আমি বোধহয় শুনিবহে লাগিব।

“১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনটোৰ কথা তাজদৰে মনত থকা তোমালোকৰ মাজত কোনোবা আছেনে বাৰু?” আমি ইজনে সিজনৰ চিনাকি মুখবোৰকে এনেয়ে এবাৰ চালো। নাই, আমিবোৰ তেতিয়া হাইস্কুলৰ ষষ্ঠ-সপ্তমমানৰ শ্ৰেণীৰ ছাত্ৰ আছিলো।

"নাই নহয় ? তোমালোকে বোধহয় জনা মই স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰা নাছিলো। কৰ থলে মই পৰ্য্যবেক্ষকহে আছিলো। স্কুলৰ কামতে সদায় ব্যস্ত আছিলো। পোন্ধৰ আগষ্টৰ পুৱাৰ সেই অভূতপূৰ্ব জন-সমাবেশত তোমালোকৰ দুজনমান ডেকাই গাঁৱলীয়া মানুহকেইজনমানক সুধিছিল, "কোৱা-চোন ককাই, তুমিটো আজিৰ পৰা স্বাধীন হলা। বৃটিছবোৰ গলগৈ। এতিয়া তোমাৰ কি লাভ হব?"

"মই ওচৰতে থিয় হৈ সিহঁতৰ কথা শুনি আছিলো। মানুহকেইটাই এনে প্ৰশ্নৰ উত্তৰ দিব লগা হব বুলি বোধহয় কেতিয়াও ভবা নাছিল। পাৰ ভাঙি যোৱা পানীৰ সোঁতৰ নিচিনা জনতাৰ লগতে সিহঁতো আহিছিল নগৰলৈ প্ৰথম স্বাধীনতা উৎসৱত ভাগ লবলৈ—ইমানেই। এটাই উত্তহা উত্তৰ এটা দিলে, "স্বাধীন হলো আকৌ। লাভ লোকচান কিহৰ?" লগৰটোৱে তাৰ উত্তৰটো ভালযেন নেপাই কৈছিল "নহয়, তোক সুধিছে তোৰ নিজৰ কি লাভ হ'ল। তাকেহে কব লাগে। আনৰ মানুহটোৱে তাক ক'লে, "তয়ে ক'চোন তোৰ কি লাভ হ'ল?"

"আমি ছাগে খাজনাপাতিবোৰ আৰু দিব নেলাগিব।" ইটোৱে ভপৰাই কলে। উৎসাহ পাই আনটোৱে তেতিয়া যোগ দিলে "স্কুলতো মাচুল দিব নেলাগিব ছাগে।" তেতিয়া ল'ৰাকেইটাই হাঁহি হাঁহি কৈছিল, "এটা কথা নহয় ককাই, মাটিৰ খাজনা নিদিলে স্কুলৰ ফিজ নিদিলে চৰকাৰটো বা স্কুলটো কেনেকৈ চলিব?

"এৰা জানো। আমাৰেই দেশ, আমাৰেই মানুহ। এতিয়া দেশ চলোৱাসকলে যি ভাল দেখে কৰিব আৰু।"

'এতিয়া বুজিলা, তেতিয়ালৈকে এই মানুহবোৰক স্বাধীন দেশ এখনত সিহঁতৰ কি অধিকাৰ হব সেইকথা সূৰ্ণাক্ষৰেও জানিবলৈ দিয়া নাছিল। কৃষক এজনৰ কি অধিকাৰ, বনুৱা এজনৰ কি অধিকাৰ, মোৰ নিচিনা শিক্ষক এজনৰ কি অধিকাৰ—সেইবোৰ কথা আলোচনা

কৰিবলৈ কোনো সুবিধা দিয়া নাছিল। মাত্র এটা কথাই সৰ্বদা দোহৰা হৈছিল—দেশ স্বাধীন হব লাগে। কৰিছিল, মানুহে সেইদৰে। বহুত মানুহ জীৱনলৈ ঘূৰি নাহিল আৰু বহুত মানুহৰ মাটি-বাৰী নীলামত গৈ লাওলোৱা হল। অথচ কিমান বিশ্বাসেৰে এই কষ্টলব্ধ স্বাধীনতাৰ ভাৰ নিৰ্বিবাদে আমাৰ নিচিনা আৰু আমাতকৈ ওপৰ শ্ৰেণীৰ মানুহখিনিৰ হাতত সমৰ্পণ কৰি দিলে। গুণী, জ্ঞানী, বিবেচক আৰু সৎশ্ৰেণীৰ মানুহ যেতিয়া দেশবাসীৰ উন্নতি সাধন কৰিব পাৰিব এয়ে আছিল জনসাধাৰণৰ সবল বিশ্বাস। কিন্তু হল কি আজি? দুখীয়াবোৰ বেছি দুখীয়া হল আৰু ধনীবোৰ অধিক ধনী হল।"

চৌধুৰীয়ে আমাৰ চকুলৈ চালে—বোধকৰো তেওঁৰ কথাবোৰ আমি কিমান হৃদয়ঙ্গম কৰিছো তাকে উমান লবলৈ। কিন্তু এইবোৰ সদায় কাগজে-পত্ৰে পাই থকা কথা। এইবোৰ কথা কবলৈকে হৰমোহন চৌধুৰীয়ে আমাক মাতিছিলনে? কিন্তু আমাৰ এজনে চৌধুৰীৰ কথাত যোগ দিলে—"চাৰ, দেশখন অসৎ লোকেৰে ভৰি পৰিল। আমাৰ দেশত বৰ্ত্তমান সকলোৱে কেনেকৈ ঠগ প্ৰবঞ্চনা কৰি নিজৰ অৱস্থা সচ্ছল কৰিব পাৰে তাকে চিন্তাত আছে। সেই কাৰণেই এনে হৈছে।"

"নহয়, নহয়। মোৰো সেই ভুলেই হৈছিল। ময়ো সেই ভুল ধাৰণাৰ বশবৰ্ত্তী হৈ নিজকে বৰ সজ মানুহ বুলি প্ৰতিপন্ন কৰিছিলো। এইবোৰ হ'ল sterile thoughts পঙ্গু আৰু নিস্তেজ যুক্তি। সৎ আৰু অসৎ এই দুইবিধ মানুহ পৃথিৱীৰ সকলোতে আছে। ই একো বিচিত্ৰ কথা নহয়. আচল কথা নীতিটোহে। কি নীতিত আমাৰ দেশখন চলিছে সেইটোহে কথা।"

আমি তেৰা আখি তেওঁৰ মুখলৈ চাই আছিলো। আমাৰ দৃষ্টিত মূঢ়তা প্ৰকাশ পাইছিল, সেই কথা বুজি চৌধুৰীয়ে পুনৰ সহজ ভাষাত আৰম্ভ কৰিলে:

"সকলোৱে দুবেলা দুসাঁজিখাবলৈ পাব লাগিব, তাৰ কাৰণে

উপাৰ্জনৰ সুবিধা পাব লাগিব, দুসাজ কাপোৰ পিন্ধিবলৈ পাব লাগিব; সকলোৰে ল'ৰা ছোৱালী স্কুললৈ যাব পাব লাগিব আৰু আমাৰ প্ৰয়োজন আৰু সামৰ্থ অনুযায়ী সকলো সামগ্ৰী পাব লাগিব আৰু আমি দিম আমাৰ সামৰ্থ অনুযায়ী শ্ৰম। এইবোৰ আমাৰ মৌলিক ক্ষমতা; কোনোবাই দয়া পৰবশ হৈ দিয়াৰ কথা নহয়। কিন্তু এই অধিকাৰখিনি স্বাধীনতাৰ আগতে আমাক শিকোৱা নহল। স্বাধীনতাৰ পিচত বিভিন্ন শ্ৰেণীয়ে যেতিয়া এই অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা কৰিলে তেতিয়া আৰম্ভ হ'ল নানা ৰকম নিৰ্য্যাতন। আৰু আমাৰ নিচনা শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে আমাৰ ওপৰ শ্ৰেণীৰ নিৰ্দেশমতে নানা ৰকম সাৰ-শূন্য যুক্তি দি মূল সমস্যাবোৰ ঢাকি ৰাখিবলৈ চেষ্টা কৰিলো। ভোকাতুৰ মানুহৰ পেটত পামোহাৰ বাজচো টানকৈ দিবলৈ কৈ আমি ধৰ্মৰ বাণীৰে তেওঁলোকৰ নৈতিক উন্নতি সাধন কৰিবলৈ চেষ্টা কৰিলো। দেশপ্ৰেমৰ নামত ধৰ্ম, ভাষা, জাতি বিভেদৰ বীজ ৰোপন কৰাত লাগিলো।"

আমি আহিছিলোঁ চৌধুৰীৰ সাহিত্যিক জীৱনৰ অভিজ্ঞতাৰ কথা শুনিবলৈ। চৌধুৰীয়ে এইদৰে ৰাজনীতিৰ কথা কোৱাত আমি আচৰিত হলোঁ। চৌধুৰীয়ে এইবোৰ কয় কি?

একেবাৰে নিমাত হৈ থকাজনকৈ প্ৰদীপে এইবাৰ যোগ দিলে, "চাৰ! ৰাজনীতিত দ'ল-বাগৰা কাৰবাৰ যিদৰে আৰম্ভ হৈছে আৰু শাসনযন্ত্ৰত দুৰ্নীতি যিদৰে দিনক-দিনে বাঢ়ি আহিছে তালৈ চাই আমি গণতন্ত্ৰৰ উপযোগী নাই হোৱা বুলি ভাব হয়।"

"সেইটো একেবাৰে ভ্ৰান্ত ধাৰণা। এবাৰ ভাবি চোৱাচোন কোনবিলাক দ'লৰ মানুহে দল-বাগৰ দিছে? সেই মানুহবোৰৰ শ্ৰেণী-চৰিত্ৰ, সিহঁতৰ উদ্দেশ্য আৰু কোন আদৰ্শৰ প্ৰতি দায়বদ্ধ এইবোৰ কথা বিশ্লেষণ কৰি চাইছানে? চালে দেখিবা সকলো দ'লৰ মানুহে দ'ল সলনি কৰা নাই। যাৰ মূলতঃ কোনো আদৰ্শই নাই তেনে লোকেহে দল সলাইছে।" চৌধুৰীয়েই আকৌ আৰম্ভ

কৰিলে :

"আকৌ সেইবিলাক মানুহৰ নিজৰ দৃষ্টিকোণৰ পৰা চালে দেখিবা দ'ল বাগৰা মানুহবোৰে কোনো অন্যায় কৰা নাই। কাৰণ তোমাৰ ভোটটোৱে সিহঁতক সেই কাম কৰাৰ লাইচেন্সখন দি থৈছা।"

চৌধুৰীয়ে সকলো কথাৰে খেলি-মেলি কৰি এটা স্ব-বিৰোধী উক্তি দি পেলাইছে যেন লাগিল আমাৰ। যি মুহূৰ্তত দেশৰ সকলো মানুহে দ'ল-বাগৰা কথাটোত শঙ্কিত হৈছে তেনে কাৰ্য্যত তেওঁৰ পৰোক্ষভাৱে হলেও সমৰ্থন কৰা যেন লাগিল। "আৰু সেইদৰে সেই দুৰ্নীতিগ্ৰস্ত লোকসকলকো ধৰা নপৰালৈকে অশেষ সহানুভূতিৰে বিচাৰ কৰিব লাগিব।"

আমি এইবাৰ ভাবিলো হৰমোহন চৌধুৰীৰ মানসিক অৱস্থাৰ ভাৰসাম্য বাৰ্দ্ধক্যই কিজানি নষ্ট কৰিবৰ উপক্ৰম কৰিছে। আমাৰ দুজনমানে ইতস্তত: কৰিলে। চৌধুৰীৰ পৰা বিদায় লব পাৰিলেই যেন তেওঁলোকে ৰক্ষা পায়।

প্ৰদীপেই সাহস গোটাই সুধিলে, "স্বাৰ্থ সিদ্ধিৰ অৰ্থে দ'ল-বাগৰা আৰু নিজৰ আৰ্থিক সচ্ছলতা আনিবলৈ দুৰ্নীতিৰ আশ্ৰয় লোৱা এই দুয়োটা কথাতোন চাৰ আপুনি সমৰ্থন কৰিলে। তেনে-হলে আমাৰ আদৰ্শ ক'ত থাকিলে?"

"এনে সমাজ ব্যৱস্থাত সেই মানুহবোৰৰ দৃষ্টিকোণেৰে চোৱাহঁক। যি সমাজ ব্যৱস্থাত উন্নতি কৰিবলৈ হলে সকলো সময়তে নিৰ্ভৰ কৰিব লাগে সঞ্চিত ধনৰ ওপৰত অৰ্থাৎ সমাজে তাৰ উন্নতিৰ কাৰণে কোনো দায়িত্ব নলয়, তেনে ব্যৱস্থাত একক প্ৰচেষ্টাৰে ধন আহৰণ কৰিবলৈ চেষ্টা কৰাটো স্বাভাৱিক। এনে কৰোঁতে কেতিয়াবা নীতি আৰু দুৰ্নীতিৰ সীমাৰেখাডাল অতি ক্ষীণ হৈ পৰে। যিবিলাক লোকে মাত্ৰ ব্যক্তিগত সমৃদ্ধিৰ কাৰণে ৰাজনীতি কৰে তেওঁলোকে সদায়েই সুবিধানুসৰি দ'ল সলনি কৰে। কাৰণ তেওঁলোকৰ কোনো নিৰ্দ্দিষ্ট আদৰ্শ নাই।

সেই বুলি মই সৎ আৰু অসৎ, সত্য আৰু মিথ্যা দুয়োটাকে একে কৰিব খোজা নাই।"

অলপ পৰ বৈ চৌধুৰীয়েই পুনৰ ক'লে "আৰু তোমালোকে কিবা কবা?"

ইমান পৰে যেন আমিহে সকলো কথা কৈ আছিলো।

তেতিয়া হলে চাৰ, স্বাধীন নাগৰিকৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আপুনি কলম নচলালে কিয়? সাহিত্যিক হিচাপে আপুনি কি কৰিলে?"

"এৰা, সেইটোৱেই হ'ল অতি গুৰুত্বপূৰ্ণ কথা, যি প্ৰশ্নটো আমিবোৰ অতি অজ্ঞ আছিলো। মোৰ চাৰিওফালৰ মানুহবোৰক কেনেকৈ চাব লাগে মই বোধহয় তাকে নিশিকিলো। স্বকীয় কোনো আদৰ্শ বা দৰ্শনৰ অভাৱত মোৰ মধ্যবিত্ত সুলভ মনোবৃত্তিৰে পৃথিৱীখনক চালো। মই মোহমুক্ত হব নোৱাৰিলো। বন্দুকৰ ফাকা আৱাজৰ দৰে জাতিটোক জাগ্ৰত কৰিবলৈ বৃথা-আস্ফালন কৰি কবিতা লিখিলো। হাতত ভীমৰ গদা লৈ হিলদ'ল জাতি গুহঁতৰ নিচিনা ভেকাবোৰক মাত্ৰ আগবাঢ়ি যাবলৈ কৈছিলো। কিন্তু ক'লৈ আগবাঢ়ি যাব লাগিব সেই কথা কব নোৱাৰিলো। লুইতৰ শুকান বালিত নাচিতৰ দৰে ধোঁৱা চেকুৰাবলৈ কৈছিলো। ধোঁৱাটোৰ সন্ধান মই দিয়া নাছিলো।

এদিন যেতিয়া দেখিলো মই পঢ়োৱা ছাত্ৰ বাপুৱামে দুই শ্ৰেণী পঢ়ি মোৰ ঘৰতে হালোৱা সোমাল আৰু মোক তেতিয়াও পূৰ্ব্বৰ দৰে 'চাৰ চাৰ' বুলি মাতিবলৈ ধৰিলে, মই ভাবিলো মই প্ৰকৃততে মানুহে কোৱাৰ দৰে সাহিত্যিক বা শিক্ষাবিদ নে? মই মোৰ কৰ্ত্তব্য কৰিব পাৰিছো নে? আৰু মই নিজে প্ৰাক্-স্বাধীন যুগত কোনোদিনে জেল খবিমনা নাইতোগা যদিও স্বাধীনোত্তৰ যুগত মোৰ দ'বাই যেতিয়া অধিকাৰ সাব্যস্ত কৰিবলৈ যাওঁতে জেলখাৰ জন্ম হল, তেতিয়া বুজিলো যে,ক শিয়ালে সিংহতে বিপ্লৱী কবি আখ্যা দি আছিলে। মোৰ প্ৰকাশিত আৰু অপ্ৰকাশিত লেখা-

বোৰৰ প্ৰতি সি যেতিয়া কোনো আগ্ৰহ নেদেখুৱায় মই তাক দ্‌ষিব নোৱাৰো।

সেইকাৰণে ক'লো মোৰ পুৰণা কলমটো দলিয়াই পেলালো আৰৌ এটা নতুন কলম লব পৰা প্ৰস্তুতি মোৰ হৃদয়ে নহব কব নোৱাৰো। কিন্তু তহঁত প্ৰত্যেকে একোটা নতুন কলমেৰে লেখা আৰম্ভ কৰ। মোক কোনো সাহিত্যিক সম্বৰ্দ্ধনা দিবৰ প্ৰয়োজন নাই। এনে সম্বৰ্দ্ধনা লবৰ অধিকাৰ মই হেৰুৱাই পেলাইছো।"

নৈধৰীয়ে আৰু একো কব নোৱাৰিলে। আমাক বিদায় নিদিয়াকৈ ভিতৰলৈ সোমাই গ'ল।

কুন্তীৰ

"কোনো এক বৃহত্তৰ দ্বীপত
ভস্মবোৰ থূপ খাইছে
... ...
হৃদয় ঠেঁৰেঙা লাগিছে,
প্ৰেতাত্মাৰ নিশ্বাসে যেন
হলাহল ঢালি দিছে
মৰকৰ ভীষণ নিঃসঙ্গতাৰে"

—ৰবীন্দ্ৰ বৰা।

এবাৰ ভবি কেইটা মাৰিবলৈ এৰি দি এনেয়ে অলপ ওপঙি থাকিবলৈ সি চেষ্টা কৰিলে। দেহ আৰু মন সম্পূৰ্ণ ক্লান্ত। আৰু বেছিদূৰ সাঁতুৰিব নোৱাৰি। পাৰাপাৰ নোহোৱা অথৈ পানী।

পানী আৰু পানী। ওপৰত ক'লামেঘ, তলত যাৰ নোম নেদেখা অন্ধকাৰ। পানীৰ চপ্‌চপ্‌ শব্দ আৰু আকাশত বজ্ৰ নিনাদৰ বাহিৰে তেতিয়া একো শুনিবলৈ নাই আৰু একো দেখিবলৈ নাই। চাৰিদিশ গভীৰ অন্ধকাৰে আবৰি ধৰিছে। বিজুলীৰ চিক্‌মিকনিত ফেনে-ফুটুকাৰে বাঢ়ি অহা জলৰাশিৰ তৰঙ্গায়িত নিষ্ঠুৰ ৰূপটোৰে মাত্ৰ খনিকলৈ একোবাৰ বুকুখনত কঁপনি তুলি যায়। সুন্দৰ বসুন্ধৰাৰ কি বীভৎস আৰু ভয়ঙ্কৰী ৰূপ।

হঠাতে তাৰ ভৰি কেইটা মাটিত লাগিল। সি অলপ নির্ভয়েৰে হাত কেইটাও মাৰিবলৈ এৰি দিলে। আৰু সাঁতোৰাৰ প্ৰয়োজন নাই। নিস্তৰঙ্গ পানী। পাৰৰ কোনোবাখিনিত সি আহি উঠিছে। ক'ত আহি উঠিছে উমান নেপালেও সি এবাৰ আন্ধাৰতে কেউফালে চাই ললে। বুকুৰ ধপ্‌ধপনিবোৰ দীঘলকৈ এৰি দি সি এবাৰ বুকুখনত হাত দিলে। কঁকাললৈকে মেটেকা, জেও-জাবৰেৰে পানী উপচি আছে। আকৌ এটা দীঘল নিশ্বাস এৰি দি সি এবাৰ থিয় দিলে। আন্ধাৰতে লাহে লাহে আৰু সাৱধানে আগ বাঢ়িল। ভৰিৰ তলুৱাই দুই যোৰা বোকাখিনিয়ে নিশ্চিত মৃত্যুৰ মুখৰ পৰা ৰক্ষা পোৱাৰ আশ্বাস দিলে। পানী এবুকু, এৰ্কঁকাল, একাঠু। এয়া সি পাৰ পালেহি। খেপিয়াই খেপিয়াই ঘাঁহবোৰ ধৰি সি পাৰলৈ উঠিল।

এটা কুঁহিৰৰ পবাহৰ পৰা সি সাৰিল বুলি নিশ্চিত হ'ল। কথাষাৰ ভবাৰ লগে লগে গাটো শিয়ৰি উঠিল। সিহঁত দুটা মৰিল নে আছে কাইলৈহে কব পৰা যাব। শিৱনাথ আৰু গনজু। এটা গভীৰ নদীৰ কুঁহিৰ আৰু আনটো জন-অৰণ্যৰ নাহৰ ফুটুকী বাঘ।

আৰু সি নিজে? মায়া-বাঘৰ সন্তানত ফুৰা চিকাৰী। চুলিখিনি চেপি সি তিতা চোলাটো খুলি ললে। চোলাটোত এটা অস্বস্তিকৰ বেয়া গোন্ধ। গেলা মাংসৰ। পচা ঘাঁহৰ গোন্ধ। গোন্ধটো নাকত লগাৰ লগে লগে তাৰ নাও ঘূৰা ঠাইখনটো

ৰনত পৰিল।

"নাওখন যদি এইখিনিতে ডুবে তহঁত দুটাই সাঁতুৰি পাৰ হব পাৰিবি জানো?"

"ধেৎ, কি আপদীয়া কথাবোৰ মনলৈ আন তই গনজু? কিয় ডুবিব নাওখন?"

নিৰাসক্ত ভাবে বঠাডাল মাৰি মাৰি গনজুৱে কৈছিল," কিয় ডুবিব নহয়, ডুবাই দিলে ডুবিবই।" শিৱনাথৰ মনটো চিৰিং কৰি গ'ল। কি অমঙ্গলীয়া কথাবোৰ কয় গনজুৱে। হলেও সি সকৰে পৰা পানীতে ডাঙৰ হোৱা মানুহ, তথাপি এনেকুৱা আপদীয়া ধেমালিবোৰ মাজ-নদীত মুঠেই ভাল নেলাগে।

কথাৰ সুৰ সলাবৰ কাৰণে শিৱনাথে কলে, "উলিয়া, বিৰি এটা উলিয়াই হপিলা। তোৰ মগজুটো তেহে যদি ঠাণ্ডা হয়।"

গনজুৱে তাৰ কথাত কোনো কৰ্ণপাত নকৰা দেখি শিৱনাথে পুনৰ আৰম্ভ কৰিলে, "বাৰু গনজু, তই গজেন গুচি কেতিয়াৰ পৰা গনজু হলি মনত আছেনে? গনজু নামটো কিবা বঙলুৱা বঙলুৱা যেন লাগে। গজেনেই ভাল আছিল। তোৰ আচল নাম গজেনহে আছিল নহয় জানো?"

গনজুৰ চকু-মুখত তাৰ কথাই চুই যোৱাৰ কোনো চিন পোৱা নগল, বিড়িও জুলিয়ালে।

ঘৃণাভৰা গাম্ভীৰ্য্যৰে সি বঠাডাল মাৰিবলৈ এৰি দিলে। নাওখনে খন্তেকতে তলং-ভতং কৰিলে। নিৰ্বিকাৰ ভাবে দূৰলৈ চাই নিজকে কোৱাদি কলে:

"কোন বঙাল, কোন বঙাল নহয় তাক বিচাৰোতেই তহঁতৰ দিন গল। মোৰ, মোৰ নামটো কিবা মই নিজে লৈছিলোনে? তহঁতৰ বাপেৰহঁতেই দিছিলে।" কথাত তাৰ ক্ৰোধৰ সুৰ স্পষ্ট।

"মৰিবলৈ ইমান ভয়নে তহঁতৰ! ডেকামানুহ! কিমান মানুহ মৰিল এইবাৰ বান-পানীত? আৰু বা কিমান মৰে তাৰ

কি মেধ আছে ?"

গনজুৰ মনটো বোধহয় এইবোৰকে ভাবিয়েই এনে নিস্পৃহ হৈছে। কিমান ঘৰ পানীত উটি গল, কিমান মানুহ মৰিল। এই আপদীয়া নৈখনে কিমান বিপৰ্য্যয় নাই কৰা মনত পৰা দিনতে পৰা।

"কি কৰিবি গজেন, ভগবানৰ লীলা। আমি আহিছোঁ নো কিহৰ কাৰণে? কাপোৰ-কানি, চাউল-ডাইল দুটামান যদি এই দুৰ্ভগীয়া মানুহবোৰক দিব পাৰো সেই বুলিহে।"

তেতিয়া আকাশখন ক'লা হৈ আহিছিল। মাৰ যোৱা সূৰ্য্যৰ হেঙুলীয়া ৰেখাবোৰ কথমপিহে ডাৱৰ ফালি ওলাই আহিছিল। তাৰেই ক্ষীণ পোহৰত বাঢ়নি পানীৰ ওপৰৰ দীঘল দীঘল সোণালী ৰেখাবোৰ জিলিকি আছিল। অলপ পিচতে সিও আন্ধাৰৰ বুকুত মাৰ গৈছিল। আন্ধাৰবোৰ ঘন হৈ আৰু তললৈ নামি আহিছিল।

বতাহ হোঁ-হোৱাই আহিল। নাৱৰ পাৰ পানীবোৰে চপ্ চপ্-কৈ কোবাবলৈ ধৰিলে। নদীখন ৰুদ্ৰ হৈ উঠিল। চাওঁতে চাওঁতে নাওখন ক'ত আহি ওলালহি। চিকমিক বিজুলীৰ ৰূপালী ৰেখাবোৰে মূৰৰ ওপৰৰ আকাশখনৰ কথা যেন হঠাতে মনত পেলাই দিলে। ইমানপৰে আকাশৰ অৱস্থিতি হেৰাই গৈছিল। সেই ক্ষণিক পোহৰত ভকামকাকৈ দেখা গ'ল পানীৰ ওপৰৰ মেটেকা আৰু জেং-জাবৰবোৰ। ঠেক দীঘলীয়া নাওখন যেন আওৰাৰ নোখোজে। বতাহৰ সহস্ৰহাতে নাওখন যেন পিচলৈহে ঠেলে। গনজুৰ হাতৰ বঠাডাল নাৱৰ ওপৰত পঠালি হৈ পৰি আছে। সি পৰিস্থিতিটো চাই বৰ আমোদ পাইছে। উদ্‌ভ্ৰান্ত আনন্দ।

"ঈশ্বৰে মৰাবোৰ বাক মাৰিলে। তইঁতে মৰাবোৰৰ কি হব?"

"তই কি আপদীয়া কথাবোৰ কৈছ গনজু? তোক হৈছে কি?"

শিৱনাথৰ গোটেই গাটো জিকাৰ খাই উঠিল। এই গজেন-টোৱে কিবা গুং-সূত্ৰ পাইছেনে কি? কামিমুনি পোহৰতে সি গনজুৰ মুখখনলৈ এবাৰ চাবলৈ চেষ্টা কৰিলে। কিন্তু গাৰ ক'লা সীমাৰেখাটোহে দেখা গল।

"তইঁতে পানীত হেঁচা মাৰি মানুহ মাৰিবও পাৰ, আকৌ পানীত পৰা মানুহক ভাত-কাপোৰো দিব পাৰ। মই তাকেই নুবুজো।" গজেনেই কৈ গ'ল।

গনজুৱে বুজে শিক্ষিত মানুহবোৰে মনৰ মিল নথকা বাবেই ইটোৱে সিটোক হত্যা কৰিব পাৰে কেনেকৈ? ইহঁতে তেনেহলে কিহৰ মেল-মিটিং কৰে?

"তোৰ মূৰত আজি কি সোমাল গনজু? বঠা হাতত ল।"

"ভূত মহাজন, ভূত সোমাইছে। এমাহমানৰ আগতে যি ভূত সোমালহি সি ওলাই যাব নোখোজে।"

মানুহটো পাগল হল নেকি? সন্ধিয়া হলেই বোলে তাৰ মেজাজটো এনে হয়। বিশেষকৈ নদীৰ কালে চাই চাই সি এনেকুৱাখন কৰে বুলি দুই একে কৈছিল।

নাওখন ডুবাবইনে কি সঁচাকৈ?

গনজুৰ মনটো অস্থিৰ হৈ পৰে। তাৰ মনৰ ভিতৰত কিবা এটাই খুন্দিওয়া-খুন্দি কৰে। সাংঘাতিক কিবা এটা কৰি পেলাব নোৱাৰিলে সি যেন পৰিত্ৰাণ নেপায়। কিন্তু কি কৰিব সিও নিজে নাজানে। কিবা এটা সৰ্বনাশ মাতি আনিব পাৰিলেই যেন ৰক্ষা পৰে। মাজে মাজে বিজুলীৰ চমকনিত গনজুৰ মুখখন বৰ হিংস্ৰ যেন দেখা গ'ল। বৰ কুৎসিত। বৰ উৎপ্ৰান্ত।

আকৌ বতাহৰ হোঁ হোঁ শব্দ, পানীৰ চপ্‌চপ্‌নি। মেটেকা আৰু জাবৰ-জোঠৰ বোৰৰ মাজৰ পৰা লিক্‌লিক্‌কৈ সহস্ৰ সৰী-সৃপ ওলাই আহি নাওৰ কাষত তাণ্ডৱ নৃত্য কৰিছে। নাওখনে তলং-ভতং কৰিছে। বৰ অসহায় নাওখন, তাতোকৈ অসহায় যাত্ৰী দুজন। কালিয় দমন নৃত্য চলিছে এই জলধিত।

"গনজু, নাও ক্বিবাই ল। ধুমুহা আহিছে। আমি নেযাওঁ আজি।"

মনৰ ভয় গোপনে ৰাখি শিৱনাথে বৰ আশ্বাসেৰে কয়। মন তাৰ ভীষণ আতঙ্কগ্রস্ত।

"কিহৰ ইমান ভয় মহাজন? সক ল'ৰাৰ নিচিনা কৰিছা কিয়?"

গনজুৰ কথা শ্লেষ মিশ্রিত। আচলতে গনজুৰ কথাবোৰহে সক ল'ৰাৰ ধেমালিৰ নিচিনা লাগিছিল। কিন্তু তাত থকা দৃঢ়তাই অন্তৰ কঁপাই তোলে

"কথাও যে তোৰ। হৈছে থ। নাও ঘুৰাই ল। আমি নেযাওঁ। কিবা এটা হব লাগিলে আমাৰ দুটাক বচাব পাৰিবি তই?"

"ভয় লাগিছে মহাজন? কিহৰ ভয়? ভলন্টিয়াৰ মানুহ। জাতি ৰক্ষাৰ ভলন্টিয়াৰ তোমালোক।"

"ধেৎ তই, অবুজ হৈছ কিয়? কথা শুন।"

শিৱনাথে মাতটো যিমান পাৰে সিমান কোমলকৈ কৰবলৈ চেষ্টা কৰে।

"মহাজন, আজি বাসুকীৰ মূৰত পৃথিৱীয়ে নাচিছে। নাচটো চাই লক। মৰিলে এই নাচ ক'ত চাবলৈ পাব?"

মৰিলে? গনজুৱে সঁচাই নাওখন ডুবাব নে কি? আতঙ্কত সিহঁত শিয়ঁৰি উঠে। আজি এই অথৈ জলধিত সিহঁতৰ ত্ৰাণকৰ্ত্তা কোনো নাই। পৃথিৱীত কোনেও কাহানিও এই মৃত্যুৰ কাৰণ নাজানিব।

আদেশৰ সুৰত কৰবলৈ চেষ্টা কৰিলেও মহাজনৰ কথাত গনজুৱে কাতৰতা অনুভৱ কৰে। আন্ধাৰত সি হাঁহি এটা মাৰি লয়। ভাল লাগে অসহায় অৱস্থাটো দেখি। মানুহটোক আজি শলঠেকত পোৱা হৈছে।

গনজুৱে নাও বাবলৈ এৰি উঠি অহা মেঠেকা এডাল আজাৰ্কীৰ

দলিমাৰি দিয়ে। জগৰুকৈ পানীত পৰা সামান্য শব্দটোৱেই সিহঁতৰ বুকুত খুন্দিয়ায়। বেচি দিনৰ কথা নহয়। মাত্ৰ এমাহমানৰ আগৰ কথাহে। এই মেটেকাবোৰ দেখিলেই গনজুৰ মনটো অস্থিৰ হৈ উঠে। গধুৰ শিল এচটাই বুকুখন হেচামাৰি ধৰে। বুকুৰ ভিতৰত থকা কিবা এটাই যেন ডিঙি মুচৰি ধৰা চৰাই এটাৰ দৰে ধপধপাই উঠে। শিলচটা গুচাই পেলাই চৰাইটো এৰি দিব পাৰিলেই তাৰ মনৰ ছটফটনি নাইকিয়া হব। কৰা যায় কেনেকৈ? এইবোৰ ভৰা কথাহে। উদ্ধাৰৰ উপায় নাই। মনটোৱে ছটফট্ কৰে। মূৰটো তাৰ গৰম হৈ উঠে।

"কিন্তু তই কেনিবাদিহে আনিলি যেন পাওঁ নাওখন। এইখনচোন মেটেকানিহে। নাও ফিৰাই ল গনজু। তোক আকৌ ক'লো।"

মহাজনৰ মাতত ত্ৰাস আৰু আকুতি।

"হেঃ এইখন নদীয়েই মহাজন। বৰ দ। মেটেকাবোৰ উটিহে আহিছে।"

"বুজিছো, নাও ফিৰাই ল।"

"পানীলৈ ভয়নে মেটেকালৈ ভয় মহাজন?"

"মই একোলৈ ভয় কৰিবলৈ নাই। কাৰ কি অন্যায় কৰিছো মই? তই নাও ওভোতাই ল।"

গনজুৰ মতি-গাত আজি সম্পূৰ্ণ বেলেগ। গুৰ্‌গুৰ কৰি গাজনি মাৰি কেইবাৰ মান বিজুলী মাৰিলে। তাৰ মুখখন জিলিকি উঠিল। কঠোৰ, নিষ্ঠুৰ আৰু কুটিল। দেখিলে ভয় লাগে। ধুমুহা বৰষুণ গাজনিৰ বতৰ এনেয়েও ভয়াবহ। কিন্তু গনজুৰ এনেৰূপ কাহানিও দেখা নাছিল।

"কোৱা, কোৱা মহাজন কোনটোলৈ ভয়? মেটেকালৈ নে পানীলৈ?

"বাৰে বাৰে মহাজনৰ কোনো দুৰ্বল স্থানত আঘাত কৰাৰ একেন্টাৰে গনজুৱে পুনৰ সোধে।

"কি বলিয়ালি কৰিছ গনজু। তই নাও ঘুৰাই ল। মই ঠকেছো।"

কৰ্ত্তৃত্বৰ ভাষাত ক'লেও মহাজনৰ কথাত পুনৰ আকুল মিন-ৰতিহে শুনা গ'ল।

"মই সুধিছো কোনটোলৈ ?"

গনজুৰে মহাজনৰ অন্তঃস্থলিত বাৰে বাৰে আঘাত কৰে।

"তই কি কৰ খুজিছ, কৈ যা।"

অগত্যা মহাজনে তাৰ কথাত যোগদান কৰিব লগা হ'ল।

"শুনিবা।"

'ও"

"মোৰ আজি মেটেকাৰ মাজত ডুবি মৰিবৰ মন গৈছে।"

"কি হৈছে মৰিবলৈ তোৰ ?"

"মই অকলে মৰিম কিয় ? তোমালোক দুয়োৰো ভিতিত সাৱটা-সাৱটি কৰি মৰিম।"

বিজুলীৰ চমকনিত ওপৰৰ আন্ধাৰ আকাশ আৰু দূৰৰ বিস্তীৰ্ণ জলধিৰ ভয়ঙ্কৰ ৰূপটো পুনৰ দেখা গ'ল। সিহঁতে বৰ অসহায় অনুভৱ কৰিলে। অন্তৰাত্মা সিহঁতৰ কঁপি উঠিল।

"বুজিছা মহাজন ? এনেয়ে মুখৰ চুলি পকালা।" তাৰ কথা যিমানেই স্পৰ্ধাসূচক নহক লাগে, মহাজনক বিচলিত কৰিব নোৱাৰে। ৰসি আনে গনজু সেই দুৰ্বল মুহূৰ্তটোক বাট চাই আছে।

তপতপ্‌কৈ বৰষুণ পৰে। ডাঙৰ ডাঙৰ টোপাল। সক সক পাজনি। নদীৰ সেঁতেৰা পানীবোৰ মাজে মাজে ঝিলিকি উঠে। ভয় লগা নদী। নাওখন সোঁৱে-বাঁওঁৰে উঠা-নমা কৰে। গনজু তথাপি নিৰ্বিকাৰ। একোজাক বতাহে বহি থকা মানুহকেইটাকো পেলাই দিব খোজে। নাৱৰ কাণত খামুচি ধৰি সিহঁত দুটা ভয়ত ঠৰঙা লাগে। গাৰ কাপোৰ-কানি তিতি জুৰুলী জুপুৰী। চোলোকা-চোলোকে নাৱত পানী সোমায়। কাৰো মুখত কথা নাই। কথা হেৰাই গৈছে। ইয়াত আকাশ নাই। জলধিৰ ভয়ত

পৃথিবী নাই। ইয়াত মানুহ নাই, আছে কেৱল তুমি থকা সহস্ৰ-ভুজঙ্গ।

"গনজু ভাই, নাওখন আজিৰ পৰা তোৰ হ'ল। মোৰ ওচৰত থকা নাৱৰ বন্ধকী খালাচ হল। তই আজি বন্ধকী খত্‌খন মোৰ তাৰ পৰা লৈ আহিবি। ব'ল এতিয়া নাৱ ফিৰা।"

আন্ধাৰত এটা অট্টহাস্য শুনা গ'ল। গনজুৰ অট্টহাস্যই মহাজনৰ বুকুৰ ভিতৰখন যেন মুচাৰি পেলালে। গনজু পাগল হৈ পৰিছে। ভয় লাগিছে মহাজন? কিহৰ ভয়। তোমাকটো খুচি খুচি মেটেকাৰ তলত পেলাই নথও।"

"দোহাই গনজু। মই তোৰ কথা একো বুজা নাই। তই যুৰি ব'ল।"

বাৰু মহাজন, মাধৱ আৰু মদনৰ শ দুটা এতিয়াও মেটেকাৰ তলতে আছেনে পচি গ'ল?

"মই একো নেজানো গনজু ভাই! মই একো নেজানো। তই ভুল বুজিছ।"

শিৱনাথ মহাজনৰ মুখত খৰপ ভাগি পৰিল। সেমেনা-সেমেনি কৰি দ্বিতীয় কোবটো ক'ত পৰে তাৰ অপেক্ষাত ৰ'ল।

এই জানোৱাৰটোৰে দেখিছো বহু কথাৰ ভু পায়। কিন্তু কালিলৈকে সি আছিল মহাজনৰ পোষ্য চাকৰ শ্ৰেণীৰ। আজি সি হ'ল হিংস্ৰ জানোৱাৰ।

মহাজনৰ কথাত সি বৰ আমোদ পায়। তাৰ এই অসহায় অৱস্থাৰ কাতৰ উক্তিত সি এক পাশৱিক আনন্দ উপভোগ কৰে।

"জানা মহাজন, জানা। জানা তুমি। আজি তুমি কব লাগিব। কৈ পাপ খণ্ডন কৰিব লাগিব। নহলে ... ...।

গনজুৰ মাতটো ক্ৰমে অতি কঠোৰ হৈ পৰে। বিজুলীৰ চমকনিত হাবিত জোপ লৈ থকা বাঘৰ দৰে তাৰ চকুদুটা তক্-তক্‌কৈ জিলিকি উঠে। এক নৰখাদক বাঘৰ আগত শিৱনাথ মহাজন থৰ্‌থৰকৈ কঁপিব ধৰিলে।

"নহলে, নহলে কি কৰিবি গনজুভাই ... ... ?"

"তই'ত দুয়োটাকে এই নদীত ডুবাই মেটেকাৰ তলত পুতি থৈ যাম।"

"ক্ষমা কৰ গনজু আমাক ক্ষমা কৰ ভাই।"

মূৰৰ ওপৰৰ মেঘকলা গাজনিতকৈ এই গাজনি আৰু তীব্ৰ। আকাশৰ গাজনি দুইকাণ ঠিলামাৰি নুশুনাকৈ থাকিব পাৰি, কলিজাৰ কঁপনি নোতেলে। শিৱনাথ মহাজন আৰু নগৰ যাত্ৰীজনৰ কলিজাৰ কঁপনিত ভেতিয়া নাওখনো কঁপি উঠে।

"মাধৱ আৰু মদনক ক্ষমা কৰিব নোৱাৰিলা কেলেই মহাজন ?"

"চা গনজু। মোৰ নগত আৰু এটা নিৰ্দোষী ডেকা লৰাক হত্যা কৰ কিয় ? এওঁক ? উঠি অহা ডেকা লৰা এটা। গহৰ আগ যেন জীৱনটো পৰি আছে তাৰ। আমাৰ নগৰেই কৰ্মী। গুণে বিদ্যাই প্ৰফেচৰ। এবাৰ ভাৱি চা তই।"

হাঃ হাঃ

এটা চুটি অট্টহাস্যৰে গনজুৱে আন্ধাৰতে প্ৰফেচৰ নামক জীৱ-টিলৈ চালে। বলিশাললৈ অনা পাঠা।

"মদন আৰু মাধৱৰ বয়স কিমান আছিল মহাজন ? তোমাৰ প্ৰফেচৰৰ লগৰ নাছিল জানো ?"

"মোক কিন্তু সুধিছ গনজু ? মই নাই এইবোৰত। দেশখনক গঢ়িবলৈহে এনে হৈছে। চেঙেলীয়া গজালীয়াহ'তৰ কাম। আমিনো কি জানো ?"

"মিছা কথা নকবা মহাজন। মই চব জানো।"

ৰবম্ৰণত বাহিৰৰ গোচাকযোৰ যিমান তিতিছিল ভিতৰখন তাতকৈ বেছি ঘামিছিল সিহঁতৰ। উত্তপ্ত প্ৰাম।

"হো, গনজু অচোন। টকাখিনি থৈ দে। বৰষুণত তিতি তেনেই জুপজুপীয়া হ'ল। দুহেজাৰ পাঁচশ।"

"টকা দি জীৱন কিনিব নোৱাৰি মহাজন। জীৱন শেষ কৰিব পাৰি। যেনেকৈ তুমি শেষ কৰিলা মদন আৰু মাধৱক।

স্ফুলিৰ ধৰা দুটা জীৱন।"

"গনজু তই মোক ক্ষমা কৰ। মই সেইবোৰত নাই। বাক দে, তথাপিও টকাখিনি থৈ দে। মোৰ ভাত বন্ধকত থোৱা মাটিখিনি আজি ৰাতিয়েই তোক খালাচ কৰি দিম।"

"মহাজন, মৰিবলৈ টকা নেলাগে, এনেয়ে মৰিব পাৰি। তুমি খালী সঁচা কথা কোৱা।"

হৰ্ হৰ্ ৰবষুণ পৰিয়ে থাকে। মেঘৰ গাজনি আৰু ধুমুহা অবিৰাম চলি থাকে। ইয়াত প্ৰলয়ৰ প্ৰস্তাৱনা সঙ্গীত আৰম্ভ হৈছে।

"নাই গনজু, মই হত্যা কৰা নাই সিহঁতক।"

"মই হত্যা কৰা নাই।"

দুয়োজনে হাহাকাৰ কৰি চিঞৰি উঠে।

"পিচে তুমি কৰোৱাই দিলা—ইয়ানেই পাৰ্থক্য।"

ক্ষন্তেক ৰৈ গনজুৱে পুনৰ কয়, "তোমালোকৰ নিচিনা মানুহে নিজে একো নকৰাহক, লোকৰ হতুৱাইহে কৰোৱা।"

"মিছা কথা গনজু, মই সেইদিনা গাৱঁত নাছিলোৱেই।" শিৱনাথ মহাজনে আৰ্ত্তনাদ কৰি উঠে।

"মিছা কথা বুজিছা গনজুকাই। এই সকলোবোৰ কুণ্ট চক্ৰৰ অভিসন্ধি, অসম বিৰোধীলোকৰ কাম, বিচ্ছেদকামীৰ কাম, এচাম লোকৰ ষড়যন্ত্ৰ, ৰাষ্ট্ৰ বিৰোধী লোকৰ কাম, আমোলাতন্ত্ৰৰ ষড়যন্ত্ৰ, পুজিচৰ ষড়যন্ত্ৰ, চক্ৰান্তকাৰীৰ কাম, সৰ্ব্বভাৰতীয় ৰাজনৈতিক নেতাৰ চক্ৰান্ত, বিশ্বাস ঘাতকীৰ কাম.........।"

"ৰ'বা ৰ'বা প্ৰফেচৰ। মই তোমাৰ কথা বুজানো। কাৰণ সেইবোৰ বুজা নাই।"

একে উশাহতে উত্তেজিতভাৱে ডেকা প্ৰফেচাৰে নাটকৰ চৰিত্ৰৰ দৰে মুখস্থ মাতি যাওঁতে গনজুৰ আস্তত বাধা পাই স্তব্ধ হয়।

শিৱনাথ মহাজনে হাউ-হাউ কৰি কান্দি পেলায়।

"এৰত মোৰ এবাৰ জ'ৰা-ছোৱালী। মোৰ অবিহনে সিহঁতৰ

কি হব ?

মনত পেলোৱা মহাজন, দেশদ্ৰোহী মদন বিচাৰি তোমালোকৰ দলে সেইদিনা গাওঁখনৰ ঘৰে ঘৰে যে কি অত্যাচাৰেই নকৰিছিলা। গাৱঁৰ পৰা ওলোৱা তিনিটা ৰাস্তাই তোমালোকে বন্ধ কৰি দিছিলা। জগদীশ, বিমল, প্ৰফুল্ল, অতুল, নৰেশ্বৰ, কন্দৰ্পৰ নিচিনা উঠি অহা ডেকাহঁতক উলঙ্গ কৰি কঁকালত ৰচী লগাই গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ চোঁচোৰাই নিছিলা। গাৱঁৰ আলিবাটত তেজৰ চেকুৰাবোৰ চেলেকি চেলেকি পিচত বহুত বাটৰ কুকুৰে কাজিয়া কৰিছিল। প্ৰাণৰ ভয়ত পলাই ফুৰা মদন আৰু মাধৱক আৰু ডেকা লৰাই বলিয়া কুকুৰ খেদাদি যাঠী আৰু লাঠি লৈ খেদি ফুৰিছিলা। লৰাবোৰক মানুহৰ তেজ বিচাৰিবলৈ শিকাই উন্মত্ত কৰি তুলিছিল কোনে ?

কৃষক সভাৰ কৰ্মী মদন আৰু মাধৱৰ চকু খুচি উলিয়াই পাত চুৰিৰে আঁক দি নিমখ সানি মৰিয়াই মৰিয়াই হত্যা কৰি বস্তাত ভৰাই এই মেটেকনিতে পেলাই থৈ গৈছিলা। আৰু আনিছিলা এইখন নাৱতে ভৰাই। মোক বিচাৰি ফুৰিছিলা নাৱৰীয়া কৰি পাপৰ ভাগ লবলৈ। একঁকলীয়া এবুকু পানীত মই তেতিয়া প্ৰাণৰ ভয়ত নাও এৰি পলাইছিলো। হাহাঁকাৰ কৰা গাওঁখনত তেতিয়া কাঁহ পৰি ক্ষীণ গৈছিল। দেশদ্ৰোহী মদন নিধন কৰি অভিৰৰ আৰ্তনাদ শুনি তোমালোকে কি আনন্দ পাইছিলা। এই খন নাৱৰ পৰা মদন মাধৱৰ শ দুটা বস্তাত ভৰাই এই নদীৰ মেটেকাৰ তলত খেলোৱাই দিছিলা তুমি।

মাধৱ মৰিল, তোমাৰ পথ নিষ্কণ্টক হল। যোৱাবাৰ নিৰ্ব্বাচনত সি দুটা হলে তুমি জিকিলাহেঁতেন। কিন্তু দুটো হাৰিলা এতো তোমাৰ মতলব।"

"তই এতিয়া কি কৰিব খুজিছ ?

"তোক মই মাৰিব খুজিছো এই নদীত।"

নিৰুপায় মহাজন নিৰুপায়। মহাজনী [illegible]

চেতনাহীন অৱস্থাত নাৱৰ তলিত পৰি আছিল। বহু দূৰত দুই এটা টিপ্ চাকিৰ পোহৰ ওলায় আৰু মাৰ যায়। নদীৰ তীৰ সিমানলৈকে আছে এয়ে সংকেত। ইয়াত চিঞৰিলে কোনেও নুশুনে। ইমান দূৰৰ পৰা কোনো ত্ৰাণকৰ্তা নাহে। গোটেই পৃথিৱীখন আজি গনজুৰ লগত প্ৰতিহিংসাত লিপ্ত হৈ পৰিছে। চাৰিওফালে পানী অতল পানী। মুক্তি নাই। মৃত্যুৰ পৰোৱানা লৈ এটা পাগল হিংস্ৰ জন্তু তাৰ আগত ৰৈ আছে।

সমস্ত জীৱনৰ শ্ৰম আৰু বুদ্ধি আজি এটা নিৰক্ষৰ নাৱৰীয়াৰ হাতত ব্যৰ্থ হৈ পৰিল। তথাপি শেষ চেষ্টাটো কৰি চাব লাগিব।

"চা গনজু। মই তোৰ তৰিত ধৰিছো। মই সকলো কম।" কিন্তু মই হত্যা কৰা নাই। তই মোক বিশ্বাস কৰ।"

ইয়াৰ পিচত কাৰো মুখত কথা নাই। আকৌ হৰ্ হৰ্কৈ বৰষুণ আহিল। তপ্ তপ্ শব্দ কৰি নদীৰ পানীবোৰ যেন উতলিবলৈ ধৰিলে। ঘন ঘনকৈ বোৱা বতাহ আকৌ কাণবোৰ সোঁসোৱাই গ'ল। মাজে মাজে কাণ তাল মৰা শব্দ। দূৰত ক'ৰবাত বজ্ৰপাত পৰিল। ক্ষণিক পোহৰত ফেনে-ফুটুকাৰে বাঢ়ি অহা নদীৰ ভয়ঙ্কৰ ৰূপটোৱে চকুত চাট মাৰি ধৰে। কি দুৰন্ত নদী! আজি নদীখনে কি বিচাৰিছে। চিনাকী নদীখনৰ এনে ভয়ঙ্কৰ ৰূপ শিৱনাথ মহাজনে কাহানিও দেখা নাই।

"ৰখা মহাজন আৰু শুনা। শুনিম বুজিছিলা নহয়? এই সাওখন, এই পানীবোৰ আৰু এই যেটেকাবোৰ দেখিলে মই মানুহটো মৰিবাৰ দিচিনা হও। এইখন নাৱৰ পৰাই মদন-মাধৱহঁতক নদীত পেলাই দিছিলা। যি কেইটাই এই হত্যাকাণ্ড কৰিছিল সেই কেইটাক তুমি দিচদিনাই টকা পইচা দি গুৱাহাটীলৈ পঠাই দিছিলা যাতে বাতৰি কাকতত এই সংবাদ প্ৰকাশ নহয়। নহয় জানো মহাজন?

কিন্তু মহীৰাম কেৱলহি এপুৰুষা পানীত কন্ কৰাই থানাত খবৰ দিবলৈ যাওঁতে বাটতে তাক ধৰাধাৰী কৰিছিলা। দিচে সি নমৰিল, আধামৰাহে হ'ল।

"প-ন-জু" মহাজনে এটা দীঘলীয়া আৰ্ত্তনাদ কৰিলে।

"মহাজন, তোমালোকক আজি এৰি দিব নোৱাৰিম।"
আকাশ ফালি যেন এই বাক্য গুনাই আছিল। জীৱনৰ শেষ সীমাত থিয় হৈ আজি হিচাপ-নিকাচ কৰাৰ দিন। এই হিচাপ লব এক উদ্‌ভ্ৰান্ত হিংস্‌ক প্ৰাণীয়ে।

পন্‌জুৱে বঠাডাল দলিয়াই পেলাই দিলে। পানীত এটা তাণ্ডৱ শব্দ হ'ল। নাওখনে অলপ পিচতে তলং ভটং কৰি কুমাৰৰ চকাত ঘূৰাদি ঘূৰিবলৈ ধৰিলে। চোকা চোকে নাওখনে পানী গিলিবলৈ ধৰিলে। তাৰ পিচত? তাৰ পিচত এজাক কুম্ভীৰে নেজ লৰাই লৰাই ডুবিব ধৰা নাওখনৰ চাৰিওফালে মহানন্দে নৃত্য কৰিবলৈ ধৰিলে।

দুটা মানুহৰ কৰুণ আৰ্ত্তনাদে চেৰেকণিৰ শব্দৰ লগত ফেৰ মাৰি ভাগৰি পৰিল। অহেতুক আক্ৰোশ আৰু হিংসাৰে নদীৰ পানীবোৰ উত্তলি উঠিল। দাৰ ধৰা পিচল কাঁচৰ দৰে নদীখন ক্ষণিকলৈ ঝিলিকি উঠিল। কাষৰ বোকাপগা তিতা ঘাঁহবোৰ পৰম ভৰসাৰে সি পুনৰ মুঠি মাৰি ধৰিলে।



ভিন্ন শিবিৰ

এবা, সিহঁতৰ মৃত্যু নহয়
কোষে কোষে বৈ যায়
সিহঁতৰ বংশৰ বীজ
'বহু গহ্বৰ ছায়েই সিঁহতৰ
গোপন নিবাস

জগন্নাথ পাঠক

প্ৰথম কেইদিন সি অফিচৰ বাৰাণ্ডা আৰু চৌহদতে ঘূৰাপকা কৰি কটালে। কিন্তু কাম কৰিবলৈ বুলি আগবাঢ়ি নাহিল। মুখখন তাৰ শুকান। বোধহয় দুদিন মান সি ভাত খোৱাই নাছিল। তাৰ পতিপোন্ন চাই ভাবিছিলো সি হয়তো পিচবেলা মোৰ পৰা অফিচৰ চাবিকোছা খুজি লৈ দুৱাৰখন খুলি দিব। কিন্তু এনে পিচবেলা ভালেকেইটা গ'ল। আমাৰ অনুমান সত্য নহল। বাৰীণৰ সঞমি আগৰ কেইদিনৰ পৰে ময়ে চাৰৰ কোঠাৰ দুৱাৰ খুলি দিব লগা হ'ল। ভাবিলো বাৰীণক শেষবাৰৰ বাবে সুধি লওঁ। মোৰ ধাৰণা মই সুধিলে হয়তো সি খেবো-মেবো কৰি কব— "বাবু কি কৰিম আৰু বাকীবোৰৰ লগতে একেলগে নচলিলে বিপদ কাৰণেহে। নহলেনো মোৰ কি আপত্তি থাকিব পাৰে। আপুনি যেনা নেপাৰ বাবু। মই তেতিয়া কম 'হেহে হেহে থ।' তোৰ একো দিপদাবী নহয়। মই আছো। এতিয়া কামত লাগি যা।"

বহু ইবানেই। তাৰ পিচত আৰু সি নিশ্চয় বৈ থাকাকে।

কাৰণ বাবীণক মই আৰু মোৰ চাৰে আজি কুৰি বছৰে ধৰি জানকৈ চিনি পাওঁ। কিন্তু তাকেনো মই কবলৈ যাওঁ কিয় ? সি নিজেই আহকচোন। এই ভাবতে আমি মনে মনে থাকিলো।

মই চাৰৰ একান্ত সচিব অৰ্থাৎ ষ্টেনোগ্ৰাফৰ আৰু বাবীণ অফিচৰ চকীদাৰ।

"বুজিছে তালুকদাৰ, চাওঁচোন বাবীণইতে কিমান দিনলৈ টানে। অফিচৰ দুৱাৰ-খিৰিকী কেইখন আমি দুয়ো খোলা আৰু বন্ধ কৰি লোৱা কামহে। কি টান কাম।" পৰিস্থিতিটো পাতলাই চাৰে কলে। পতিকে ধৰ্মঘট আৰম্ভ হোৱা দিনৰে পৰা অফিচৰ দুৱাৰ-খিৰিকী খোলা আৰু বন্ধ কৰা মোৰ ভাগত স্বাভাৱিকতে পৰিল। অৱশ্যে একান্ত সচিব হিচাপে আমি চাৰৰ বহু খুচুৰা কামেই কৰোঁহক। কিন্তু অফিচৰ চৌকিদাৰৰ কাম কৰিব লগা দুৰ্ভাগ্য জীৱনত এই প্ৰথম হ'ল। মনে মনে বাবীণলৈ ভীষণ খং উঠিছিল যদিও মই নিজকে পুতৌ কৰিবলৈ মন গৈছিল।

বাবীণক কুৰি বছৰ ধৰি চিনি পাওঁ। চেধা-পোন্ধৰ বছৰ বয়সতে সি চাকৰিত সোমাইছিল। চাৰৰ সহকৰ্মী এজনৰ অনুৰোধ আৰু অনুমোদনক্ৰমে আমাৰ অফিচত পিয়নৰ চাকৰি ব্যৱস্থা হৈছিল। লৰাটো বয়সত সৰু হলেও বেচ ভজৰকীয়া। ঘৰৰ কামত এনে লৰাই লাগে। বৰ ডাঙৰো নহয়, নিচেই সৰু লৰাও নহয়। মেম-চাহাবৰ পচন্দমতে বাবীণৰ চৰকাৰী চাকৰি যোগাৰ হ'ল। যাহৰ আহি এবাৰ দৰমহাটো নিয়াৰ বাহিৰে অফিচত তাৰ উপস্থিতি বা প্ৰয়োজন কোনেও অনুভৱ নকৰে। এইৰূপ বিশেষাধিকাৰ সি ভোগ কৰাত কাৰো আপত্তি থাকিব লগা কথা নহয়। পুৱাই উঠি চাহ কৰা, দুপৰীয়া চাৰৰ লৰা-ছোৱালী, মিচ্‌ইতক কনভেণ্টৰ পৰা অনা, বেকলৈ যোৱা, মিচ্‌ইতৰ কাপোৰ-কানিবোৰ ধোৱা ইত্যাদি কামবোৰ বাবীণৰ ভাগৰ। তাৰ চৰকাৰী চাকৰি আৰম্ভ হৈছিল এইদৰে—মাজে মাজে বাথেকে আহি চাৰৰ ঘৰৰ পৰা পুতেকৰ উপাৰ্জন বৰ তাল নিছিল

চাবৰ ইচ্ছানুসৰি তাক সেইদিনা সুধিলোঁ, "বাবীণ, তই বাৰু আজি ঘৰত ভাত খাই আহিছনে ?" অতি কঢ় প্ৰশ্ন ।

"আছে বাবু আছে । যি আছে তাৰেই চলাব লাগিব ।" তাৰ কথাত কোনো দুঃচিন্তা প্ৰকাশ নাপালে। কুৰি বছৰৰ সান্নিধ্যই তাৰ প্ৰতি মোৰ মনোভাব দুৰ্বল কৰিছিল। সেয়ে মোৰ ইচ্ছা— চাকৰিত অসুবিধা নোহোৱাকৈ যাতে এই সংকটৰ পৰা উদ্ধাৰ পায় । কিন্তু বাবীণৰ পৰা এনে উত্তৰ পোৱাৰ পিচত তাৰ মনোভাব বুজিবলৈ বাকী নেথাকিল। সি ধৰ্মঘটৰ পৰা আঁতৰি কাটি আছি কামত যোগদান কৰাৰ প্ৰশ্ন নুঠে।

চাবৰ ঘৰত পুৱাৰ চাহ, গধুলিৰ বজাৰাদি কামবোৰ সি কিয় কৰিব লাগে সেই কথা ভবাৰ অৱসৰ বা চেতনা তেতিয়া হোৰ হোৱা নাছিল। মিত্ৰহঁত তাওৰ হৈ কুলৰ মাজৰ শ্ৰেণী পালেগৈ । বাবীণ পুৰঠ ডেকা হল আৰু মই যৌৱনৰ দুৱাৰদলি পাৰ হওঁ হওঁ হলো। বাবীণে তুপুৰী এটা তাৰা লৈ সংসাৰ পাতিলে। চাহাবৰ বগলা এৰিলে। তাৰ উদ্বৃত পৰত চাহাবৰ লাভাংশ কমিল। মেমচাহাবে আগন্তুক অসুবিধাৰ কথা চিন্তা কৰি ভোৰভোৰাই উঠিল।

"ইহঁতক ৰাখি লাভ কি ? খাবলৈ নাই ভাত, বিয়া পাতে, সংসাৰ পাতে। নাই তাক একেবাৰে বিদায় দি অন্য নবা চাকৰিত ভৰ্তি কৰি লব লাগে।"

বিয়াৰ পিচৰ অৱশ্যম্ভাৱী পৰিণতি ৰূপে বাবীণৰ সংসাৰলৈ আহিল এটি দুটিকৈ তিনিটি প্ৰাণী। তাৰ তেতিয়া নিজৰ সংসাৰ চলাবিবৰ আহৰি নাই। মেমচাহাবৰ লাভাংশ শূন্যলৈ নামো নামো অৱস্থা। তথাপি মাজে মাজে পুৱা বা গধুলি গাক একোটা মাৰি বগলাত দুই এখন বন কৰি দি যায় চাবৰ কাৰণে সেয়ে বহুত। অন্ততঃ জৰুৰি কাগজৰ দিয়া-অনা, ঔষধ আৰু চিগাৰেটৰ দোকানলৈ যোৱা, ইলেকট্ৰিক বিলখন দি অহা আদি সৰু সৰু কামখিনি হোৱাত তেওঁৰ বহুত সহায় বুলি ভাবে।

তথাপি লাহে লাহে তাক কলো, "ৰাবীণ, অজি অফিচলৈ গৈ তই বেয়া পোৱা কাম এটা মই কৰিব লাগিব সেয়ে ...... ।"

কথাষাৰ শেষ নৌহওঁতেই সি মুখতে ধৰি কলে,—আজি প্ৰায় এমাহ ধৰি আপোনালোকে বেয়া পোৱা কামেইতো আমি কৰি আছো। ধৰ্মঘট কৰিছো। ইয়াৰ বাহিৰে আন কোনো বেয়া কাম কৰাৰ প্ৰশ্ন নুঠে।

তাৰ কথাত যথেষ্ট ব্যংগ মিহলি হৈ আছে। তথাপিও মালিকৰ হুকুম পালন কৰি আকৌ কলো, "নহয় মইহে কৰিব লাগিব। কিন্তু তই বেয়া পাবি। সেয়ে ভাবিছো তোকে যাতে কৰিব লগা নহয় তাৰ কিবা উপায় উলিয়াব পৰা যায়নেকি? পতিকে মই নিজে আহি তোৰ চোতালত থিয় হলোহি।"

বাকীখিনি কথা মই কেনেকৈ শেষ কৰো তাকে ভাবি মই তালৈ চাই ৰলো। টুকুৰা কাগজবোৰত আঠা লগাই থকাৰ পৰা মূৰ তুলি সি মোলৈ চাই নিস্তব্ধ হৈ ৰল। আকৌ নিজৰ কামত মনোনিবেশ কৰিবলৈ ঠিক কৰি তাজে তাজে কাগজৰ ঠোঙাবোৰ জাপি থ'লে।

"হেৰ, আকচোন কাগজ নায়েই। ইয়াৰে কোনোমতে আধাকিলো ঠোঙাই নহয়। ইহঁতবোৰ ক'লৈ গ'ল?" ঘৈণীয়েকক উদ্দেশ্য কৰি ভিতৰলৈ চাই চিঞৰ মাৰি পঠালে।

ভিতৰৰ পৰা নাৰীকণ্ঠৰ উত্তৰ আহিল—"সিহঁতো কাগজ বিচাৰিয়েই ওলাই গৈছে। অহাই নাই।"

"অ, দুই কিলো কোনোমতে কৰিব পৰা হলে আজিৰ জেঠাটো মৰিলেহেঁতেন।" হয়তো কব নোবোজা কথাৰ অৰ্থ দুপৰীয়া ভাতসাজৰ যোগাৰ হলহেঁতেন।

"এতিয়া তেনেহলে মিষ্টিভৈলৈ যাব নেলাগে। কাগজ বিচাৰিবলৈকে ৰ'ক। নহলে পধুলিলৈ নফিৰে।" ভিতৰৰ পৰা একে কণ্ঠৰ উত্তৰ আহিল।

ঠোঙা দুই কিলোমান সাজি উলিয়াব নোৱাৰিলে পধুলি ৰাবীণ-হঁতৰ আধাবেলা দুই লেখাৰ। কথাৰ প্ৰসঙ্গ নিতান্ত সকলো তলত

আৰম্ভ হল। তাত মোৰ উপস্থিতি অবাঞ্ছনীয়।

"মই যাওঁ বাৰীণ। তই অফিচলৈ গৈ কাগজখন লৈ আহিবি।"

"বুজিছো বাবু। চচ্‌পেন হোৱাৰ নে ভিচ্‌মিচ্‌ হোৱাৰ? বাক থিয়েই নহওক, কাগজখন ডাকতে পঠাই দিলেই ভাল। মোৰ কাম নেদেখিছেই?

বাৰীণক চাচপেন্দ কৰা হল।

খিৰাট সমদল এটাই শ্লোগান দি দি অফিচৰ আগেদি পাৰ হৈ গ'ল। চাবে শুভলিপি দিয়া বন্ধ কৰি এবাৰ মোলৈ চাই খিৰিকীয়েদি বাটলৈ চালে। চি ৰ পীবোৰ আমাৰ অফিচ গেটত আহি প্ৰস্তুত হল। গেট অতিক্ৰম কৰিলেই যেন লাঠি প্ৰয়োগ কৰি হলেও বাধা দিব লাগিব। উত্তাল সমুদ্ৰৰ দৰে সমদলটো লাহে লাহে আগবাঢ়ি গ'ল।

বাটৰ কাষৰ গাৰবেজটোত উবুৰিখাই পৰি দুটামান লৰাই পেলনীয়া কাগজ বুটলি আছে। সিহঁতৰ ভিতৰত বোধহয় বাৰীণৰ লৰাও আছে। ভাৰতবৰ্ষত বোলে এনেদৰে বোটলা পেলনীয়া কাগজৰ বিক্ৰীমূল্য দৈনিক আঠ হাজাৰ টকা। মনটো ভাৰাক্ৰান্ত হল। সমদলটো আগবাঢ়ি ভালেমান দূৰ পালেগৈ; এতিয়া নিজান হল আমাৰ অফিচ। চাব আৰু মই আমি, দুজনৰ কাৰণে এই নীৰৱতা বৰ অসহ্য হল। টেলিফোনৰ শব্দটো গাড়ীৰ হৰ্ণৰ নিচিনা তীব্ৰ যেন লাগিল। চাবে কথা কৈ থকা টেলিফোনটোত সিমূৰৰ মাতো প্ৰায় শুনা গ'ল।

"তুমি শুচি আহা ঘৰলৈ। প্ৰচেচন সেইফালেই গৈছে। তাৰ মাজত বাৰীণো আছে।"

"নাই নাই, একো নহয়। আমিতো অফিচত কাম কৰিয়ে আছো। প্ৰচেচন আহিলো, গলো।"

"গ'ল? একো দিগদাৰী হোৱা নাই?"

"নাই হোৱাহে। কলো নহয়।"

মেমচাহাবৰ অহেতুক উদ্বিগ্নতাত চাবে অস্বস্তি অনুভৱ কৰা

যেন লাগিল।

"তথাপি মই শুনিছো আজি মোক খুন-জখমো যে যাব পাৰে। যি আছে যতনেৰে কৰিবা। আহা সোনকালে।"

"বাৰীণহঁত সন্ত্ৰাসবাদী বা বিপ্লবী নহয়—নহয়, অকিঞ্চন [illegible] কৰা মানুহহে।"

চাৰে অভিষ্ঠ হৈ খচং কৰি টেলিফোনটো থৈ দিলে। [illegible] অনেক ভাৱে ভাৱেমান পৰ বাহিৰলৈ চাই থ'ল। মই [illegible] পুলিচবিষয়াবিলাকৰ সংকেতবোৰে শোক কিছু মানৰ দৰে কিল-বিলাই [illegible]। হঠাতে চাৰে কলে, "আজিলৈ খ'ক দিয়ক তালুকদাৰ। কাইলৈ পুৱা মোৰ বঙলাতে আবদ্ধ কৰিম।"

চাৰ বহাৰ পৰা উঠিল। নিজৰ অফিচ ঘৰটোৰ [illegible] মজাওঁইদি ওলাই আহোঁতে আমাৰ চেয়াৰ দুদৰ কৰ্ষণ [illegible] মোৰে হাতুৰীৰ মাৰৰ দৰে আমাৰ বুকুত খুন্দিয়ালে।

বাৰীণহঁতৰ ধৰ্মঘট অব্যাহত থাকিল। এই পঁয়ত্ৰিশ দিনৰ ভিতৰত চৰকাৰৰ পৰা [illegible] নিৰ্দেশ, আদেশ [illegible] অধ্যাদেশ জাৰি হ'ল। তিনিজন কৰ্মচাৰীক যাৱজ্জীৱন গ্ৰেপ্তাৰ কৰা [illegible]। কিছুদিনা ধৰ্মঘটী [illegible] বল ধাৰণ কৰিলে। [illegible] [illegible] দুৱাৰ বন্ধ কৰি দিয়া হ'ল। তথাপি [illegible] [illegible] থাকিল। বাৰীণক চূড়ান্ত ভাৱে বেথাত কৰা [illegible] [illegible] কৰি চাৰক চেষ্টা কৰিবলৈ দিওঁতে মোৰ হাতখন কঁপি [illegible] [illegible] [illegible] বাৰে বাৰে মোৰ মানস [illegible] [illegible] [illegible] দিবলৈ ধৰিলে। কিন্তু বাৰীণৰ মনোবলে মোক [illegible] [illegible]। সেই বুলি [illegible] [illegible] তাৰ সেই [illegible]। [illegible] দ'বৰ পৰা মুঠাৰ [illegible] [illegible] [illegible] মাথি পঁচোটা [illegible] [illegible] মোমাৰ কৰিব নোৱাৰি। তথাপি দি [illegible]। [illegible] [illegible] নাই। [illegible] [illegible] দিয় [illegible] [illegible] [illegible] [illegible] [illegible] নয় [illegible] তীব্ৰভাৱে কৈ উঠিল। "[illegible] দিয়ক [illegible] [illegible] মোক দিদিব। মই জৰ নোৱাৰিম। [illegible] [illegible] [illegible] মানুহৰ হ'ল।—৭

দিবে আমাৰ ইয়াতে আছি নাথাকিলেই ভাল পাম।"

মই অলব-অচৰ হৈ কেইমুহূৰ্তমান থিয় দি ৰলো। কথাৰ ইঙ্গিতটো আনে হয়তো ভাল বুলি নললেহেঁতেন। কিন্তু মই জানো এই ইঙ্গিত নিঠা আৰু বজ্র-কঠোৰ সংগ্ৰামী মনোত্মাৰ পৰিচায়ক হে। তথাপি অপমানখিনি সমানেই হজম কৰিবলগা হ'ল। টোপোলা এটাৰ সৈতে লৰাটো আহি চোতালৰ আগত থিয় হোৱাৰ লগে লগে আই কৈ উঠিল। "কি হল, এটাও বিক্ৰি নহলনেকি আজি"।

সি উত্তেজিত হৈ কলে, বিক্ৰী হব? চালা খুৰিৰাম দোকানীয়ে [illegible] আজি পুলিচত দিয়াৰ ব্যৱস্থা কৰিছিলেই। সেইবোৰ খোলা সব পুৰণা পচা বালিৰ টিন। এতিয়াহে জানিছো মদনলাল মহাজনে কিছু টিনে প্ৰতি এটকা কমিচন দি মোক বিক্ৰী কৰিবলৈ লগাইছিল। এটা দোকানীয়েতো পইচাকে ঘুৰাই বিচাৰিছিল। মই ক'ৰ পৰা দিম? কোনোমতে পাঁচোটা টকা পাই আনিছো।"

"নিচে আকৌ ঘুৰাই আনিলি কিয়? ঘ'ৰপৰা অনিছিলি [illegible] ঘুৰাই দি থৈ আহিব লাগিছিল।" মাকে কলে।

"এই সোপা লৈ ফুৰা মানেই বিপদ। তথাপি ইয়াৰ এটা [illegible] কৰি আনিছো। টিনবোৰ খালী কৰি দিলে চাবিআলিৰ [illegible] টিন লগাই কৰা মিস্ত্ৰীটোৱে মোটে দহ পইচাকৈ লব বুলি [illegible] টিনবোৰ চাকা কৰি দিব লাগিব। তথাপি তিন টকা [illegible] মোক দিব দে।"

[illegible] আটিতে থুপুচ্ কৰি পেলাই হাতদুখন পেণ্টটোতে [illegible] দি, পুনৰ মাকক ক'লে, "বুটখিনি কোমল হল যদি মোক [illegible] লব ভোক লাগিছে। ভাত ভই কৰা নাই জানোছো। [illegible] হব দে তাতৰ ব্যৱস্থা।"

[illegible] মুখত হঠাতে অপ্ৰত্যাশিতভাৱে অচিনাকী মানুহ এজন [illegible] ক'লে, "বাবু, বাবা নাই। বাবাইতে ইণ্ডু ৰিক [illegible] নহয়। কৰবাত মিটিঙে-টিটিঙে আছে হবলা।"

[illegible] বেলা পালেও কম। তোৰ বাবাৰ আজিৰ পৰা চাকৰি নাই।

"ৰব ভাল খবৰটোকে দিবলৈ আপুনি আহি আমাৰ চোতালৰ আগত থিয় হৈ আছেহি? মা, তুমি এওঁক ইমানপৰে বিদায় দিয়া নাই কিয়? আমাৰ বাবাইতৰ কামবোৰ আজিকালি আপোনালোকেই কৰে নেকি?

তাৰ কথাৰ শৰপাত যথেষ্ট চোকা। মই খৰখিজ [illegible] তাও ঘূৰি পুনৰ কওঁ, "নহয়। আৰু আছে শুন"।

"কোনো দৰকাৰ নাই শুনাৰ। আপুনি আৰু কৰবালৈ [illegible]-নগা আছে যদি যা'ক। দেৰি হব আপোনাৰ।"

"তোৰ বাবাক সহায় কৰো বুলিহে আহিছো। তই [illegible] যাওঁ মই।"

"বুজিছো বাবাৰ চাকৰিটো যাব বুলি [illegible]। সিয়াই কষ্ট কৰিলে।"

"মই নাহিও পাৰিলোহেঁতেন।"

"তেনে কিয় আহিলে? মৰামানুহৰ ঘৰত, ৰাতি, [illegible]নে কিবা চাউল দাইলৰ টোপোলা লৈ আহিছে? আনিছে যদি দিয়ক, ভালেই। আজি দুসাজ ভাত খোৱা নাই। আজিৰ পুৱা কৰ্মচনৰ পইচাও নাই।"

"চাকৰি কৰিবি?"

"মই?"

"অ'।"

"আপুনিটোন চাকৰি খাবও পাৰে আৰু দিবও পাৰে।"

"চাকৰি খোৱাৰ ক্ষমতা মোৰ নাই ভাই। কিন্তু দিয়াৰ পাৰিম চেষ্টা কৰিলে।"

"অ' হয়নেকি? আৰু ম'ক কি চাকৰি দিব? কি কাম কৰিব লাগিব?" আকৌ হাতদুখন মোহাৰি ওচৰ চাপি আহিল।

"তোৰ বাবাই যেনেকুৱা কাম কৰিছিল তেনেকুৱা কাম।"

"কৰিমতো। ক'ত? কোন অফিচত?"

'দৰখাস্ত দিব লাগিব। তেহে হব।" তাৰ নিস্তাৰ লাভ কৰিবৰ কাৰণে এনেকৈ কলো।

"পর্য্যন্ত দিব পাৰিম। আন একো দিব নোৱাৰিম। তাকো কোঁমোবাই জেৰি দিব লাগিব।"

"হব দে। তোৰ কাৰণে বাবীণে বহুদিনৰ পৰা কৈ আছিল কথাষাৰ সুধাই দিবলৈ।"

"আহে বাবু আহে চাকৰি। পিচে দিয়ে কোনে? বাবাজীহঁতে সিবা-দৰমহাতে কি বেছিকৈ বিচাৰি ষ্ট্ৰাইক্ কৰি আছে। আমি এবাৰ দৰমহা নাই বাবাৰ। আপুনিতো জানেই।"

"হব হব, হব দে।"

"বাবু, দোহাই আপোনাৰ। মোৰ বৰ দোষ হৈছে। আপুনি তাক চাকৰিটোত সুমুৱাই দিয়ক। পাৰে যদি আজিয়েই দিয়ক। আৰু পুৰা যে দৰমহা পোৱালৈ সি আপোনাৰ ঘৰতে খাটি দিব।"

ওচৰতে থিয় হৈ থকা মানুহজনীয়ে আঠুকাঢ়ি মোৰ ভৰিত ধৰো ধৰো কৰে।

এইবাৰ লৰাটোৱে অলপ উৎসাহ বোধ কৰি ক'লে, "পিচে চাকৰি [illegible]।"

"য'তে হক কৰিবিনে নকৰ সেইটো ক।"

"কৰিম বাবু কৰিম।" মানুহজনীয়ে আকুলভাৱে ক'লে।

"নকৰে, নকৰে সি।"

পিচফালে বাবীণ আহি কেতিয়া থিয় হৈ আছিল কোনেও নাজানিছিল।

"তই নোৱাৰ কৰিব এই চাকৰি।"

মাক-পুতেক দুয়ো ভয়ত স্তব্ধ হৈ প'ল।

"কিয় বাবীণ? তইতো আজি এমাহমান ধৰি তাক চাকৰিত সুমুৱাই দিব লাগে বুলি খাটনি ধৰিছিলি?"

"কৈছিলো স'চা। পিয়নৰ পুতেক পিয়নেই হয় আৰু কেৰাণীৰ পুতেক কেৰাণীয়ে হয় বুলি ভাবিছিলো।"

"এতিয়াও ভাব বাবীণ।"

"সেই কাৰণেই নোৱাৰে বুলিছো।"

"তাতোকৈ বেছি লাগে—তেনেহলে।"

"লাগে, লাগে বাবু। আপোনাকো লাগে। আপুনিও দাবী কৰক।"

"কিন্তু বাবা, তোমাক নেলাগে, মোক লাগে।" পুতেকে প্ৰতিবাদ কৰি কলে।

"নেলাগে। সেই চাকৰি তোৰ নহয়। আমাৰ চাকৰি কাঢ়ি ধাব নোৱাৰে। তই নেজান, মোৰ নিচিনা ধৰ্মঘটকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰি তাৰ ঠাইত নতুন মানুহ লৈ আমাৰ দাবীবোৰক নাকচ কৰাৰ যুক্তি এইবোৰ।"

"দাবী কৰিলেই পাইনেকি?"

"সকলো নেপায়। কিন্তু ন্যায্যখিনি পাব লাগে। আৰু দাবী নকৰাকৈ কোনো চৰকাৰ আৰু কোনো মালিকেই অধীনস্থ কৰ্মচাৰীক একো নিদিয়ে, দিয়া নাছিল আৰু ভৱিষ্যতেও নিদিয়ে।"

"কিন্তু তাক চাকৰিটো লাগে, লক সি।"

ঘৈণীয়েকে প্ৰতিবাদ মিহলি সুৰেৰে কয়।

বাপেকক খেদি পুতেকক চাকৰিত লগোৱাই তহঁতৰ ভাতৰ যোগাৰ নহয়। সি হব ভাত মৰাৰ ষড়যন্ত্ৰ। সেই চাকৰি তই লব নোৱাৰ। তই বিশ্বাসঘাতক হব নোৱাৰ।"

"বাবু, সি বিশ্বাসঘাতক হব নোৱাৰে।"

মোৰ মধ্যবিত্তসুলভ পৰোপকাৰী মনোবৃত্তিটোৰে বাবীৰ [illegible] হব লাঞ্ছিত হল। মোক সি বাকৰুদ্ধ কৰি পেলালে। মই [illegible] অনুভৱ কৰিলো বাবীপহঁতৰ শিবিৰ বেলেগ। মই [illegible] [illegible] নোৱাৰি দ্বিধাগ্ৰস্ত পদক্ষেপেৰে উভতি আহিলো।

এৰা, বাবীপহঁত ভিন্ন শিবিৰৰ লোক।

—:০:—

সিহঁত নপলায়

অবিচাৰৰ নৃশংসতাত ৰক্তাক্ত
আমাৰ কবিতাত,
লেখা আছে ইতিহাস।
ইতিহাসৰ পুনৰাবৃত্তিত
তাইৰ চেতনাৰ গৰ্ভত
আমি ৰক্তবীজ।

জয়ন্ত গগৈ

খবৰ পায়েই ৰক্তিমৰ ঘৰৰ ফালে ওলালো। মই বিশ্ববিদ্যালয়ত মাত্ৰ অগাবলৈ যাওঁতে ৰক্তিমে কৈছিল, 'মোৰ এইবাৰো নাম লগোৱা নহ'ব। তুমি যোৱাচোন যাওঁ।' ইমানেই। কিন্তু নহ'ল সেই কথা মোক কোৱাৰ প্ৰয়োজন নাছিল। সি মোতকৈ এবছৰ আগতে বি-এ পাছ কৰিছিল। দিনে নিশাই দুহাতে আজুৰিও বিশ্ববিদ্যালয়লৈ যোৱাৰ আৰ্থিক সঙ্গতি যোগাৰ কৰিব নোৱাৰিলে। সি গাওঁত থাকি গ'ল।

কিন্তু আজি ভাবিছো সি মোৰ লগত নাহি কিজানি ভালেই কৰিলে। বিশ্ববিদ্যালয়ৰ উজ্জ্বল কৃতী ছাত্ৰৰ তালিকাত থকা ৰক্তিমে এম-এ পাছ নকৰিলেও বৌদ্ধিক যোগ্যতাৰে ভাল চাকৰি এটা লৈ সুখে-সন্তোষে থাকিব পাৰে, কিন্তু তেনে সহজ পথ লোৱাৰ আগ্ৰহ তাৰ নাছিল। কেৱা এটা আদৰ্শৰ পাছত ধাবমান হৈ তাৰ বিধবা মাক আৰু আশীৰ কুটুম্বৰ আশা চুৰমাৰ কৰি সি ক'বা পলাবলৈ

হৈছে পাৰ্ত। স্কুল এটাৰ মাষ্টৰীত সোমায়ো সেই [illegible] পাৰিলেহেঁতেন। কিন্তু তাৰ ধৈৰ্য্য আৰু মেজাজে মাটে।

গতিকে তাৰ অতি প্ৰিয় বিষয় গণিতৰ শ্ৰেণী এটা খুলি বহি আছে। আচলতে কোনো ব্যৱসায়িক বুদ্ধি, পৰিকল্পনা আৰু [illegible] এই গণিত শ্ৰেণী খোলা নাছিল। তাৰ গণিত-জ্ঞানৰ প্ৰখৰতাৰ [illegible] পাই দুই এজন ছাত্ৰই তাৰ ওচৰত মাজে মাজে সহায় বিচাৰি আহিছিল। সি এনে সহায় কৰি ভাল পাইছিল। লাহে লাহে এনে সহায় বিচৰা ছাত্ৰৰ সংখ্যা সৰহ হোৱাত আৰু [illegible] অনুৰোধত সি এটা সৰু ক্লাচ খুলিব লগাত পৰিছিল। [illegible] পইচাই শিক্ষাদান কৰাৰ গৌৰৱত মহিমান্বিত নহলেও তাৰ [illegible] কোনো নিৰ্দিষ্ট নিৰিখ নাছিল। এটা সময়ত এই নিৰিখো [illegible]-আপুনি নিৰ্দ্ধাৰিত হৈছিল। দহ টকা কম হলেও যেতিয়া [illegible] আপত্তি নাই তেতিয়া বেছিকৈ লিখাৰ ম্যাব কোন? গণিতৰ [illegible] থকা আয়ন্ত প্ৰমাণিত হোৱাত পি, ইউ, আৰু আনকি [illegible] ক্লাচৰ ল'ৰাও তাৰ শ্ৰেণীত আহি ভৰ্ত্তি হৈছিল। ছাত্ৰসকলে এদিন [illegible] এনে শ্ৰদ্ধাৰ আসন আগ বঢ়ালে। গণিত তাৰ [illegible], [illegible] চিন্তা। ছাত্ৰ-সমাজৰ সান্নিধ্য তাৰ অতি প্ৰিয় হোৱাত তাৰ [illegible] ছাত্ৰৰ সংখ্যাই সীমা চেৰাই যাও যাও অৱস্থা [illegible]।

দুই এজন অভিজাত ছাত্ৰই তাক এদিন এটা [illegible] "[illegible], আপুনি কিবাটো পইকীয়াৰ সৈতে এক সমান [illegible] হয় নেকি?"

[illegible]

"[illegible]?" সি আচৰিত হৈ সুধিছিল।

"[illegible] চাৰ, আপোনাৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible] আছিলে আপুনি [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।"

"[illegible] ভাবো ছাত্ৰসকলে নিজে নিজে [illegible] [illegible] [illegible] কিব পইচা খৰচ কৰিব [illegible]।"

"চাৰ, [illegible] [illegible] কৰিব [illegible]? [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible] মানুহ কৰ্ত শেষ নহয়। শইকীয়া আৰু দত্ত চাৰ [illegible] আমাক পঢ়ুৱায়। সকলোৱে আমাক দোষে—পঢ়াত মন নাই বুলি। [illegible] পঢ়ুৱাবলৈ মন নাই বুলি নকওঁ। বোধহয় তেওঁলোকৰ [illegible] [illegible]।"

শিক্ষকৰ বিষয়ে ছাত্ৰৰ মাজত আলোচনা হ'ব দিলে যে কেনেকুৱা [illegible] চিত্ৰ এখন দাঙি ধৰিব সেই কথা সহজে অনুমেয়। [illegible] যথা নিৰাপদ দূৰত্ব থকাটো তাৰ কাৰণে তাৰ বুলি ভাবি কি [illegible], "কিন্তু ডিগ্ৰীটোৰ কাৰণেই ভাত অন্ত খৰচ আৰু অত [illegible] কৰা হয়, নহয়নে ?" এনে পৰিশ্ৰমৰ সাৰ্থকতা ক'ত—এই [illegible] নোম প্ৰশ্নটো কৰিলে।

"ডিগ্ৰীটো নোহোৱাকৈ সংসাৰত চলিব নোৱাৰি নেকি ?"

"ডেভিড হেয়াৰ চাৰ, আপোনাৰ ওচৰলৈ নাহি যেই কোনো এজন [illegible] [illegible]কে যাব পাৰিলোহেঁতেন।"

[illegible] বিষয়ে অবান্তৰ যেন লাগিল। সিয়েটোৰ ডিগ্ৰীধাৰী ভদ্ৰলোক [illegible] আছে। প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ আমূল সংশোধন [illegible], আৰু সেইদৰে পুৰণা সমাজ ব্যৱস্থাটো চলি থকালৈকে [illegible] বিষয়ে এনে ব্যৱস্থানে উপযোগী কৰি তুলি লব লাগিব। ডিগ্ৰী নিৰ্ভৰ [illegible]। প্ৰাইভেট কম্পিউটৰ পৰা যোৱা [illegible] [illegible] টকাই হক বা শইকীয়াই আৰাৰ দৰে এশ টকাই হক। [illegible] আলোচনাৰ কথা বাঢ়িলে লোক মাজে মাজে [illegible] [illegible]।

[illegible] [illegible] হোষ্টেলটোৰ পৰা ওলাই যাব [illegible] [illegible] [illegible] [illegible] [illegible] বাবুকৰ্মী হোষ্টেলৰ দুৰা [illegible] [illegible] [illegible] মুখিত ৰাজনৈতিক [illegible] [illegible] আলাপ-আলোচনাৰে [illegible] [illegible] কৰিব [illegible] বুলি [illegible] [illegible] [illegible] নাছিলো। [illegible] [illegible] মহল, [illegible] [illegible] [illegible] [illegible] [illegible]। ইয়াৰ উপায় কৰিব পাৰিব যায় [illegible]। [illegible] [illegible] [illegible] নাই। এনেবোৰ [illegible] পৰিস্থিতি [illegible] [illegible]।

মোক অলপ পথৰ ইঙ্গিত লাগে। মই এবি অহা হোষ্টেলৰ ছাত্ৰ-সকলৰ মাজৰ সৰ্বাত্মক বিভ্ৰান্তি আঁতৰাবলৈ কি কৰিব লাগিব? নিজকে বিচ্ছিন্ন ৰাখি আৰু দূৰে দূৰে ঘটনা পৰিক্ৰমাৰ সূক্ষ্ম পৰ্য্যবেক্ষণ কৰিলেই মোৰ নিচিনা ৰাজনীতি সচেতন ছাত্ৰ এজনৰ কৰ্ত্তব্য পালন কৰা নহয়। অথচ মোৰ মতাদৰ্শ বিসৰ্জন দি সিহঁতৰ লগত সম্পূৰ্ণ ৰূপে আপোচ কৰাও সম্ভৱ নহয়। কিন্তু সুস্থিৰভাৱে চিন্তা কৰা আৰু সাধুভাৱে মতৰ পাৰ্থক্য প্ৰকাশ কৰা পৰিবেশ নষ্ট হৈ পৰিছে। সুস্থিৰ চিন্তা, ধ্যান-ধাৰণা, প্ৰবল আৱেগ প্ৰবনতাৰ সোঁতত সকলো উটি যাব ধৰিছে। তাত আলোচনাৰ খল বিচৰা-মানে গভীৰ জলধিত নিজকে নিমজ্জিত কৰা।

গতিকে সেইদিনা ৰাতি হোষ্টেলত মই কোনো আলোচনা কৰাৰে প্ৰয়োজন বোধ নকৰিছিলো। নিচেই সাধাৰণ কথা এটাতে পৰিতোষ, স্নেহাংশু, অবিনাশ আৰু হেমেন্দ্ৰলালহঁতক ডাইনিং টেবুলৰ পৰা উঠাই দ দিয়ত সিহঁতৰ ভাগৰ মাংস আৰু তৰকাৰীবোৰ বিপিনহঁতৰ দলে ভগাই লওঁতে মই তেনে কোনো তীব্ৰ বিৰোধিতা কৰা নাছিলো, কৰি লাভ নাছিল। অবিনাশহঁত যেতিয়া নোখোৱাকৈ শুই পৰিছিল তেতিয়া বিপিনহঁতৰ দলটোৱে বিজয় উল্লাসত হাঁহি হাঁহি হোষ্টেলৰ পকী দলানটো ৰজন-জনাই তুলিছিল।

মোৰ আৰু দুজনমানৰ অনুৰোধত অবিনাশহঁতক বিচনাৰ পৰা জগাই তোলোতে স্পৰ্শকাতৰ হেমেন্দ্ৰলালে উচুপি উচুপি নিৰৱে কান্দিছিল। লাহে লাহে আমি তলৰ ডাইনিং ৰুমলৈ নামি আহি দেখিছিলো ঠাকুৰ আৰু বিলনীয়া ল'ৰা কেইটাই নিজৰ কাৰণে ভাত থৈ লৈছে মাত্ৰ। আমাক দেখি সিহঁতে সংকিত হৈ চকী এবি ঠিয় দিলে। ইয়াৰ আগৰ উত্তপ্ত পৰিস্থিতিটোৰ পুনৰাবৃত্তিৰ ভয়ত সিহঁত বোধ হয় আতঙ্কিত হৈছিল। সিহঁতে ৰাতি লোৱাখিনি ৰাতিৰ সাজৰ অৱশিষ্ট।

"বাদ দিয়া ভাই বক্তিম। এওঁলোকে এতিয়া খাবলৈ ৰাতি হৈছে আৰু ভিচটাব কৰা উচিত নহব।" স্নেহাংশুৱে কলে।

"আৰু আমি লোকৰ ভাগৰ কাঢ়ি খাবলৈ যোৱাতো উচিত নহব।" অবিনাশে বোধহয় অভিমানতে কলে। সিহঁতে ডাইনিং হল এবি যাবলৈকে ওলাইছিল আৰু মোৰো কবলৈ একো নাছিল যদিও কৈছিলো, "ৰবা কিবা এটা ব্যৱস্থা কৰিব লাগিব।" অস্বস্তিকৰ অবস্থাটোৰ পৰা উদ্ধাৰ পাবলৈকে এইখিনি কব লগা হ'ল।

ঠাকুৰে সেতে বাকী বিলনীয়া লৰাকেইটাই দুৱাৰ মুখত আমাক আগছি ধৰিলে।

"নোৱাৰে যাব আপোনালোক। আমি কৰিম নহয় কিবা এটা।"

আমি আকৌ খন্তেক স্তম্ভিত হৈ ঠিয় দিলো। লজ্জিত হৈ বিমূঢ় হৈ পৰিছিলো। তাৰ কথাষাৰৰ কোমল অনুভূতিৰ তীব্রতাই আমাক সকলোকে স্পৰ্শ কৰি গৈছিল।

সিহঁতৰ ভাগৰখিনিকে ভগাই আমি খেতিয়া খাবলৈ বহিছিলো তেতিয়া আমাৰ মধ্যবিত্তসুলভ আত্মস্তৰীতাখান ভাঙি খান-বান হৈ গৈছিল। পিতৃ-মাতৃৰ হাতত দোষৰ শাস্তি ভোগা বাধ্য সন্তানৰ দৰে আমি ভাত খাবলৈ বহিলো। আধা ইংৰাজী আৰু আধা অসমীয়াতে হোৱা আগৰ তৰ্কাতৰ্কিখিনি সিহঁতে আখৰে আখৰে বুজিলেও অন্ততঃ বুজিছিল ই একেবাৰে নীচ পৰ্য্যায়ৰ কাজিয়াহে। এক-পক্ষ সিমানতে মনে মনে নথকাহলে হতাহতিও হলহেঁতেন বুলিও সিহঁতে বুজিছিল। ঠাকুৰ-চাকৰবোৰৰ মাজত তেনে এখন কাজিয়া হোৱা হলে বিপিনহঁতেই মাতব্বৰী কৰি সিহঁতৰ দুটামানক চৰিয়াই-চটিয়াই কাজিয়া ভাঙি দিলেহেঁতেন। অথচ সেই বিপিনহঁতেই ইহঁতৰ আগতে নিজৰ ভিতৰতে অতি অসভ্য ভাবে কাজিয়া কৰি দেখুৱালে।

আমাৰ দোষী দোষী লগা ভাৰাক্ৰান্ত মনবোৰ কিবা এটা কৰি পাতলাবলৈ আমি খুব চেষ্টা কৰিছিলো। কিন্তু উপযুক্ত বিষয়, মনৰ আৰু বাকৰ অভাৱত আমি কোনোমতে খোৱা সমাপ্ত কৰি পলোৱাৰ চেষ্টাত আছিলো। আমাৰ দুৰ্দ্দশাগ্ৰস্ত অৱস্থা দেখি ঠাকুৰ-চাকৰবোৰ যেন খেতি লজ্জিত হৈছিল। সিহঁতৰ সেই অৱস্থাই

আমাক আৰু লজ্জিত কৰিছিল। আমি কোনেও কাৰো চকুলৈ চাবৰ সাহস নাইছিল।

কোনোমতে দুমুঠি খাই যেতিয়া ওপৰ মহলালৈ উঠি আহিছিলো তেতিয়া বিপিনৰ কোঠাৰ মেলখন ভাগিছে মাত্ৰ। আমাৰ বন্ধুসকল নিজৰ নিজৰ কোঠালৈ ঘূৰি গৈছে।

"অ, বিভীষণৰ মেল।"

"নহয় ধেৎ, নোৱাখালীৰ পৰা মহাত্মা ঘূৰি আহিছে।" সেইটো আমাৰ বন্ধুসকলে মোলৈ বুলি চৌড়া গুলিৰ শব্দ।

তেতিয়াৰ পৰা মই সিহঁতৰ বিচাৰত দাঁড়াল, বিভীষণ হলো। ৰাজনীতি 'ৰ'টো নজনাসকলে মোক তালেমান ৰাজনৈতিক দলৰ নামেৰে বিভূষিত কৰি গালি পৰা সাধাৰণ কথা হল। মোৰ অৱশ্যে সেইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাছিল।

আমাৰ হোষ্টেলৰ এনে বিষাক্ত বাতাবৰণত সম্প্ৰীতিৰ কাৰণে যেতিয়া প্ৰফেচৰ হাজৰিকাৰ লগত আলোচনা কৰা গল তেখেতে উত্তৰ দিলে, এৰা কিবা এটা কৰা যক।

তাৰ পিচদিনাই বিশ্ববিদ্যালয়ৰ চৌহদৰ দেৱালত প্ৰফেচৰ হাজৰিকাৰ নামো বিভীষণৰ তালিকাত উঠিল। দুদিন পিচত প্ৰফেচৰ চক্ৰৱৰ্ত্তীক বাপ্ত আলিত প্ৰকাশ্যে ছাত্ৰই অপমানিত কৰিলে কাৰণ এওঁলোকে ভিন্নমত পোষণ কৰে। কোনো ভিন্ন মতাবলম্বী লোকক এতিয়া প্ৰশ্ৰয় দিয়া নহয়। সদায় ৰাজনীতিৰ কণ্টকৰ পথৰ পৰা নিৰাপদ দূৰত্বত থকাসকলে সুবিধা বুজি বুদ্ধিজীৱীৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ দেশপ্ৰেমিক হৈ ওলাই আহিল। লগে লগে তেওঁলোকৰ শিষ্য-প্ৰশিষ্যৰ সংখ্যাও নৈৰ বাঢ়নী পানীৰ দৰে বাঢ়ি আহিল। তেওঁলোকৰ ৰাজনীতি অতি সহজ বুজিবলৈ।

সময় তথা প্ৰকৃতিৰ অভাৱত প্ৰফেচৰ দাস, চৌধুৰী আদিৰ ক্লাচবোৰ প্ৰায়ে নোহোৱাই হল আন্তৰিকতা থকা এচাম ছাত্ৰ-ছাত্ৰী বিশ্ববিদ্যালয়ৰ দূষিত পৰিবেশত ক্ষুব্ধ হৈ উঠিল। কিন্তু প্ৰশাসন যন্ত্ৰৰ নীৰৱতা আৰু তেওঁলোকৰ সংখ্যাল্পতাত একো কৰাৰ উপায়

নাই। কৰিবলৈ গলেই কাইলৈ বাটৰ কাষৰ দেৱালত অপবাদ লিপিবদ্ধ হ'ব।

মই এটা পাৰ্টিৰ মতবাদত বিশ্বাসী। সেয়ে মোৰ দোষ। য়ুনিয়ন নিৰ্বাচনত এইবাৰ আনকি আমাক প্ৰতিযোগীতা কৰিবলৈকে নিদিলে। গণতন্ত্ৰত বিশ্বাসীসকলে এইবাৰ জোৰ-জবৰদস্তি কৰি নিজৰ মাৰ্কামৰা গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ লাগিল। ৰাজনীতি আৰু ৰাজনৈতিক আদৰ্শৰ ছিটিকনি যাতে তেওঁলোকৰ ধমধমীয়া কাপোৰত পৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হল। মই মাত্ৰ বুজি নাপালো, তাকে কৰিবলৈ যাওঁতে তেওঁলোকে আৰ্থ-সামাজিক স্থিতাৱস্থাকে ৰাহাল ৰাখিব খুজিছে যে সেই কথা ঢাকি ৰাখিব কেনেকৈ? সেই প্ৰচেষ্টাৰে কাক সহায় কৰিবলৈ ওলাইছে? অথচ ইয়াত পঢ়িবলৈ অহা কেইজনমান ছাত্ৰৰ বাহিৰে বাকী সৰহভাগেই মধ্যবিত্ত সমাজৰ পৰা আহিছে।

মোৰ লণ্ড-ভণ্ড কৰা ৰচনাপত্ৰ আৰু কিতাপ-পত্ৰবোৰ হোষ্টেলতে এৰি থৈ গুছি আহিম বলি ভাবিছিলো। পিচ মুহূৰ্ত্তে তেনে শিশু-সুলভ অভিমান দলিয়াই পেলাইছিলো। কিন্তু যি কষ্ট আৰু যত্নেৰে এই কিতাপ-পত্ৰবোৰ সংগ্ৰহ কৰা হৈছিল সেই কথা ভাবিলে দুখ লাগিছিল। হোষ্টেলৰ চুপাৰক মাতি আনি দেখুৱাম নেকি? নাই মই কিয় দেখুৱাব লাগে? ঘৰত চুৰি হলে থানাত এজাহাৰ দিয়াৰ নিচিনা কথাহে হব। চিৰাচিৰ'কৈ ফলা বেডকভাৰ খনকে বিচনাত পাৰি মই গোটেই দিনটো পৰি থাকিলো। মনতে আশা মোৰ খবৰ লবলৈ কোনোবা এটা নহয় এটা লৰা আহিব।

ৰাৰাণ্ডাইদি খটপ্-খটপ্‌কৈ হোৱা জোতাৰ শব্দ, নিৰন্তৰ ভাবে চোলেপ্ চেলেপ্‌কৈ চেণ্ডেল চোচোৰোৱাৰ শব্দ মাত্ৰ কাণত পৰিছিল। আবেলিৰ ফালে হোষ্টেলটো নিজম হৈ পৰিছিল। হোষ্টেল বাইজৰ কোনোবা মিছিল গুৱাহাটীৰ সমদলত যোগ দিবলৈ আৰু কোনোবাই হয়তো চাহ আৰু গৰম তৰ্কটো আলত হৈ কোনোবা ৰেঁস্তুৰাত জনতা, চি-পি-এম, কংগ্ৰেছ, চি-পি-আই যি দলৰে নাম যুক্ত

আছে সেই দলকে খালি খাবি ৰাজনীতিৰ শ্ৰাদ্ধ কৰাত লাগিছে।

খিৰিকীৰে চাই দেখিলো বিপিনহঁতৰ দলটো প্ৰফেচৰ দত্তৰ সৈতে কৰবালৈ আগবাঢ়িছে। আকৌ হয়তো কিবা এটা নতুন অভিসন্ধি চলিছে। লণ্ড-ভণ্ড কৰা বিচনাখন সামৰি-সুতৰি বান্ধিবলৈ ঠিক কৰি আকৌ ভাবিবলৈ বাধ্য হৈছো, কি কৰা যায়। হোষ্টেলৰ ঠাকুৰ ৰামপ্ৰসাদে দুৱাৰমুখত ঠিয় হৈ মোৰ ফালে চাই থকা মই কৰই নোৱাৰিছিলো।

"বাবু, আপুনি কি কি লৈ যাব কক। বাকীবোৰ মই চপাই কোচাই মোৰ তাতে থৈ দিওঁ। আপুনি কলৈ যায় সোনকালে যকৈ আৰু ঘৰ নেলাগে।"

তাৰ কথাৰ ইঙ্গিত স্পষ্ট। আৰু এখন্তেকো হোষ্টেলত থকা নিৰাপদ নহয়। এইদল দেশপ্ৰেমিক ৰাজনীতিবিদে অকল জোৰাৰ মূল্যতে মন্ত্ৰ নহয়। সিহঁতে স্থিতাৱস্থাৰ বিৰুদ্ধে যুঁজা যি কোনো দলকে নিঃচিহ্ন কৰিবলৈ ওলাইছে। কাৰণ তেওঁলোকৰ অৰ্থবল আৰু জনবলৰ অভাৱ নহয়।

বক্তিমহঁতৰ ঘৰ পোৱাৰ আগতে কাৰোবাৰ মাতত পিচলৈ ঘূৰি চালো। গুণকান্ত।

"বোলো সেইফাললৈকে যোৱা নেকি? কাহানি আহিলা?"

পুখুৰীৰ পাৰত ঠিয় হৈ থকা গুণকান্তৰ মাতত মোৰ সম্বিত ঘূৰি আহিল।

মই কলৈ যাম সেই প্ৰশ্নৰ উত্তৰ গুণকান্তৰ প্ৰশ্নৰ ভিতৰতে সোমাই আছে। গতিকে উত্তৰ নিষ্প্ৰয়োজন। গুণকান্ত আমাৰ পাৰ্টিত একাধাৰে সাংবাদীক, চোৰাংচোৱা, সংগঠক, নামঘৰীয়া, বেজ, পালোৱান, মণ্ডলি ইত্যাদি সকলো। মুঠতে পইচা পালে তেওঁ সকলোতে আছে। তেওঁ কোনো নিৰ্দিষ্ট দল বা গোষ্ঠীভুক্ত লোক নহয়।

"পিচে নাই নহয় তেওঁ, পলাল?" হাঁহি এটা মাৰি গুণকান্তই পুনৰ কলে।

পলাল মণ্টোৰ ওপৰত ইমান জোৰ দি দি কলে বক্তিৰ যেন

এটা দুৰ্ধৰ্ষ ডকাইত বা পডাইত চোৰহে। পিচে পোনচাটেই তাৰ কথাত অবিশ্বাস কৰা বুলি জানিলে সি কথাৰ সুৰ বদলাই অনেক মিছা কথা কব। গতিকে কৌতুহল প্ৰকাশ কৰি পুনৰ সুধিলো, "পলাল? পলাবলৈ কি হল তাৰ?"

"ঐ তুমি নেজানা? আমিও এতিয়াহে জানিছো।"

"হয়নেকি? কি হলনো কথাটো?"

মোৰ প্ৰগত উৎসাহ পাই সি এইবাৰ আৰম্ভ কৰিলে, "সি তলে তলে মহা সংঘাতিক লোক। তুমি আজি কালি গাৱঁত ৰবকৈ নেথাকা নহয়, গতিকে গাৱঁৰ কথাৰ কত গম পাবা?"

মোৰ অজ্ঞতাৰ কাৰণটো সি নিজেই ব্যাখ্যা কৰি পুনৰ আৰম্ভ কৰিলে, "সি বোলে কলেজৰ লৰামখাক অক পঢ়াবাৰ নামত সিহঁতৰ মূৰ খাইছে।"

"হয় নেকি? কি কৰে সি?"

"তুমিচোন জানাই, সি কলেজৰ লৰা কিছুমানক আকস্মিকবো দুটামানক লৈ গাৱঁতে অক শিকোৱা স্কুল এখন খুলিছে।' মোৰ মনোভাব বুজিবলৈ সি মোলৈ চাই পনৰ বল।

"পিচে?"

"মই নেজানো ভালকৈ, লোকে কোৱাহে শুনিছো।"

লোকৰ অপবাদ কাৰণে হলে সি এনেদৰে গা এৰাপি কোৱা তাৰ এটা কৌশল। "লৰা পঢ়োৱা টকাৰে বোলে সি নতুন চাইকেল এখনো কিনিছে। পইচাও হোৱাহোৱে ঘটিছে।"

পুজিবাদী আৰ্থ-সামাজিক প্ৰক্ৰিয়াৰ ভু-নোপোৱা গাৱঁৰ মানুহে ধনীজন অধিক ধনী হোৱাটো স্বাভাবিক কথা বুলি মানি লয়, কিন্তু সামৰ্থ্যহীন জনৰ সামথ্যৰ সামান্য উন্নতি হলেই ইৰ্ষাৰ চকুৰে নোচোৱাকৈ নোৱাৰে। প্ৰকৃততে গুণকান্তই গাৱঁৰ মানুহে কোৱা-মেলা কথাবেই পুনৰাবৃত্তি কৰিছে।

"সি চাকৰি-বাকৰি কতো নিবিচাৰেও আৰু নকৰেও। ইমানকৈ গাৱঁতে বহি বহি খইচা থাকিলে কেলেইনো চাকৰি কৰিবলৈ যাব।"

কোনো বিষয়তে গুণকান্তৰ নিজস্ব ধ্যান-ধাৰণা বুলি একো নাই। আনৰ পৰা যিহকে শুনে আৰু আনে যি ধৰণে ভাবে তাকে নিজৰ বুলি ব্যক্ত কৰাই তাৰ অভ্যাস। যি পক্ষত থাকিলে তাৰ নিজাকৈ কিবা এটা লাভ হয় তেনে অৱস্থাতহে সি সম্পূৰ্ণ পক্ষপাতিতা কৰে।

"পিচে ই পলাল কেলেই, সেইটো কোৱা।"

"কৈছো ৰবা। কোনোবাই শিবাৰ উলিয়াই দিলে বোলে সি অংক নেজানেই ভালকৈ। ক'ৰ পৰা জানিব? সিটো মোহন প্ৰফেচাৰৰ দৰে এম-এ পাচ কৰা নাই। পিচে লৰাবোৰে আকৌ তাকেহে ভাল পাইছিল। তাৰ তাত পঢ়া লৰাবোৰে কোনো ফেল কৰা নাই। পিচে মোহন প্ৰফেচাৰেও তেনেকুৱা ক্লাচ খুলি অংক পঢ়া বুলি তুমি জানায়। পিচত এইখন হৈ এবাৰ বঙ্কিমৰ ক্লাচত লৰা কমি কমি নোহোৱাৰ নিচিনাই হৈছিলগৈ। সকলোবোৰ গৈ মোহনৰ তাত ভৰ্তি হলগৈ। পিচে হলে কি হব? বঙ্কিমো পৰোৱাই কৰা বিধৰ লৰা নহয়। সি বেলেগ ধাতুৰ মানুহ। তাতে সি লৰা পঢ়োৱাটো একেবাৰে ব্যৱসায় হিচাপে লোৱা নাই হব পায়। সময়ো নাই, মেলে-মিটিঙে ঘূৰিব লাগে। তথাপিও শেহত লৰাবোৰ তাৰ ওচৰলৈকে ঘূৰি আহিল। পঢ়োৱাকণ সময় ভালকৈ পঢ়ায়। মানুহে কয় বোলে আমাৰ গাৱঁৰ কলেজৰ প্ৰফেচৰহঁতে কলেজত এনেয়েও নপঢ়ায় তেনেয়েও নপঢ়ায়। বঙ্কিমৰ তাতে দিয়াই ভাল। তাতে বোধহয় মোহন প্ৰফেচৰ পেটে পেটে নাৰাজ।"

গুণকান্তই তাৰ বক্তব্য ক'ৰ পৰা আৰম্ভ কৰি ক'ত নি সামৰে বুজিবলৈ টান। আমনিও লাগে তাৰ কথা শুনি। মই তাক মোৰ মূল প্ৰশ্নলৈ ঘূৰাই আনিবলৈ ললো। "পিচে এতিয়া মোহন প্ৰফেচাৰৰ ক্লাচ চলি আছেনে নাই?"

"তেনেকৈ নাই। এৰা-ধৰাকৈ চলি আছে আৰু ওচৰ দেশৰ এই গণ্ডগোলত ক'ত লৰাই পইচা খৰচ কৰি পঢ়িব?"

"তাৰ মানে তেওঁৰ ক্লাচ বন্ধ?"

"বন্ধ তেনেকৈ নহয়। দুটামান ল'ৰা আহি আছিল ৰাতি ৰাতি।"

"পিচে ৰক্তিম যে পলাল বুলি ক'লা?"

"অ তেওঁ?" এইবাৰহে গুণকান্তই আচল কথালৈ অহা যেন পালো। তাত সময় যেন সি পাহৰিয়েই আছিল।

"তেওঁক ধাৰ্বৰ লৰাবোৰে কিবা বেয়া পোৱা হ'ল।"

কিয় বেয়া পোৱা হ'ল তাৰ কাৰণটো যেন সি বুজিব পৰা নাই এনেভাৱে সি মোৰ চকুলৈ চালে। মই কিবা এটা কলে মোৰ মনোভাৱ বুজি মোৰ সুৰতে সুৰ মিলাই সিও কিবা এটা কবলৈ খুজেক যেন। এইটোৱে তাৰ দস্তুৰ। জীৱনৰ আধাডোখৰ পৰমুখাপেক্ষী হৈ কটাই এই অভ্যাসটো সি আয়ত্ব কৰি লৈছে নেহাত বাচি থকাৰ তাড়নাত। মই সেই সুবিধা নিদিলো। বৰং সুধিলো, "বেয়া পোৱা কাম কৰিলে বেয়া পাবই মানুহে। নে কি কোৱা, তুমি হলেও কৰা।"

কথাটো শুনি সি উচাপ খাই উঠাদি উঠিল। "ৰাম! ৰাম! তোমাৰে শপত। সি বেয়া কাম কৰিছে বুলি মই কেনেকৈ কম হেঁ?"

"তুমি নকলেও আনে কয় সকলোৱে যেতিয়া বেয়া বুলি কয় তুমিও কৰা নহয় জানো?"

"মই তেওঁক নেজানো বুজিছা, আনে কোৱা কথাহে। তথাপি……।" দ্বিধাবোধ কৰি সি কথাষাৰ অসমাপ্ত কৰি এৰিবলৈ বিচাৰিলে।

"অ' তথাপি; তোমাৰ নিজৰ কথাটো কোৱাচোন"।

চাৰিওফালে এবাৰ চাই নিৰাপদ যেন ভাবি মাতটো আগতকৈ সৰু কৰি কলে, "মই দেখাত সি একো বেয়া কাম কৰা নাই। তাক বেয়া পোৱাই থাক থাক কি কৰিবা? পিচে আমাৰ নিচিনা মানুহৰ কথাবোৰ কি মূল্য আছে? তোমাক দেখিছে কৈছো, আনৰ আগত কব নোৱাৰি। সি কোৱা কথাবোৰ কিন্তু আমাৰ মনত লাগে। আমি কিয় দুখীয়া হলো, বাকী আনবোৰ কিয় চহকী হল; আমাৰ

কিন্তু খেতিৰ মাটি নাই। চৌধুৰী পৰীক্ষাৰ কেনেকৈ ইমানবোৰ মাটি সম্পত্তি হল, পাৰ্বৰ লৰাবোৰে কিয় মাজতে স্কুল এৰিব লগা হয় - এইবোৰ কথা আমি জনা হৈছো যেন পাইছো। পিতে মোহন প্ৰফেচাৰহঁতে কয় বোলে ৰাজনীতিত সেইবোৰ ভেদ ভাব আনি ৰক্তিমহঁতে সমাজখন ভাঙি খানখান কৰিছে। সেয়েহে এই গণ্ডগোলবোৰ।" মোৰ বাহিৰে আনক কব নোৱাৰা গুণকান্তৰ লেঠেৰি নিচিগা আৰু মাজে মাজে ক্ৰমভঙ্গ হোৱা কথাবোৰ মই আকৌ মনতে জুকিয়াই চালো।

চহৰীয়া পৰিবেশত গঢ়ি উঠা আমাৰ কলেজখনৰ মাষ্টী-নক্ষত্ৰ ওচৰ পাজৰৰ দোকানী পোহাৰীৰ পৰা আৰম্ভ কৰি পাৰ্বৰ সকলো মানুহৰে জনা আছে। কোনজন শিক্ষক স্থানীয় লোক, কোনজন বাহিৰৰ, কোনে কেতিয়া চাকৰী এৰি গল, কাৰ কেইটা লৰা-ছোৱালী, কোন কিজন পৰিচালনা সমিতিৰ সভাপতিৰ পক্ষৰ লোক এইবোৰ কথা সৰহভাগ মানুহৰ কণ্ঠস্থ। আমাৰ অঞ্চলৰ অৰ্থাৎ মহকুমাটোৰ বাহিৰৰ পৰা অহা লোক হলেই স্থানীয়ৰ ভিতৰত নপৰে, বাহিৰা মানুহ। এনে নিযুক্তি দিওঁতে দুৰাক্ৰমান লৰাহঁতে ধৰ্মঘট কৰাৰো পটন্তৰ আছে। পাৰ্বৰ মাইকে কয়, "হয়তো আকৌ, স্থানীয় মানুহ থাকোতে বাহিৰৰ মানুহ কৰ লাগে কিয়?"

কিন্তু সময়ত দেখা গল কলেজ শিক্ষকসকলৰ অধিকাংশই একোটা ব্যৱসায়ত লিপ্ত। কোনোৱে কিতাপৰ দোকান, কোনোৱে ছাপাখানা, কোনোৱে পাহৰী ফাৰ্মিং আৰু বাকী দুজনমানে মেক-মিটিং কৰি সময় নোপোৱা হল। কলেজখন ভেৰ্ভলোকৰ কাৰণে উপকৰা বিষয়হে। ছাত্ৰিসৰ ওচৰত মৰ্কৰ্মা ভলাক উকীলক মাতি [illegible] লবে শ্ৰেণীজেও ভেণ্ডলোকক মৰ্ঘিত আনিব লগা হল। দিনৰ শেহৰ [illegible] কেইটা হৰণে নহয় হাতই আগতীয়াকৈ সুধি [illegible]। [illegible] পুৰণি বোপাপৰ "জি কি [illegible]?"

এসেকাত [illegible] উৎসাহেৰে [illegible] পতা বাইলেকে এদিন [illegible] [illegible] হঁস — ১

এনে দুৰৱস্থা দেখি হতাশাত ভাগি পৰিছে। বিক্ষোভ প্ৰদৰ্শন কৰাৰ উপায় নাই। ইতিমধ্যে "স্থানীয়তাবাদৰ" নামত এক শক্তিশালী চক্ৰৰ হাতত কলেজৰ ভাগ্য নিয়ন্ত্ৰিত হব ধৰিছে। মৰসাহ কৰি বীৰেণ ইছিহ, নৰ আৰু তীৰ্থ হঁতে এখন দৰখাস্তৰ যোগে এনে স্বেচ্ছাচাৰৰ বিৰুদ্ধে সামান্য আলোড়ন তুলিলে। সিহঁতৰ মতে প্ৰিন্সিপালে এইবোৰ কথা বিচাৰ কৰি কলেজৰ শিক্ষা জীৱনৰ সুস্থ বাতাবৰণ ঘূৰাই আনিব লাগে। নহলে আগেয়ে হোৱাৰদৰে এই বছৰো পাঠ্য-তালিকাৰ আধাৰো আধা বছৰটোত পঢ়োৱা শেষ নহব। দৰখাস্তখন মেনেজিং কমিটিলৈ পঠোৱাৰ আগতে উপাধ্যক্ষ আৰু দুজনমান শিক্ষকক লৈ হোৱা আলোচনাত এই সিদ্ধান্ত উপনীত হল যে এনে ধৰণৰ আবেদনে ছাত্ৰৰ মাজত ভীষণ অনুশাসন হীনতাৰ সৃষ্টি কৰিব পাৰে। অকল সেয়ে নহয় শিক্ষকসকলৰ ভাবমূৰ্তিও অভিভাৱক আৰু ছাত্ৰৰ আগত নষ্ট হৈ নতুন কলেজখনক ভাঙনৰ সন্মুখীন কৰিব। বিষয় অতি গুৰুতৰ। মেনেজিং কমিটিক ভালদৰে কথাটো বুজাব নোৱাৰিলে কথা বিষম হব। গতিকে বিশদ আলোচনাৰ পিছত দেখা গল বিষয়টো মুঠেই চিন্তা কৰিব লগা বিধৰ নহয়, চতালিৰ পৰা বিধৰহে। বিশ্লেষণত পোৱা গল দৰখাস্তকাৰীৰ প্ৰথম কেইজন বঙ্কিমৰ কচিং ক্লাচৰ ছাত্ৰ। তেওঁলোকক বঙ্কিমৰ ৰাজনীতিৰ ৰতাহে কোবাইছে। তাৰোপৰি দৰখাস্তকাৰীৰ বেছি ভাগেই স্থানীয় ছাত্ৰ নহয়, হোষ্টেলৰ ছাত্ৰহে। স্থানীয় ছাত্ৰখিনিক বঙ্কিমৰ দূষিত ৰাজনৈতিক চক্ৰৰ কবলৰ পৰা উদ্ধাৰ কৰি অনা কোনো টান কাম নহয়। স্থানীয় ছাত্ৰসকলক এবাৰ এই কথা বুজাই দিব পাৰিলে সকলো কাম অতি সুকলমে সমাধা হৈ যাব।

হঠাতে কলেজত প্ৰচাৰ হল চৰকাৰৰ সকলো অনুদান বন্ধ হব, কলেজৰ স্বীকৃতি বন্ধ হব, বিজ্ঞান শাখা খোলাৰ অনুমতি প্ৰত্যাহাৰ কৰা হব। মুঠতে এইখন আৰু কলেজ হৈ নাথাকে। ইয়াকে বোধ কৰাৰ একমাত্ৰ উপায় কোনোবা ছাত্ৰই দিয়া দৰখাস্তখন প্ৰত্যাহাৰ কৰা। এই লৈ [illegible] চাহৰ দোকানত [illegible] তৰ্ক-বিতৰ্ক

আৰম্ভ হল আৰু কলেজত আইনৰ কাপ-প্লেট কিছুমান নষ্ট হল। ইয়াৰ পৰিণতি স্বৰূপে হোষ্টেলৰ আবাসিক, স্থানীয় ছাত্ৰ আৰু হোষ্টেলৰ ছাত্ৰ এই দুই শিবিৰৰ মাজত আৰু এটা তৃতীয় শিবিৰ আগমন হল—পুলিচৰ। উপাধ্যক্ষ আহিল, পুলিচৰ অধিকৰ্ত্তা আহিল, স্থানীয় বিধায়ক আহিল। আলোচনা, পৰ্য্যালোচনা আৰু সমালোচনা হল। সৰ্বসন্মত সিদ্ধান্ত হল – কলেজখনলৈ শান্তি ঘূৰাই আনিব লাগিব। সাধাৰণতে পৰিস্থিতিৰ মূলকাৰণ বিচাৰি নেপালে বা পাছে প্ৰকাশ কৰিবলৈ টান হলে ৰাজহুৱা বিষয়ত যি শব্দবাজী প্ৰয়োগ কৰা হয় তেনে-ভাবেই কলেজৰ গভৰ্নিং বডিয়ে প্ৰেছলৈ দিয়া বিবৃতিত ৰাইজক সকিয়াই দিলে যে বাহিৰৰ কোনো বিচ্ছেদকামী শক্তিয়ে যাতে ছাত্ৰসকলক বিপথে নিব নোৱাৰে তাৰ কাৰণে সকলোৱে সতৰ্ক দৃষ্টি ৰাখিব লাগে। বাহিৰৰ মানুহৰ লগত ছাত্ৰসকলে যাতে কোনো সম্পৰ্ক নাৰাখে তালৈ চকু ৰাখিব লাগিব। পৰিণতি স্বৰূপে ৰক্তিমৰ ক্লাচলৈ ছাত্ৰ যোৱা বন্ধ হল। তাৰ উপৰিও পুলিচৰ চোকা নজৰ ৰাখিবলৈ উপাধ্যক্ষক কলেজ কতৃপক্ষৰ পৰা অনুৰোধ কৰা হল। সাময়িকভাৱে কিছুদিনলৈ কলেজ বন্ধ হলেও শিক্ষাৰ বাতাবৰণ যাতে নষ্ট নহয় তাৰ কাৰণে হোষ্টেলৰ "ছিক ৰুমত" মোহন প্ৰফেচাৰৰ গণিতৰ ক্লাচ আৰু দত্ত প্ৰফেচাৰৰ ইংৰাজী কচিং ক্লাচ চলোৱাৰ অনুমতি দিয়া হল।

নগৰবাসী গাৰ্ডৰ কলেজ চৌহদলৈ শান্তি ঘূৰি আহিল বুলি মানুহে জানিলে। এনে অৱস্থাত "কোনোবা দুৰ্বৃত্তৰ" হাতত আহত হোৱা ৰক্তিমক বাটৰ পৰা বুটলি আনি মোহন প্ৰফেচাৰইতে যেতিয়া কলেজত আহি অতি দুখেৰে কলেহি তেতিয়া কোনো আলোড়ন শিক্ষক কমন ৰুমত দেখা নগল। কিন্তু লগে লগে এনে কাৰ্য্যৰ বাবে পৰিকল্পনা অনাৰ শান্তিপূৰ্ণ পৰিবেশ যাতে ব্যাহত নহয় তাৰ কাৰণে সকলোৱে চেষ্টা কৰা উচিত বুলি এটা বিবৃতি সভাপতিয়ে স্থানীয় সংবাদদাতাক দিয়া হল।

মোহন প্ৰফেচাৰক আদি কৰি কেইবাজনো লগে লগে

হাস্পাতাললৈ যাওঁতা হল। এই কেইমাহত পুলিচৰ ওচৰলৈ বোচৰ মাথায় সেই কথা বজিমে বুজিম। সি বুদ্ধিমান লৰা।

"চাৰ, মোক কোনজন মানুহে আইন কৰিলে সেইটো মোৰ কাৰণে গুৰুত্বপূৰ্ণ কথা নহয়। কথা হল সমাজৰ কোন শ্ৰেণীৰ মানুহে তাক কি উদ্দেশ্যেৰে এনে দুষ্কাৰ্য্য সংঘটিত কৰিলে সেইটোহে ডাঙৰ কথা। আমি জানি থব লাগে। সেইটোহে। যিবিলাকে কৰোৱাইছে বা কৰোৱাই সিহঁত শুধৰণীৰ অতীত। সংশোধন কৰিবলৈ চেষ্টা কৰিব পাৰি সেইসকলক যিসকলে ক্ষণিকৰ উত্তেজনাত বৰ নোৱাৰি আনৰ উচটনিৰ হাথিয়াৰ হবলৈ বাধ্য হৈছে।

গতিকে কাছাৰীৰ মোকৰ্দমাত মোৰ মতে সমস্যাৰ সমাধান নহয়। এতিয়া আপুনি বুজিব মোৰ বা আপোনাৰ প্ৰকৃত শত্ৰু কোনবিধ। সিহঁতক পুলিচে ধৰিব নোৱাৰে। ধৰিব লাগিব আমি।"

গুণকান্তই ইমানবোৰ কথা বুজিব পৰা অৱস্থা আয়ত্ত কৰিব পৰা নাই। কিন্তু কৰবাত যে কিবা এটা অভিসন্ধিমূলক কথা চলি আছে সি বুজিব পাৰিছিল। দীঘল নিঃশ্বাস এটা এৰি গুণকান্তই কলে, "এবা এতিয়া সি সোনকালে উঠিব পাৰিলেই হয়।" এইবাৰ সি মোলৈ চাই কলে, "ভয় নকৰিবা বুজিছা। এতিয়া আমি কোন শত্ৰু কোন মিত্ৰ চিনি পাইছো। যায় দুদিনমান মনে মনে বাট চোৱা হক। তোমালোকৰেই জয় হব।"

গুণকান্তই মোৰ ধাৰণা সম্পূৰ্ণ সলনি কৰি দিলে। জুইত পোৰা উজ্জ্বল সোণৰ দৰে গুণকান্তৰ মুখখন মোৰ আগত নতুনকৈ জিলিকি উঠিল।

—:o:—